ডিচেম্বৰ 2011 ■ ₹ 20/-

চান্দমামা

Mumbai Edition



www.chandamama.com/parle/

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক যুৱ-তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street,
Vadapalani, Chennai-26
(or)
online@chandamama.com

কৰ্টৰ ৰাজকুমাৰ

অথৰ্ব সিন্ধে। মহাৰাষ্ট্ৰৰ এই ১৫ বছৰীয়া শিশুজনে অতি কম বয়সৰ পৰাই বেডমিন্টন খেলিবলৈ আৰম্ভ কৰে। অথৰ্বই থানেৰ ছৈয়দ মোডী বেডমিন্টন একাডেমীত প্ৰশিক্ষণ লয়। তেওঁ বৰ্তমান জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে প্ৰস্তুতি চলাই আছে। ২০১০ত ৰাজ্যিক প্ৰতিযোগিতাৰ ১৬ বছৰৰ তলৰ শাখাত তেওঁ ছেমিফাইনেল খেলিছিল।

অথৰ্বই স্কুল আৰু চহৰ পৰ্যায়ত বহু প্ৰতিযোগিতাত বিজয়ী হৈছে। তেওঁ প্ৰিয় খেলুৱৈৰ তালিকাত বহু বিখ্যাত বেডমিন্টন খেলুৱৈৰ নাম আছে যদিও তেওঁৰ সবাতোকৈ প্ৰিয় খেলুৱৈজন হ'ল অলিম্পিকৰ স্বৰ্ণপদক বিজেতা মাইকেল ফেল্পছ। ইয়াৰ কাৰণ হ'ল তেওঁ প্ৰতিদ্বন্দ্বীসকলক অতি সহজেই ধৰাসয়ী কৰে। তেওঁ প্ৰতিদিনৰ কঠোৰ পৰিশ্ৰমৰ মাজতো নিজৰ প্ৰিয় সংগীত শুনিবলৈ পাহৰি নাযায়। সংগীতে তেওঁৰ মনোযোগ বৃদ্ধি কৰি শাৰিৰীক আৰু মানসিক অৱসাদ দূৰ কৰাত সহায় কৰে।

তেওঁ বিখ্যাত কাৰ্টুন চৰিত্ৰ মিকি মাউচৰ এজন পৰম ভক্ত। তেওঁ খেল আৰু অধ্যয়নৰ ওপৰিও লগৰীয়াসকলৰ লগত 'প্ৰেংক' খেলি ভাল পায়। অথৰ্বৰ লক্ষ্য যদিও এজন ভাল ছিংগলছৰ খেলুৱৈ হিচাপে নিজকে প্ৰতিষ্ঠা কৰা, তেওঁ লগৰ খেলুৱৈসকলৰ লগত যুটীয়াভাৱেও খেলত অংশ গ্ৰহণ কৰে। তেওঁ ডাবলছ শাখাতো এজন পাৰদৰ্শী খেলুৱৈ।

তেওঁৰ আন প্ৰিয় খেলসমূহ হ'ল- ৰেছিং, ফুটবল আৰু লন টেনিছ। তেওঁৰ লক্ষ্য হ'ল বেডমিন্টনত ভাৰতৰ বাবে পদক অৰ্জন কৰা। অথৰ্বলৈ আমি শুভকামনা যাচিছো।

ডিচেম্বৰ ২০১১ ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-2 December 2011 Issue-12

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি - ১ ...০৯
* মোৰ স্মৃতি - ২ ...১০
* অমৃতা বৰ্ষীনীৰ সিদ্ধান্ত ...১১
* ভাগ-বতৰা ...১৯
* ভুল বুজাবুজি ...২১
* মিত্ৰ ভেদ - ২৫ ...২৫
* কোমল মাটি ...২৮
* বিশ্বাসহীনতা ...৩১
* প্ৰতিযোগিতা ...৩৩
* অহংকাৰ ...৩৫
* ঘৰ-সংসাৰ ...৩৯
* পৰাজিত ...৪২
* যেতিয়া সৌভাগ্যই লগ দিয়ে ...৪৪
* কৃষকেই হ'ল ৰজা ...৪৮
* প্ৰত্যক্ষ প্ৰমাণ ...৫২
* প্ৰকৃত সম্পদ ...৫৪
* শিথিলালয় - ২১ ...৫৫
* সক্ষমতা ...৬৩
* ভাল পৰিবৰ্তন ...৬৬
* সহায়ৰ হাত ...৭০
* মই কি হ'ব পাৰো? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৫ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

মৰমৰ বন্ধুসকল,

প্ৰতিটো ডিচেম্বৰ মাহতেই আমাৰ মুখৰ পৰা এই কথা অজানিতে ওলাই আহে- ‘অস্, চোৱা, সময় কিমান বেগেৰে পাৰ হৈ যায়.. আমি আৰু এটা বছৰৰ শেষত উপনীত হলোহি ।... প্ৰতিটো পাৰ হৈ যোৱা বছৰৰ শেষত আমি এই কথা অনুভৱ কৰো যে বছৰটো অলপ বেছি খৰকৈ পাৰ হৈ গ’ল । বছৰৰ আৰম্ভণিতে আমি নানা কাম কৰাৰ আঁচনি তৈয়াৰ কৰো, কিন্তু সকলো ঠিক-ঠাক কৰি কামটো কৰিবলৈ লোৱাৰ সময়তে ডিচেম্বৰ পাইহি ।

এই বছৰটো আমি কেনেকৈ পাৰ কৰি দিলো বা এই বছৰটোত আমাৰ দেশ বা পৃথিৱীত কি কি গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হ’ল, তাকে জানিবলৈ যদি আমি পাৰ কৰি দিয়া বছৰটোৰ স্মৃতিবিলাক খুচৰি চাও, তেন্তে আমি বহু কথাই জনিব পাৰিম । বছৰটোত আমি বহু উত্থান পতনৰ সন্মুখীন হলো । আমি আমাৰ পঢ়ুৱৈসকলক তেওঁলোকে ২০১১ বছৰটোৰ পৰা কি পালে, কি ভাল পালে, কি বেয়া পালে, কেনেধৰণৰ কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হ’ল তাক লিখি আমালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ কৰো ।

এখন দেশ হিচাপে আমি ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে এটা বৰ অস্থিৰ বছৰ পাৰ কৰিলো । আমি এই কথা চিন্তা কৰিবলৈ বাধ্য হলো যে আমি এইবছৰত আগুৱাই গলো নে পিছুৱাই গলো ।

চান্দমামাই এই বছৰটোৰ বাবে প্ৰস্তুত কৰা বেছিসংখ্যক আঁচনিয়েই ৰূপায়ণ কৰিবলৈ সমৰ্থ হ’ল । আমি এই কথা নিশ্চিত কৰিবলৈ সক্ষম হলো যাতে আমাৰ পঢ়ুৱৈসকলে সময়মতে আলোচনীখন পঢ়িবলৈ পায় । আমি একেসময়তে চান্দমামাক ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলত অধিক ৰূপত উপলব্ধ কৰিবলৈ সক্ষম হোৱাৰ লগতে আইফোন আৰু আইপেডটো উপলব্ধ কৰিবলৈ সক্ষম হলো । আমি আমাৰ পঢ়ুৱৈৰ পৰা এই ক্ষেত্ৰত বিপুল সঁহাৰি লাভ কৰিছো আৰু সকলো ধৰণৰ প্লেটফৰ্মতে উপলব্ধ কৰাৰ আঁচনি লৈছো । আমি মোবাইল আৰু ইন্টাৰনেটৰ বাবে ‘মোবিছোড’ আৰু ‘শ্ৰাব্য কাহিনী’ উপলব্ধ কৰি তুলিছো আৰু এই মাহতে ত্ৰিমাত্ৰিক সংস্কৰণো মুকলি কৰিম । আমি আশাকৰো যে আমাৰ পৃষ্টপোষক আৰু পাঠকৰ সহায়ৰে আমি ২০১২ চনত আৰু বেছি সংখ্যক পাঠকৰ কাষ চাপিবলৈ সক্ষম হম ।

আমি ২৫ জানুৱাৰীত খ্ৰীষ্টমাছ পালন কৰো, এই দিনটো যীশুখ্ৰীষ্টৰ জন্মদিন বুলি বিশ্বাস কৰা হয় ।

নতুন বছৰৰ দুৱাৰদলিত ৰৈ আমি সকলোৱে এই প্ৰতিজ্ঞা কৰো আহা যে অহা বছৰত আমি এই বছৰতকৈও অধিক ভাল কাম কৰিম আৰু অনাগত প্ৰতিটো বছৰতেই আমি সাফল্যৰ জখলা বগাই উঠি নিজকে এজন ভাল নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিম ।

– সম্পাদক

পাঠকৰ পত্ৰ

অক্টোবৰ মাহৰ বিক্ৰম-বেতাল কাহিনী চান্দমামাৰ পুৰণা সংখ্যা এটাৰ কাহিনীৰ লগত মিল থকা। আনৰ বাবে বিপত্তিৰ কাৰণ হোৱা এমাৰন্ড নেকলেছে ৰজাৰ বন্ধুৰ ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত ফলাফল প্ৰদান কৰিছিল। এই কাহিনীটোৰ লিখকৰ যুক্তি সংঘাতিক। শংকৰৰ চিত্ৰই এই কাহিনীটোৰ ক্ষেত্ৰত যেন সোণতহে সুৱগা চৰাইছে। শংকৰে অংকন কৰা ৰজা-ৰাণীৰ সেই চিত্ৰবিলাকৰ কথা আমি কেনেকৈ পাহৰিব পাৰো ? আনকি আজিৰ যুগতো তেওঁৰ চিত্ৰই সেই আকৰ্ষণী শক্তি হেৰুওৱা নাই।

–যোগীনাইডু, ভাইজাগ, অন্ধ্ৰপ্ৰদেশ

মই নবেম্বৰ মাহৰ সম্পাদকীয়টো পঢ়ি বৰ ভাল পালো। এই সম্পাদকীয়টোত এজন 'ডেকা মানুহে' জীৱনৰ প্ৰতি সামান্য পৃথক দৃষ্টিভংগী লৈ ইতিহাসৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। নাম উল্লেখ নকৰাকৈ আন্নাৰ কাহিনী সুন্দৰ ভাৱে বৰ্ণনা কৰা হৈছে।

– অৰুণা, গিড্ডালোৰ, অন্ধ্ৰপ্ৰদেশ

মই চান্দমামাৰ এজন ভক্ত। ইয়াত প্ৰকাশিত হোৱা কাহিনীবিলাকে আমাৰ শুদ্ধ মূল্যবোধৰ বিকাশ কৰাত সহায় কৰে। মই চান্দমামাত পুণৰ আকবৰ-বীৰবলৰ কাহিনী প্ৰকাশ কৰিবলৈ অনুৰোধ কৰো।

– সাগৰ, শ্ৰী সৰস্বতী বিদ্যামন্দিৰ স্কুল, গুলবাৰ্গ – ৫৮৫৩১৮

অক্টোবৰ মাহৰ সংখ্যাৰ 'সঁচা ব্ৰতচবাজী', 'তেওঁ সচাকৈয়ে মহান', 'সুখীন ভৰন্ত' আদি কাহিনীকেইটা চান্দমামাৰ কাহিনীৰ প্ৰকাৰৰ দৰে নহয়। এনে ধৰণৰ কাহিনী চান্দমামাৰ ভাও ধৰা আন আন আলোচনীবিলাকে প্ৰকাশ কৰে।

– ডি অম্বেশী, মুক্তামালা, অন্ধ্ৰপ্ৰদেশ

দীপাৱলী উপলক্ষে আন এটা বিশেষ বেটুপাত ছপা কৰাৰ বাবে বহুত ধন্যবাদ। অনুগ্ৰহ কৰি ভৱিষ্যতেও এনে ধৰণৰ বেটুপাত ব্যৱহাৰ কৰি থাকিব।

– মাধৱ ৰাও, নিজমবাদ, অন্ধ্ৰপ্ৰদেশ

চান্দমামাই প্ৰমাণ কৰিলে যে ই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো খ্যাতি লাভ কৰিছে। যেতিয়া মই অক্টোবৰৰ স্মৃতি পঢ়িছিলো, তেতিয়াহে জানিব পাৰিলো যে চান্দমামালৈ অষ্ট্ৰেলিয়াৰ পৰাও চিঠি আহিছে। চান্দমামাৰ প্ৰতিটো কাহিনীতে নতুনত্ব থাকে। আমি কেনেকৈ এখন আলোচনীক আদৰ নকৰাকৈ থাকিব পাৰো যি কাহিনীৰ লগতে কুইজ, ভাৰত দৰ্শনৰ দৰে শিতান প্ৰকাশ কৰে। আমাৰ ঘৰলৈ চান্দমামা অহাৰ পিছত মোৰ ভতিজাকেইটাই খাওতে, শুওতে, সকলো সময়তে চান্দমামাৰ কাহিনী শুনে। তেওঁলোকেই হ'ল চান্দমামাত প্ৰকাশিত প্ৰতিটো কাহিনীৰ উপযুক্ত বিচাৰক। মই চান্দমামাৰ সকলো কৰ্মকৰ্তাক অভিনন্দন জ্ঞাপন কৰিছো।

– পুলিজালা ৰবীন্দৰ ৰাও, হাইদৰাবাদ, অন্ধ্ৰপ্ৰদেশ

আপোনালোকে চান্দমামাৰ পুৰণা বেটুপাতক পুণৰ মুদ্ৰণ কৰি চান্দমামাৰ চহকী অতীতক সকলোৰে

আগত দাঙি ধৰিলে। আচৰিত কথা যে এই মাহৰ কুইজ আছিল অতি সহজ। এই মাহৰ তিনিটা চুটি কাহিনী আছিল অতীব সুন্দৰ। অনুগ্ৰহ কৰি প্ৰতি মাহতে ৩টা পৰা ৫টা চুটি কাহিনী প্ৰকাশ কৰক।

– জি স্বপ্না, ভীমাৱৰম, অন্ধ্ৰপ্ৰদেশ

মই মোৰ শৈশৱ কালৰ পৰাই চান্দমামা পঢ়ি আহিছো। মই নীতিকথা থকা কাহিনী পঢ়ি বেছি ভাল পাও। মই ভাৰত দৰ্শনত 'উত্তৰ কাশীত দুৰ্যোধনক পুজা কৰা হয়' পঢ়িলো। কেৰেলাৰ মালানাদত এটা মন্দিৰ আছে য'ত দুৰ্যোধনৰ প্ৰতিমাক দেৱতা জ্ঞান কৰা হয় আৰু ভক্তসকলে মাছ আৰু সুৰা আহুতি দিয়ে। মই আশা কৰিছো যে চান্দমামা প্ৰতিদিনে বিকশিত হৈ গৈ থাকে।

– জি সুৰেশ বাবু, মাল্লাপুৰম, কেৰেলা

চান্দমামা সচাকৈয়ে এক অতি সুন্দৰ আলোচনী। 'নিজৰ প্ৰতিজ্ঞা ৰখা ৰজাজন', 'সৰু ছোৱালীজনীয়ে এটা শিক্ষা দিলে', 'কাবেৰী নদী' আদিৰ দৰে কাহিনী সকলোৱে ভাল পোৱাটোৱেই স্বাভাৱিক। একেসময়তে, মই কানাড়া সাহিত্যলৈ অষ্টমটো জ্ঞানপীঠ পুৰস্কাৰ কঢ়িয়াই অনাৰ বাবে চন্দ্ৰশেখৰ কাম্বাৰলৈ অভিনন্দন জ্ঞাপন কৰিছো।

– এম পি স্বামী, চামৰাজপেট, বাংগালোৰ

গণেশৰ ছবিৰে সৈতে বেটুপাট অতি আকৰ্ষনীয় হৈছে। পঞ্চতন্ত্ৰ, বীৰবল, জীৱনৰ পাঠ আদি কাহিনীসমূহ পঢ়িবলৈ বৰ ভাল লগা হৈছে। মই যোৱা ৪০ বছৰ ধৰি চান্দমামা পঢ়ি আহিছো।

– আৰ বিজয়কালা, আদৰ্শনগৰ, বাংগালোৰ

মই মোৰ শিশুকালৰ পৰা চান্দমামা পঢ়িবলৈ আৰম্ভ কৰিছিলো। মই আজিৰ তাৰিখতো সমান আগ্ৰহেৰে চান্দমামা পঢ়ি আছো আৰু মই মোৰ এই অভ্যাস চিৰ জীৱনলৈ থাকি যোৱাটো কামনা কৰো। যেতিয়া মই চান্দমামাৰ কাহিনী পঢ়ো , মই আমাৰ দেশৰ ইতিহাস, সংস্কৃতি আদিৰ লগত একাত্ম হোৱা যেন বোধ কৰো। চান্দমামাত যিদৰে ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীসমূহ বৰ্ণনা কৰা হয়, তাৰ তুলনা নাই। মই চান্দমামাই এইদৰে কাহিনী কোৱাৰ পৰম্পৰা চলাই নিয়াটো বিচাৰো, যাতে আমাৰ দেশৰ উত্তৰ প্ৰজন্মই কাহিনীৰ সোৱাদ লোৱাৰ লগতে তাৰ মাজত লুকাই থকা নীতিকথাও উপলব্ধি কৰিব পাৰে।

– ৰোহিত

এম টি ভি আচাৰ্যই অংকণ কৰা দীপাৱলী সংখ্যাৰ বেটুপাত সৰল যদিও অতি সৌন্দৰ্যময়। মই ৭৯ পৃষ্ঠত ছপা কৰা মহালক্ষ্মীৰ ছবিখনক ভালদৰে বন্ধাই গোঁসাই ঘৰত ৰাখি পুজা কৰাৰ সিদ্ধান্ত লৈ পেলাইছো। ভাৰত দৰ্শন শিতানৰ যোগেদি এই কথা জানিব পাৰিছো যে দীপাৱলী সমগ্ৰ ভাৰততে উদযাপন কৰা হয়। আকবৰ আৰু বীৰবলৰ কাহিনী বৰ ৰসাল। সবাতোকৈ সুন্দৰ কথাটো হ'ল যে সকলো কাহিনীতেই একোটা নীতিকথা আছে। উদাহৰণস্বৰূপে, 'মালাম্মাৰ সিদ্ধান্ত' কাহিনীয়ে দেশভক্তিৰ ৰেশ কঢ়িয়াইছে। এই কথাত সুখী হৈছো যে চান্দমামা পুৰণা দিনৰ দৰেই পুৰ্ণিমাৰ জোন হৈ জিলিকি উঠিছে। চান্দমামাৰ লগত জড়িত সকলোলৈকে মই দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছো। অনুগ্ৰহ কৰি ফটোৰ শীৰ্ষক দিয়া শিতান পুণৰ আৰম্ভ কৰক।

– বিজয়লক্ষ্মী, চেন্নাই, তামিলনাডু।

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama! Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex :..............................

Address: ....

....

....

.... City: ....

State:.. Pin:..................................

Telephone:...

Mobile:..

Email:..

Subscription Number (for renewals):...................................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..

Cheque/DD No ....

favouring Chandamama India Ltd on......................................

....bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 240	Rs. 375
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 190	Rs. 300
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		Rs. 35	Rs. 80	Rs. 145	Rs. 225

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – ১

মই তেতিয়া কেৱল ছবছৰীয়া আছিলো । এদিন মোৰ ককাদেউতাই মোক ধুনীয়া বেটুপাট আৰু ছবি থকা আলোচনী এখন দি কলে, ‘‘এয়া লোৱা, এখন সুন্দৰ শিশু-আলোচনী ।’’ মই তেতিয়া বুজিব পৰা হোৱাই নাছিলো যে সেয়া আছিল চান্দমামাৰ প্ৰথমটো সংখ্যা ।

মোৰ খুৰীদেউৱে তেতিয়া কেৱল মাত্ৰ বৰ্ণমালা কেইটাহে জানিছিল আৰু তাৰে সহায়ত চুটি চুটি বাক্য জোটাই জোটাই পঢ়িব পাৰিছিল । তেওঁ চান্দমামাৰ কাহিনী মোক তেনেকৈয়ে পঢ়ি শুনাইছিল । মই তেওঁক কাহিনীবিলাক বাৰে বাৰে পঢ়ি শুনাবৰ বাবে অনুৰোধ কৰিছিলো । তাৰপিছত আমি প্ৰতিমাহতে চান্দমামা ঘৰত লাভ কৰা আৰম্ভ হ'ল । সময় বাগৰাৰ লগে লগে মই পঢ়া-শুনা কৰিবলৈ শিকিলো । তেতিয়াৰে পৰাই মই চান্দমামাৰ প্ৰতিটো সংখ্যা পঢ়ি আহিছো । তেতিয়াৰ বহু কাহিনী মোৰ এতিয়াও ভালকৈ মনত আছে । বিশেষকৈ মোৰ মনত আছে অবসৰল ৰামকৃষ্ণ ৰেড্ডীৰ ‘চুটি ঘৰচিৰিকা’ আৰু ভানুমতী ৰামকৃষ্ণৰ ‘ভুতৰ চিঞৰ’ কাহিনী কেইটা । তাৰপিছত কেতিয়াবা মোৰ সন্তান দুটাই চান্দমামা পঢ়ি শুনাবলৈ কলে মোৰ নিজৰ শিশুকালৰ কথা মনত পৰি যায় ।

Name: J. Narayana Murthy
Occupation: C.G.M
IDBI Bank.Rtd, Hyderabad.

১৯৮২ চনৰ পৰা ১৯৮৮ চনলৈকে মই চাকৰীসূত্ৰে চেন্নাইত আছিলো । তেতিয়া মই দাসৰি সুব্ৰমণ্যম গুৰুৰ লগত চিনাকি হোৱাৰ সুযোগ পালো । তেওঁ চান্দমামাৰ পৃষ্ঠপটৰ পৰা কাম কৰি চান্দমামাক নানা ধৰণে সজাই তুলিছিল । এবাৰ মই যেতিয়া তেওঁক চান্দমামাৰ কাৰ্যালয়ত লগ পালো, তেওঁ মোক চান্দমামাৰ অতি পুৰণা সংখ্যা এটা উপহাৰ হিচাপে দিলে । সেই সংখ্যাটো মই এতিয়াও সযতনে সাঁচি ৰাখিছো ।

চান্দমামাৰ পৰা মই আন এক প্ৰকাৰেৰে উপকৃত হলো আৰু সি মোৰ জীৱনক এক নতুন দিক প্ৰদৰ্শন কৰিলে । চান্দমামাই মোৰ মাজত কেৱল এজন পঢ়ুৱৈ সৃষ্টি কৰাই নহয়, এজন লিখকৰো জন্ম দিলে । ৮০ টৰো অধিক মই লিখা গল্প প্ৰকাশিত হৈছে যিবিলাক মই ‘জোন্নালগাডা ৰত্ন’ আৰু ‘কমলিনী’ ছদ্মনামলৈ ৰচনা কৰা । এই কৃতিত্বক লৈ মই গৌৰৱ অনুভৱ কৰো ।

ড. ৰাজাগোপাল ৰাওৱে তেওঁৰ পত্নী শ্ৰীমতী জে ৰাম লক্ষ্মীৰ লগত ‘বসুন্ধৰা’ ছদ্মনাম লৈ যোৱা ছল্লিছ বছৰে চান্দমামাৰ বাবে কাহিনী ৰচনা কৰি আহিছে । তেওঁ হ'ল মোৰ ভাই । মোৰ আন দুজন ভাই ড. মাৰ্কাণ্ডেয়লু আৰু ৰামবাবুৱেও চান্দমামাৰ বাবে কাহিনী ৰচনা কৰে । সেইবাবেই দাসৰি সুব্ৰমণ্যম গুৰুৱে কেতিয়াবা ধেমালিতে আমাক ‘চান্দমামা পৰিয়াল’ বুলি অভিহিত কৰিছিল । চান্দমামাৰ লগত আমাৰ সম্পৰ্কৰ বিষয়ে তেওঁ এনেদৰে কোৱাৰ পিছত আৰু মোৰ কবলৈ একোৱেই নাথাকে ।

লোককথা, হাস্যৰস আৰু নীতিশিক্ষামূলক কাহিনীৰে চান্দমামাই শিশুৰ মনত এক চিৰযুগমীয়া সাঁচ বহুৱায়। আনকি প্ৰাপ্তবয়স্কসকলেও চান্দমামাত শিকিবলগীয়া বহু কথাই বিচাৰি পায়। এই কাৰণৰ বাবেই চান্দমামা হ'ল সকলো বয়সৰ লোকৰ বাবেই এখন প্ৰিয় আলোচনী।

অলপতে, দাসৰি সুব্ৰমণ্যম গুৰু সোঁৱৰণী অনুষ্ঠানত বক্তাই উল্লেখ কৰিছিল যে চান্দমামা হ'ল আমাৰ এক ৰাষ্ট্ৰীয় সম্পদ আৰু মই এই কথাৰ লগত সম্পূৰ্ণৰূপে একমত। চান্দমামাক একেধৰণেৰে আগবঢ়াই লৈ যোৱাতো আমাৰ সকলোৰে কৰ্তব্য।

মোৰ স্মৃতি – ২

মোৰ পৰিয়ালৰ আন সদস্যৰ দৰেই, মই মোৰ বাইদেউহতৰ লগত চান্দমামাৰ ৰসাল কাহিনী পঢ়ি পঢ়িয়েই ডাঙৰ হৈছিলো।

আমাৰ জন্মৰ আগতেই চান্দমামাই আমাৰ পৰিয়ালত প্ৰৱেশ কৰিছিল। প্ৰতিবছৰৰ চান্দমামাৰ সংখ্যাবিলাক একেলগ কৰি মোৰ মা-দেউতা আৰু বাইদেউহতে বন্ধাই পেলাইছিল আৰু সযত্নে সংৰক্ষণ কৰি ৰাখিছিল। সেইবিলাক এতিয়াও সুন্দৰভাৱে সংৰক্ষিত হৈ আছে। মোৰ ডাঙৰ বাইদেউ সীমাদিদি আছিল চান্দমামাৰ পৰম ভক্ত। যেতিয়া আমি স্কুলত পঢ়ি আছিলো, তেতিয়া বন্ধৰ দিনত তেওঁ চান্দমামাৰ সকলো পুৰণা সংখ্যা উলিয়াই লৈ পুণৰ পঢ়িছিল।



Name: Sandeep H. Dave
Occupation: Junior Forensic Clerk, Junagadh.

চান্দমামাৰ কাহিনী, ছবি আৰু ৰেখাংকনসমূহ আমি বৰ ভাল পাইছিলো। আমাৰ শিশুকালত, আমি বহুতো শিশু আলোচনীৰ জুতি লৈছিলো যদিও চান্দমামাৰ কাহিনীৰ লগত সেইবিলাকৰ তুলনাই কৰিব নোৱাৰি। চান্দমামাৰ কাহিনীবিলাকৰ মাজত লুকাই থাকে নীতিশিক্ষা, সামাজিক সমস্যাৰ প্ৰতিফলন ইত্যাদি।

এতিয়াও বন্ধৰ দিনত যেতিয়া মোৰ ভতিজা-ভতিজী, ভাগিন-ভাগিনী চি কৃৰ্তিকা, চি অভি আৰু চি দৃষ্টিজুনাগৰলৈ আহে, তেওঁলোকে চান্দমামাৰ পুৰণা সংখ্যাবিলাক উলিয়াই লৈ পঢ়ে। আমি ককাই-ভনীসকলেও তেওঁলোকৰ লগত অংশ লৈ আমাৰ পুৰণি স্মৃতি ৰোমন্থন কৰো।

Request to readers: Contributors of stories, memories are requested to send in their entries with their complete name, address, phone no and other contact details to enable us to get back to you.
Write to us:
Chandamama India Ltd., No:2 Ground Floor,
Swathi Enclave, Amman koil street, Vadapalani, Chennai-600026.
• Phone: 044-43992828 • Email : online@chandamama.com

বেতাল কথা

অমৃতা বৰ্ষীনীৰ সিদ্ধান্ত

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, "হে ৰাজন, যেতিয়া কাৰোবাক কোনো বিপদজনক অৱস্থাৰ পৰা উদ্ধাৰ কৰা হয়, উদ্ধাৰকাৰীজনক যথোপযুক্তভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱা সকলোৰে কৰ্তব্য। অৱন্তীপুৰ ৰাজ্যৰ ৰাজকুমাৰী অমৃতা বৰ্ষীনীয়ে তাৰ বীপৰীতটোহে কৰিলে। তেওঁ কৃতজ্ঞতা প্ৰকাশ কৰক চাৰি নিজৰ লক্ষ্যৰ প্ৰতিহে বেছি গুৰুত্ব প্ৰদৰ্শন কৰিলে। মই তোমাক সেই কাহিনীটো কও। তাক শুনি তুমি তোমাৰ কষ্টৰ ভাৰ পাতলাই তোলা।"

এইবুলি কৈ বেতালে কাহিনীটো বৰ্ণনা কৰিবলৈ ধৰিলে-



এসময়ত অৱন্তী ৰাজ্যত প্ৰদীপ নামৰ এজন সৰল আৰু সাহসী ডেকাই বাস কৰিছিল। তেওঁ জিনকালামিট্ৰি নামৰ এখন গাৱঁত বাস কৰিছিল। তেওঁ ঘোঁৰা চালনাত অতি নিপুণ আছিল। তেওঁৰ ককাদেউতাক আছিল অৱন্তীপুৰৰ সেনাধিপতি। প্ৰদীপেও তেওঁৰ দৰেই এজন বিখ্যাত যোদ্ধা হোৱাৰ লক্ষ্য স্থিৰ কৰি লৈছিল।

তেনেসময়তে, অৱন্তী ৰাজ্যৰ ৰাজকুমাৰী শোৱা কোঠাৰ পৰাই হঠাৎ নিৰুদ্দেশ হ'ল। ৰজাই ৰাজজ্যোতিষীক মতাই আনিলে। ৰাজকুমাৰী ক'ত আছে তাক গণনা কৰি উলিয়াবৰ বাবে ৰজাই ৰাজজ্যোতিষীক আদেশ কৰিলে। সেই জ্যোতিষীৰ হাতত এক বিশেষ মলম আছিল। তেওঁ সেই মলম চকুৰ পতাৰ ওপৰত ঘঁহি দি নিৰুদ্দিষ্টব্যক্তিৰ সন্ধান উলিয়াব পাৰিছিল। সেই মলমৰ প্ৰয়োগ কৰি ৰাজজ্যোতিষীয়ে জানিব পাৰিলে যে ৰাজকুমাৰীক এটা দুষ্ট যাদুকৰে অপহৰণ কৰিছে আৰু দক্ষিণ দিশৰ সাগৰৰ মাজত মকৰদ্বীপত বন্দী কৰি থৈছে।

ৰজাই ৰাজকুমাৰীক উদ্ধাৰ কৰি আনিব পৰা জনলৈ নানা পুৰস্কাৰ ঘোষণা কৰিলে। এই কাৰ্যৰ বাবে আগুৱাই আহিল প্ৰদীপ। তেওঁ প্ৰয়োজনীয় সকলো অস্ত্ৰ-শস্ত্ৰ লগত লৈ সকলোতকৈ উৎকৃষ্ট ঘোঁৰাটোত উঠি দক্ষিণ দিশৰ সাগৰৰ ফালে যাত্ৰা কৰিলে। নানা বিপদ-বিঘিনি অতিক্ৰমী অৱশেষত তেওঁ নিজে নিৰ্মাণ কৰি উলিওৱা এখন নাৱেৰে মকৰদ্বীপত উপস্থিত হ'ল।

তেওঁ তাত এখন অতি সুন্দৰ বাগিছা দেখা পালে। তেওঁ মনতে ভাৱিলে, 'কোনো লোকৰে বসতি নথকা এই ঠাইত থকা বাগিছাৰ নিশ্চয় কিবা ৰহস্য আছে। এনে হব পাৰে যে সেই দুষ্ট যাদুকৰে ৰাজকুমাৰীক এই বাগিছাতেই লুকুৱাই থৈছে।' তাৰ পিছত তেওঁ বাগিছাত প্ৰৱেশ কৰিলে।

সেই বাগিছা নানা ৰং বিৰঙৰ ফুল, পাতবাহাৰ গছ, সুস্বাদু ফলৰ গছ আদিৰে ভৰি আছিল। গছৰ ডালত বহি কুলিয়ে গীত গাই আছিল আৰু গছৰ তলত হৰিণা পহুৱে জপিয়াই জপিয়াই ইফালে সিফালে ঘূৰি ফুৰিছিল। সেই বাগিছা আছিল এক সপোনপুৰীৰ দৰে। তেওঁ সেই বাগিছাৰ মাজত ঘূৰি ফুৰোতে এই সুদৃশ্য অট্টালিকা দেখা পালে। ভালকৈ লক্ষ্য কৰি তেওঁ দেখা পালে যে সেই অট্টালিকাৰ ওপৰ মহলৰ বাৰান্দাত এগৰাকী সুন্দৰী যুৱতী থিয় হৈ আছে।

তেওঁ প্ৰদীপক দেখি খৰধৰকৈ নামি আহিল কিন্তু কিবা কোৱাৰ আগতেই থমকি ৰ'ল।

"তুমি অমৃতা বৰ্ষীনী নোহোৱানে?" প্ৰদীপে সুধিলে। কিন্তু সেই যুৱতী গৰাকী মৌন হৈ ৰ'ল।

"তুমি আৰু ভয় কৰি থকাৰ কোনো প্ৰয়োজন নাই। মই তোমাক ইয়াৰ পৰা উদ্ধাৰ কৰি লৈ যাবলৈ সামৰ্থবান। অনুগ্ৰহ কৰি মোৰ লগত আহা।" প্ৰদীপে কলে। কিন্তু তাই তাৰ পৰা লৰচৰেই নকৰিলে।

"অহ, তুমি তাৰমানে অমৃতা বৰ্ষীনী নোহোৱা। তাই নিশ্চয় আন ঠাইত আছে। মই তাইক আন ঠাইত বিচাৰি যোৱাটোৱেই উচিত হব।" প্ৰদীপে এইবুলি কৈ তাৰ পৰা প্ৰস্থান কৰিবলৈ সাজু হ'ল। তেনে সময়তে যুৱতীগৰাকীয়ে কলে, "অনুগ্ৰহ কৰি ৰবা। ময়েই অমৃতা বৰ্ষীনী।" তাই এইকথা উচ্চাৰণ কৰাৰ লগে লগেই প্ৰদীপ এটা ময়ুৰ চৰাইত পৰিণত হ'ল। প্ৰদীপে নিজকে এটা ময়ুৰ চৰাইত পৰিণত হোৱা দেখি অবাক হ'ল।

অমৃতা বৰ্ষীনীয়ে তেতিয়া তাক কলে, "মোক ক্ষমা কৰা। সেই দুষ্ট যাদুকৰে এনে এক যাদু কৰি থৈছে যে মই যাকেই কথা কম, তেওঁ মানৱ ৰূপ হেৰুৱাই পেলাব। এনে কৰি তেওঁ মোক উদ্ধাৰ কৰাৰ পথ বন্ধ কৰিব খুজিছে। মই এনে হব পাৰে বুলিয়েই একো নোকোৱাকৈ মৌন হৈ আছিলো। মোৰ বেয়া ভাগ্যই এতিয়াও মোৰ সংগ এৰা নাই। কোনে আৰু কিয় মোক বন্দী কৰি ৰাখিছে সেইকথা মই তোমাক বিৱৰি কম।" এইবুলি তাই কবলৈ ধৰিলে-

প্ৰহৰ্ষন আছিল ৰাজমালীৰ পুত্ৰ। তেওঁ ৰাজকুমাৰীৰ সৌন্দৰ্যৰ কথা শুনি এবাৰ দৰ্শন কৰিব বিচাৰিলে। তেওঁ দেউতাকৰ লগত





ৰাজপ্ৰসাদৰ বাগিছালৈ আহিছিল আৰু এনেদৰে কাম কৰিছিল যেন তেওঁ বাগিছাৰ কাম কৰিবৰ ভাল পায়। এদিন তেওঁ বাগিছাৰ পৰা যোৱা যেন দেখুৱাই এটা জোপোহাৰ পিছফালে লুকাই থাকিল। তেওঁৰ দেউতাকে এইবিষয়ে একো ভু নাপালে।

সি বাগিছালৈ ফুৰিবলৈ অহা ৰাজকুমাৰী আৰু তেওঁৰ বান্ধৱীসকলক দেখিলে। সি ৰাজকুমাৰীৰ সৌন্দৰ্যত মুগ্ধ হ'ল। এদিনাখন ৰাজকুমাৰীয়ে চকু বন্ধা খেলত বান্ধৱীসকলক ধৰিবলৈ চেষ্টা কৰি আছিল। তেওঁ প্ৰহৰ্ষনকে নিজৰ বান্ধৱী বুলি ভাৱি ধৰি পেলালে। তাৰপিছত চকুৰ পৰা কাপোৰ আঁতৰাই বান্ধৱীৰ পৰিৱৰ্তে তাক দেখি আঁচৰিত হ'ল।

"হে ৰাজকুমাৰী, তোমাৰ সৌন্দৰ্যই মোক পগলা কৰি তুলিছে। মই তোমাৰ প্ৰেমত নিমগ্ন হৈছো। অনুগ্ৰহ কৰি মোৰ প্ৰেমত সঁহাৰি দি মোৰ জীৱনক ধন্য কৰি তোলা। গোটেই জীৱন জুৰি মই তোমাক সেৱা কৰি যাম।" ৰাজকুমাৰীৰ হাতত ধৰি সি কলে।

ৰাজকুমাৰীয়ে জোৰ কৰি তাৰ হাতৰ পৰা নিজৰ হাত আঁতৰাই আনিলে আৰু খঙত তাৰ গালত এচৰ সোধালে। তাৰপিছত বান্ধৱীসকলক লৈ বাগিছাৰ পৰা ৰাজপ্ৰসাদলৈ গুচি গ'ল।

ৰজাই যেতিয়া এই বিষয়ে জানিব পাৰিলে, তেতিয়া তেওঁ প্ৰহৰ্ষনক বন্দী কৰি মৃত্যুদণ্ডৰ আদেশ দিলে। মৃত্যুদণ্ড বিহাৰ পিছত তাৰ মৰাশ চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৱে খাবলৈ অৰণ্যৰ মাজত এৰি থৈ আহিবলৈ হুকুম দিলে। ৰজাৰ সৈন্যাই আদেশ অনুসৰি প্ৰহৰ্ষনক বন্দী কৰি অৰণ্যলৈ লৈ গ'ল আৰু তাৰ শিৰচ্ছেদ কৰিলে।

এই ঘটনাৰ পিছত ৰজাই উপলব্ধি কৰিলে যে ৰাজকুঁৱৰীৰ বিয়াৰ বয়স হৈছে। ৰজাই বহু বিচাৰ খোচাৰ কৰাৰ পিছত কুশলৰ ৰাজকুমাৰ আনন্দ বৰ্ধনৰ লগত ৰাজকুমাৰীৰ বিবাহৰ সিদ্ধান্ত ললে।

ইফালে প্ৰহৰ্ষন মৃত্যুদণ্ড দিয়াৰ পিছতে সেই অৰণ্যখনৰ কাষেদি কুশধৰ্ম নামৰ এজন যাদুকৰে হিমালয়লৈ যাত্ৰা কৰিছিল। অৰণ্যৰ মাজত তেওঁ প্ৰহৰ্ষনৰ শিৰহীন মৃতদেহ দেখা পালে। তেওঁ যাদুকৰী শক্তি প্ৰয়োগ কৰি সমগ্ৰ কাহিনী গম পালে। তেওঁ প্ৰহৰ্ষনক পুণৰ জীৱন প্ৰদান কৰিলে আৰু ভাৱিলে যে কেৱল ৰাজকুমাৰীৰ প্ৰেমত পৰাৰ বাবেই শিৰচ্ছেদ কৰাটো উচিত হোৱা নাই। যাদুকৰে উপলব্ধি কৰিলে যে পুণৰ জীৱন লাভ কৰাৰ পিছতো প্ৰহৰ্ষনৰ জীৱন অৱন্তী ৰাজ্যৰ

ৰজাৰ পৰা নিৰাপদ নহয়। গতিকে, আত্মৰক্ষাৰ বাবে তেওঁ প্ৰহৰ্ষনক কেইটামান মন্ত্ৰৰ শিক্ষা প্ৰদান কৰিলে।

''ডেকা ল'ৰা, তুমি যদি এই যাদুকৰী মন্ত্ৰকেইটা ভাল কামৰ বাবে প্ৰয়োগ কৰা, তেন্তে তুমি এজন মহান লোকত পৰিণত হবা। যদি তুমি বেয়া উদ্দেশ্য লৈ এইবিলাকৰ প্ৰয়োগ কৰা, তেন্তে তুমি জীৱনৰ সকলোতকৈ বেয়া অৱস্থা দেখিবলৈ পাবা। সৎ কৰ্মই হ'ল তুমি ভাল পোৱা যুৱতীগৰাকীৰ হৃদয় জয় কৰাৰ সকলোতকৈ গ্ৰহণযোগ্য পথ।'' প্ৰহৰ্ষনক এইদৰে উপদেশ প্ৰদান কৰি কুশধৰ্মই সেই ঠাইৰ পৰা প্ৰস্থান কৰিলে।



যাদুকৰী মন্ত্ৰ লাভ কৰি প্ৰহৰ্ষন উদ্ধত হৈ উঠিল। তেওঁ কুশধৰ্মই দিয়া উপদেশ পাহৰি যিকোনো উপায়ে ৰাজকুমাৰীক বিয়া কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

জনপ্ৰাণীহীন মকৰদ্বীপত তেওঁ এখন অতি সুন্দৰ বাগিছা নিৰ্মাণ কৰিলে। তাৰপিছত তেওঁ ৰাজকুমাৰী অমৃতা বৰ্ষীনীক শোৱা পাটিৰ পৰা অপহৰণ কৰি নি তাত ৰাখিলে। তেওঁ ৰাজকুমাৰীক সকলো সুবিধা প্ৰদান কৰি সুখত ৰাখিলে।

প্ৰহৰ্ষনে নানা ধৰণে অনুৰোধ কৰাৰ পিছতো ৰাজকুমাৰীয়ে তেওঁক বিয়া কৰাবৰ বাবে সন্মতি নিদিলে। সি শেষত ধৈৰ্য হেৰুৱাই পেলালে আৰু জোৰ কৰি ৰাজকুমাৰীক বিয়া কৰাবলৈ সিদ্ধান্ত ললে। তেওঁ কুশধৰ্মৰ উপদেশ পাহৰি গ'ল। তেওঁ ৰাজকুমাৰীক সাৱধান বাণী শুনাই কলে যে তেওঁ এমাহৰ পিছত উভতি আহিব। তেতিয়ালৈকে যদি ৰাজকুমাৰীয়ে তেওঁক বিবাহ কৰিবলৈ মান্তি হয়, তেন্তে ভালেই, নহলে শক্তি প্ৰয়োগ কৰি তেওঁ নিজ আভিলাস পুৰণ কৰিব। ৰাজকুমাৰীয়ে বিবাহত সন্মতি নিদিয়াৰ বাবে সেই জন-প্ৰাণীহীন দ্বীপত অকলে ৰাখি তেওঁ ৰাজকুমাৰীক শাস্তি দিব বিচাৰিলে। যদি ৰাজকুমাৰী সেই বাগিছা এৰি পলাই যাব বিচাৰে তেন্তে তেওঁ লগে লগে ছাইত পৰিণত হব আৰু কাৰোবাৰ লগত কথা পাতিলে আনজন ব্যক্তি এটা ময়ুৰ চৰাইত পৰিণত হব।

প্ৰদীপে এই কাহিনীটো ৰাজকুমাৰীৰ পৰা শুনিলে। তেওঁ এটা চৰাইত পৰিণত হোৱাতো উৎসাহ নেহেৰুৱালে।

অমৃতা বৰ্ষীনী সেই ময়ুৰ চৰাইটোৰ কাষে কাষে থাকিল। তাই নানা কথা পাতিলে- তাইৰ পিতৃ-মাতৃ আৰু বান্ধৱীসকল কেনে আছে তাৰ খবৰ ললে। এইদৰে নানা কথা পাতি তাই হাঁহি

ধেমালি কৰিলে। ময়ুৰটোৱে ৰাজকুমাৰীৰ মনোৰঞ্জনৰ বাবে গীত গাই গাই নাচিলে। লাহে লাহে দুয়োজনেই ভাল বন্ধুত পৰিণত হ'ল।

প্ৰহৰ্ষন উভতি অহাৰ সময় হৈ অহাৰ লগে লগে ৰাজকুমাৰীয়ে ভয় খাবলৈ আৰম্ভ কৰিলে। ময়ুৰটোৱে তাকে দেখি ৰাজকুমাৰীক অভয় দি কলে, ''ভয় নকৰিবা, মই সেই দুষ্ট যাদুকৰক বধ কৰি তোমাক মুক্ত কৰিম।''

ঠিক এমাহৰ পিছত প্ৰহৰ্ষন উভতি আহিল। তেওঁ সকলো চৰাই-চিৰিকতি, জীৱ-জন্তুকে বাগিছাত নিজৰ সন্মুখত একগোট কৰিলে। তাৰপিছত মন্ত্ৰৰ বলেৰে সেই সকলোবিলাকক বিবাহ কাৰ্য সমাধা কৰিবৰ বাবে নানা ধৰণৰ লোকলৈ পৰিৱৰ্তন কৰিলে। কিছুমান হৈ পৰিল পুৰোহিত, কিছুমান হ'ল কণ্যাৰ সখীয়েক, আন কিছুমান হ'ল বিবাহত উপস্থিত থকা লোক ইত্যাদি।

তাৰপিছত সি ময়ুৰৰ ৰূপত থকা প্ৰদীপক দেখি তাৰ আগমনৰ কাৰণ বুজি পালে। যেতিয়া সি গম পালে যে প্ৰদীপে ময়ুৰৰ ৰূপেৰে ৰাজকুমাৰীৰ নানা মনোৰঞ্জন কৰিলে, তেতিয়া খণ্ডতে তাক এটা ঈগল চৰাইলৈ পৰিৱৰ্তন কৰিলে যাতে সি বাকী জীৱন এন্দুৰ আৰু সাপ ভক্ষণ কৰি জীৱন কটাবলগীয়া হয়।

পূৰ্ণিমাৰ ৰাতি বিবাহৰ বাবে যা-যোগাৰ চলি আছিল। সখীয়েকসকলে অমৃতা বৰ্ষিনীক সজাই পৰাই বিবাহৰ স্থানলৈ লৈ আহিল।

বিবাহৰ মূহুৰ্ত লাহে লাহে ওচৰ চাপি আহিল। ঈগলৰ ৰূপত থকা প্ৰদীপে কি কৰা উচিত হব সেই কথা চিন্তা কৰি আকাশত উৰি আছিল। সি দেখিলে যে তেনে সময়তে বাগিছাৰ এটা কোণত থকা গাতৰ পৰা এটা বিষাক্ত সাপ বাহিৰলৈ ওলাই আহিছে। সি লগে লগে ছোঁ মাৰি নামি আহিল আৰু ঠেঙেৰে সাপটোক ডাঙি লৈ প্ৰহৰ্ষনৰ ডিঙিত মালাৰ দৰে পিন্ধাই দিলে। বিষাক্ত সৰ্পই প্ৰহৰ্ষনক দংশন কৰিলে আৰু লগে লগে তেওঁ মৃত্যুমুখত পৰিল।

প্ৰহৰ্ষনৰ মৃত্যুৰ লগে লগে তেওঁৰ সকলো যাদুকৰী শক্তি নোহোৱা হ'ল। সেই ঠাইখিনিও আগৰ দৰে হৈ পৰিল। অমৃতা বৰ্ষিনীক লগত লৈ প্ৰদীপ অৱন্তী ৰাজ্যলৈ উভতি আহিল। অৱন্তী ৰাজ্যৰ ৰজাই জীয়েকক অক্ষত অৱস্থাত ঘূৰাই পাই বৰ সুখী হ'ল আৰু ৰাজকুমাৰীক উদ্ধাৰ কৰি অনাৰ বাবে প্ৰদীপৰ সাহসৰ শলাগ ললে।

তাৰপিছত ৰজাই ৰাজকুমাৰীক কলে, ''তুমি প্ৰদীপৰ লগত বন্ধুত্ব কৰিলা। যদি তেওঁৰ প্ৰতি তোমাৰ মনত প্ৰেম ভাৱৰ উদয় হৈছে, তেন্তে

কোৱা। মই দুয়োটাৰে বিয়া পাতি দিবলৈ ৰাজী আছো।''

''মই হলো ৰাজকুমাৰী আৰু প্ৰদীপ হ'ল এজন সাধাৰণ পৰিয়ালৰ যুৱক। তেওঁ মোৰ বাবে এজন ভাল দৰা নহয়। মই তেওঁৰ প্ৰেমতো পৰা নাই। অনুগ্ৰহ কৰি আপুনি ভবাৰ দৰে কুশল ৰাজ্যৰ ৰাজকুমাৰ আনন্দ বৰ্ধনৰ লগত মোৰ বিয়াৰ যো-জা কৰক। আমাৰ সেনাবাহিনীৰ এটা উচ্চ পদত প্ৰদীপক নিযুক্ত কৰক।'' ৰাজকুমাৰী অমৃতা বৰ্ষীনীয়ে কলে। ৰজাই ৰাজকুমাৰীৰ এই সিদ্ধান্তৰ প্ৰশংসা কৰিলে আৰু সেইমতে যা-যোগাৰ আৰম্ভ কৰিলে।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ''হে মহাৰাজ, ৰাজকুমাৰী অমৃতা বৰ্ষীনীৰ সিদ্ধান্ত স্বাৰ্থপৰ নহয়নে? কোনো সন্দেহ নাই যে নিজৰ উদ্ধাৰকৰ্তাৰ প্ৰতি কৃতজ্ঞ নোহোৱাৰ বাবে তেওঁক সকলোৱে মনত ৰাখিব। নানান বিপদ-বিঘিনিৰ সন্মুখীন হৈ তেওঁক উদ্ধাৰ কৰি অনা প্ৰদীপৰ লগত তেওঁ ভাল সম্পৰ্ক সৃষ্টি হোৱা স্বত্বেও অচিনাকি আনন্দ বৰ্ধনৰ লগত বিবাহত মনত দিয়াৰ কাৰণ কি হব পাৰে? যদি তুমি মোৰ প্ৰশ্নৰ উত্তৰ জনা স্বত্বেও নিদিয়া, তেন্তে তোমাৰ শিৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে উত্তৰ দিলে, ''সমপৰ্যায়ৰ লোকৰ মাজতহে সাধাৰণতে সম্বন্ধ টিকি থাকে। যুৱক-যুৱতীৰ মনত সৃষ্টি হোৱা ভালপোৱা আচলতে সাময়িকহে। সময় পাৰ হৈ যোৱাৰ লগে লগে আকৰ্ষণ কমি যায় আৰু ভালপোৱা শেষ হৈ পৰে। সেইবাবেই ৰাজকুমাৰীয়ে তেনে ভাৱক গুৰুত্ব নিদিলে। পৰিৱৰ্তে দেউতাকৰ সিদ্ধান্ত মানি ললে। কিয়নো তেওঁ বুজিব পাৰিছিল দেউতাকেও তেওঁৰ বহু বছৰৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তাই সুন্দৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে এনে সিদ্ধান্ত লৈছে। গতিকে তাই সেই সিদ্ধান্ত মানি লৈ এক সুন্দৰ ভৱিষ্যতৰ পথ মুকলি কৰিলে।''

এইদৰে ৰজা বিক্ৰমে মৌনতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ যুক্তিসংগত উত্তৰ দিয়াৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ পুণৰ আগৰ দৰে গছজোপাৰ ডালত ওলমি থাকিলগৈ।

– জি সুব্ৰমন্যাম গৌড়



ভাগ-বতৰা

উজ্জয়নী নগৰৰ কাষত এজন চৌধুৰীয়ে বাস কৰিছিল। সেই চৌধুৰী ওচৰ-পাজৰৰ নখন গাৱঁৰ পঞ্চায়তৰ মুৰব্বী আৰু মুখিয়াল আছিল। তেওঁ বেছ ধনী আছিল। তেওঁৰ চাৰিটা পুত্ৰ আছিল। তাৰে ডাঙৰটো আছিল মুখিয়াল। দ্বিতীয়টো আছিল গৰু-গাইৰ পালোতা আৰু তৃতীয়টোৱে খেতি-বাতিৰ কাম-কাজ কৰিছিল। চতুৰ্থ পুত্ৰৰ পঢ়া-শুনা, ধৰ্ম আদি কামত বেছি ৰাপ আছিল ।

লাহে লাহে চৌধুৰী বৃদ্ধ হৈ আহিল। তেওঁ বিচনা ললে। গোটেইকেইটা পুত্ৰকে ওচৰলৈ মাতি তেওঁ কলে, ‘‘এতিয়ালৈকে আমি আনৰ বিবাদৰ বিচাৰ কৰি আহিছো। কিন্তু আমি এতিয়ালৈকে নিজৰ বিবাদ আনৰ ওচৰলৈ কেতিয়াও লৈ যোৱা নাই। মোৰ দিন ওচৰ চাপি আহিছে। তোমালোকে মোৰ বিচনাৰ ওচৰত য'তেই ইচ্ছা কৰা তাতেই থিয় হোৱা। যেতিয়া মোৰ মৃত্যু হব, তেতিয়া তোমালোকে য'ত থিয় হৈছিলা, ঠিক তাতেই খান্দি চাবা। কিন্তু নিজৰ মাজত কেতিয়াও কাজিয়া নকৰিবা।’’

কথামতেই চাৰিওটা পুত্ৰ চাৰি ঠাইত থিয় হ'ল।

‘‘মই তোমালোকৰ বাবে আৰু কিবা কৰাটো তোমালোকে বিচাৰা নেকি?’’ চৌধুৰীয়ে সুধিলে। কোনো এটা পুত্ৰই মাত নামাতিলে। ‘‘নাৰায়ণ, নাৰায়ণ’’ এই বুলি নাৰায়ণৰ নাম লৈ বৃদ্ধ চৌধুৰীয়ে ইহলীলা সম্বৰণ কৰিলে।

পিতাকৰ শেষকৃত্য সুকলমে সমাধা কৰাৰ পিছত চাৰিওটা পুত্ৰই চাৰিখন চিপৰাং লৈ নিজে ঠিক কৰি থোৱা ঠাইত খান্দিবলৈ ধৰিলে। যি ঠাইত ডাঙৰটো পুত্ৰই খান্দিলে, তাত কেৱল তুহগুৰি ওলাল। দ্বিতীয়টো পুত্ৰই খান্দি কেৱল

এম বীৰ ৰাঘভাইয়া

গোবৰ পালে। তৃতীয়টো পুত্ৰই খন্দা ঠাইত কেৱল মাটিহে পালে। কিন্তু চতুৰ্থটো পুত্ৰই খান্দি বহু সোণ-ৰূপ পালে। এই ঘটনা দেখি বাকী তিনিওটা ভাইৰ বৰ খং উঠিল।

"দেখিলা, কাম নাইকীয়া সৰু ভাইৰ পক্ষপাত কৰি দেউতাই তাক সোণ-ৰূপ দি থৈ গ'ল আৰু আমাক কেৱল তুহ, গোবৰ আৰু মাটিহে দিবলৈ পালে।" ডাঙৰটো পুত্ৰই কলে।

"আমি সকলোৱে নিজে ঠাই বাচি বাচি থিয় হৈছিলো। তোমালোক সকলো থিয় হোৱাৰ পিছতহে মই এডোখৰ ঠাই বাচি লৈ থিয় হৈছিলো। মোৰ ইয়াত কোনো ভুল নাই। মোৰ ভাগ্য এয়া যে মই সোণ-ৰূপ লাভ কৰিছো।" সৰু ভায়েকে কলে।

"নহয়, এনে কথা হব নোৱাৰে। এই কথা আমি আদালতত নিষ্পত্তি কৰিব লাগিব।" তিনিও ডাঙৰ ভায়ে কলে।

তেওঁলোকে পিতাকে কোৱা কথালৈ কাণ নিদি উজ্জয়নীলৈ গৈ আদালতত গোচৰ তৰিলে।

আদালতত গোচৰৰ বিচাৰৰ দিনা ন্যায়ধীশে সুধিলে, "তোমালোকৰ পিতাৰ কি কি সম্পত্তি আছে আৰু তাৰ পৰিমাণ কি?"

"আমাৰ পিতাৰ ওচৰত ভূমি, গৰু-গাই, ধান-চাউলৰ বেপাৰ আৰু সোণ-ৰূপ আছিল।" পুত্ৰহতে উত্তৰ দিলে।

"সেইবিলাক বস্তুৰেই তোমালোকৰ পিতাই তোমালোকক দি গৈছে। ধান-চাউলৰ বেপাৰ ডাঙৰ পুত্ৰৰ কিয়নো তেওঁ খান্দি তুঁহ পালে। যিহেতু দ্বিতীয় পুত্ৰই গোবৰ পালে, তেওঁ লাভ কৰিব গৰু-গাই ইত্যাদি, মাটি-বাৰী সকলো লাভ কৰিব তৃতীয় পুত্ৰই আৰু সকলো সোণ-ৰূপ লাভ কৰিব সৰু পুত্ৰই। সেইবিলাক নিজৰ ভিতৰত ভাগ কৰি লৈ সুখেৰে বাস কৰা।" ন্যায়ধীশে এইদৰে নিৰ্ণয় দিলে।

এই বিচাৰ শুনি তিনি ডাঙৰ ভাই বৰ আঁচৰিত হ'ল। তেওঁলোকে বুজিব পাৰিলে যে দেউতাকে তেওঁলোকৰ সৰু ভাইৰ পক্ষপাতিত্ব কৰা নাছিল।



ভুল বুজাবুজি

এসময়ত শৰভ আৰু চালম নামেৰে দুজন ভাই-ককাই আছিল। শৰভ তেওঁৰ সৰু ভায়েক চালমতকৈ বাৰবছৰ ডাঙৰ আছিল। তেওঁলোকৰ পিতৃ-মাতৃ বিয়োগ ঘটাৰ পিছত শৰভ আৰু তেওঁৰ পত্নী সুন্দৰাই চালমক তুলি তালি ডাঙৰ দীঘল কৰিলে। সুন্দৰাই চালমক নিজৰ সন্তানৰ দৰে মৰম কৰিছিল।

শৰভ বৰ বেছি ধনী নাছিল। তেওঁৰ অলপমান খেতি মাটি আছিল আৰু তাতে খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। সুন্দৰাই সেই অলপমান আৰ্জনকে অতি সুন্দৰভাৱে ব্যৱহাৰ কৰি পৰিয়ালটোক অভাৱৰ মুখত পৰিবলৈ নিদিয়াকৈ চলাই নিছিল।

যেতিয়া শিক্ষা-দীক্ষা লাভ কৰি চালম এজন যুৱকত পৰিণত হ'ল, তেওঁৰ বাবে নানা পৰিয়ালৰ পৰা বিবাহ প্ৰস্তাৱ আহিবলৈ ধৰিলে। শৰভ আৰু সুন্দৰাই অনন্ত নামৰ লোকজনৰ প্ৰস্তাৱ সুবিধাজনক পালে কিয়নো অনন্ত আছিল এজন ধনী লোক। তেওঁ কেৱল এগৰাকী কণ্যাৰ পিতৃ আছিল। তাইৰ নাম আছিল কাদম্বৰী। যেতিয়া শৰভ আৰু তেওঁৰ পত্নী সুন্দৰাই ইচ্ছা ব্যক্ত কৰিলে, তেতিয়া কাদম্বৰীৰ দেউতাক অনন্ত তেওঁলোকক লগ ধৰিবলৈ আহিল। তেওঁ কলে, ‘‘এই কথা কোৱা বাবে মোক ক্ষমা কৰিব। কাদম্বৰী আমাৰ একমাত্ৰ সন্তান আৰু তাইক আমি বৰ মৰম আৰু আৰামৰ মাজত তুলি-তালি ডাঙৰ দীঘল কৰিছো। বহুদিনৰে পৰা তাইৰ মাকো শৰ্যাশয়ী হৈ আছে। তেওঁ জীয়েকক নেদেখাকৈ এদিনো পাৰ কৰিব নোৱাৰে। আপোনালোকে নিশ্চয় মোৰ ব্যৱসায়ৰ কথাও জানে। যিহেতু মোৰ কোনো পুত্ৰ সন্তান নাই, মোক কামত সহায় কৰিব পৰাকৈও কোনো নাই। গতিকে, বিয়াৰ পিছত

এ পুষ্পাঞ্জলি

যদি চালমে আমাৰ লগত একেলগে বাস কৰাত আপোনালোক মান্তি হয়, আমি বৰ সুখী হম। তেনেক্ষেত্ৰত তেওঁ মোক ব্যৱসায়ত সহায় কৰিব পাৰিব।”

এই প্ৰস্তাৱে শৰভ আৰু তেওঁৰ পত্নীক বৰ দুখী কৰি তুলিলে। কিন্তু শেষত তেওঁলোকে চালমৰ ভৱিষ্যত চিন্তা কৰি অনন্তৰ প্ৰস্তাৱ মানি লবলৈ সিদ্ধান্ত ললে। তেওঁলোকে চালমকো মান্তি কৰালে আৰু শেষত বিবাহ কাৰ্য সমধা হ'ল।

চালমে তেওঁ ককায়েক, বৌয়েক আৰু তেওঁলোকৰ সন্তানকেইটাৰ পৰা আঁতৰি যাবলগীয়া হোৱা বাবে বৰ দুখ পালে। কিন্তু সি তেওঁলোকৰ কথা মানি চলি বিয়াৰ পিছত শহুৰেকৰ ঘৰত বাস কৰিবলৈ ললে। শহুৰেকৰ ঘৰত তেওঁ সকলো ধৰণৰ সা-সুবিধা লাভ কৰিলে। সকলোৱে তেওঁক মৰম কৰিবলৈ ধৰিলে। প্ৰতিজ্ঞা কৰাৰ দৰে অনন্তয়ো চালমক নিজৰ পুত্ৰৰ দৰেই ব্যৱহাৰ কৰিলে। তেওঁ চালমক ব্যৱসায়ৰ শিক্ষা প্ৰদান কৰিলে। অতি সোনকালেই ব্যৱসায়ৰ সকলো খুটি নাতি শিকি চালম এজন পাকৈত ব্যৱসায়ী হৈ পৰিল আৰু অনন্তৰ ব্যৱসায়ৰ সকলো দায়িত্ব নিজৰ হাতত তুলি ললে।

কাদম্বৰীৰ ব্যৱহাৰৰ বাহিৰে সকলো ভালকৈ চলি গ'ল। পিতৃ-মাতৃৰ একমাত্ৰ সন্তান হোৱা বাবে তাই বৰ মৰমৰ মাজত ডাঙৰ হৈছিল আৰু সেইবাবেই তাই আছিল অলপতে ঠেহ ধৰা বিধৰ। তাই শৰভৰ পৰিয়ালক একেবাৰেই ভাল নাপাইছিল আৰু তালৈ এদিনৰ বাবে যাবলৈও মান্তি নহৈছিল। তাই অতি সৰু সৰু কথাতে খঙ খাই উঠিছিল। চালমে ধৈৰ্যৰে সকলো সহ্য কৰি গৈছিল। তেওঁ কাদম্বৰীৰ এনেধৰণৰ মনোভাৱৰ বাবে আৰু ব্যৱসায়ৰ ব্যস্ততাৰ বাবে ককায়েকৰ ঘৰলৈ যাবলৈ সময় উলিয়াব পৰা নাছিল।

অলপদিনৰ পিছত কাদম্বৰীৰ মাকৰ মৃত্যু হ'ল আৰু দেউতাক অনন্তৰো নানান বেমাৰ আৰম্ভ হ'ল। ফলত, চালম ব্যৱসায়ত আগতকৈও বেছিকৈ ব্যস্ত হৈ পৰিবলগীয়া হ'ল। আনফালে, প্ৰাকৃতিক দুৰ্যোগৰ ফলত শৰভৰ অৱস্থা কাহিল হৈ পৰিছিল। বানপানী, খৰাং আদিৰ ফলত খেতি কৰি জীৱন ধাৰণ কৰাত তেওঁ বেছ অসুবিধাৰ সন্মুখীন হ'ল। তেওঁৰ পুত্ৰ নাৰায়ণো তেওঁক কামত সহায় কৰিব পৰাকৈ ডাঙৰ হৈ উঠা নাছিল। ইফালে কণ্যা কমলাৰ বয়স বিবাহৰ উপযুক্ত হৈ আহিছিল

আৰু সেইবিলাক কথাই শৰভক চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। শৰভে ভায়েক চালমৰ পৰা একো সহায় লাভ নকৰি উপেক্ষিত অনুভৱ কৰিলে। তাৰ বাবে তেওঁ মনতে বৰ দুখ পালে। চালমক তেওঁ নিজৰ সন্তানতকৈও অধিক যত্নেৰে ডাঙৰ দীঘল কৰিছিল। যেতিয়া সুন্দৰাই তেওঁক চালমৰ ওচৰলৈ গৈ সহায় বিচাৰিবলৈ কলে তেওঁ তাকে কৰিবলৈ অস্বীকাৰ কৰিলে। সুন্দৰাই তথাপিও গিৰিয়েকক কৈ কৈ শেষত মান্তি কৰালে আৰু তেওঁ চালমৰ ওচৰলৈ যাবলৈ ৰাজী হ'ল।

পিছদিনাখন, শৰভে চালমৰ ঘৰলৈ বুলি যাত্রা কৰিলে। তেওঁ চালমলৈ বুলি ঘৈনীয়েক সুন্দৰাই বান্ধি দিয়া পিঠা-পনা লৈ গোটেইদিনটো বেলিৰ প্ৰখৰ তাপত গমন কৰাৰ পিছত গধুলি সময়ত চালমৰ থকা ঠাইত উপস্থিত হ'ল। তাত উপস্থিত হৈ তেওঁ জানিব পাৰিলে যে সেইদিনা চালম চহৰত নাই। কিবা ব্যৱসায়ৰ কামত চহৰৰ বাহিৰলৈ গৈছে। তেওঁ বৰ হতাশ হ'ল। চালমৰ ঘৈনীয়েক কাদম্বৰীয়ে তেওঁক ভালদৰে মাত এটাও নিদিলে। শৰ্যাশয়ী হৈ থকা অনন্তই শৰভৰ লগত মৰমেৰে কথা পতাৰ বাহিৰে আন একো সহায় কৰিব নোৱাৰিলে। ঘৰৰ লগুৱাই শৰভক ৰাতিৰ খাদ্য খাবলৈ দিলে আৰু ৰাতি শুবৰ বাবে তেওঁক এখন অতি সাধাৰণ বিচনা দিয়া হ'ল। আনকি তেওঁক এখন তুলি বা লেপো নিদিলে।

শৰভে এই ঘটনাত বৰ দুখ পালে। তেওঁ ভাৱিলে, 'মোৰ প্ৰতি মোৰ ভাইৰ কোনো সন্মান, মৰম নাই। থকা হলে মই কেতিয়াও এনে ব্যৱহাৰ নেপালোহেতেন। তাৰেই যেতিয়া মোৰ প্ৰতি ভাল ভাৱ নাই, আনে কেনেকৈ মোৰ প্ৰতি ভাল ভাৱ দেখুৱাব। সি ধনী মানুহৰ জোৱাই হৈ টকা পইছাৰ প্ৰতি মোহান্বিত হৈছে। সি সম্পূর্ণকৈ সলনি হৈ পৰিল। সি আনকি বৌয়েককো পাহৰি গ'ল, যি মাতৃৰ মৰমেৰে তাক তুলি তালি ডাঙৰ দীঘল কৰিলে। সি এটা অকৃতজ্ঞ।

পিছদিনা পুৱাতে কাদম্বৰীয়ে আহি তেওঁক কলে, ''আজিৰ পৰা দহদিনৰ পিছতহে আপোনাৰ ভাই চহৰলৈ ঘূৰি আহিব। আপুনি যদি আগমনৰ কাৰণ মোৰ আগত বিৱৰি কয়, তেন্তে মই তেওঁক সেইকথা কব পাৰিম।'' শৰভে বুজিব পাৰিলে যে তেওঁ তাৰ পৰা গুচি গলেই তাই ভাল পাব। তেওঁ কলে যে চালমলৈ দিবৰ বাবে তেওঁৰ একো বাৰ্তা নাই। তাৰপিছত তেওঁ ঘৰলৈ বুলি ঘূৰি আহিল।

অহাৰ পথত, শৰভে বৰ অপমানিত আৰু উপেক্ষিত অনুভৱ কৰিলে। তেওঁ জিৰণি লবৰ বাবে গছ এজোপাৰ তলতে বহি পৰিল আৰু টোপনী গ'ল।

অলপ পৰৰ পিছতে, ঘোঁৰাৰ শব্দত শৰভে সাৰ পাই গ'ল। তেওঁ দেখিলে যে ঘোঁৰাত উঠি দুজন মানুহ তেওঁৰ ফালে আহি আছে। তেওঁলোকৰ পিছে পিছে দুখন গৰু গাড়ী। তেওঁলোক আহি শৰভৰ কাষ পালেহি আৰু ঘোঁৰাৰ পৰা নামি আহিল।

সেই দুজন মানুহৰ এজন আছিল চালম আৰু আনজন আছিল তেওঁৰ সহকাৰী। চালমক দেখা পাই শৰভৰ বৰ খঙ উঠিল। তেওঁ কিবা এটা কোৱাৰ আগতেই চালম তেওঁৰ ফালে দৌৰি আহিল আৰু সাৱতি ধৰিলে। চালমে কলে, ''ককাইদেউ, মই আপুনি অহাৰ কথা কালি ৰাতি খবৰ পালো। মই নাজানিছিলো যে ইমান সোনকালে আপুনি উভতি যাব। ঘৰ পায়েই মই যেতিয়া আপুনি উভতি অহাৰ খবৰ পালো, ততাতৈয়াকৈ আপোনাক লগ ধৰিবৰ বাবে এয়া ওলাই আহিছো। কামৰ বোজাৰ বাবেই মই আপোনাক লগ ধৰিবলৈ আহিব পৰা নাই। কিন্তু আপোনাক লগ পোৱাৰ সুযোগ এটাৰ বাবেই মই বাট চাই আছিলো।'' শৰভে গৰুগাড়ী কেইখনলৈ চাই অবাক হ'ল। দুয়োখন নানাধৰণৰ শস্য আৰু কাপোৰ কানিৰে ভৰি আছিল। সেয়া তেওঁৰ পৰিয়ালৰ বাবে অতি কমেও দুবছৰ যাব।

তাৰপিছত চালমে শৰভৰ হাতত এটা চামৰাৰ মোনা দিলে আৰু কলে, ''ইয়াত অলপমান টকা আছে। মই আপোনাক আহি লগ পোৱালৈকে ব্যৱহাৰ কৰিব পাৰিব। আৰু মই কমলাৰ বাবে এটা ভাল ল'ৰাৰ সন্ধান পাইছো। আমি ভাল দিন-বাৰ চাই বিয়াৰ যো-জা কৰা ভাল হব। বিয়াৰ খৰচ-পাতিৰ বাবেও আপুনি একো চিন্তা কৰিব নালাগে।''

সৰু ভায়েকক ভুল বুজাৰ বাবে শৰভ অনুতপ্ত হ'ল। সি চালমক সাৱতি ধৰিলে।

তাৰপিছত শৰভে নানান সামগ্ৰীৰে ভৰা গৰুগাড়ী দুখন লগত লৈ সুখী মনৰে নিজৰ ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে।

পঞ্চতন্ত্ৰৰ সাধু

সিংহ নদীত গা ধুবলৈ গুচি গ'ল ।

তেওঁ যোৱাৰ পিছতে শিয়ালে কুকুৰনেচীয়াক কলে, ''বন্ধু, আমাৰ ৰজা অহাৰ আগতে যদি তুমি উটৰ অলপ মাংস খাব বিচাৰা, তেন্তে খোৱা । তুমি চিন্তা কৰিব নালাগে, মই সিংহ মহাৰাজক বুজাই কম ।''

শিয়ালে তেনেকৈ কোৱাৰ লগে লগে কুকুৰনেচীয়াই উটৰ কলিজাটো খাই পেলালে ।

সিংহই উভতি আহি দেখিলে যে উটৰ কলিজা নাই । সি খঙত একো নাই হৈ উঠিল । সুধিলে, ''মোতকৈ আগতে কোনে উটৰ মাংস খালে । মই তাক বধ কৰি ভক্ষণ কৰিম ।''

কুকুৰনেচীয়াই এইধৰণে শিয়ালৰ চকুলৈ চালে যে 'তুমিয়েইতো কৈছিলা যে তুমি সিংহক বুজাব পাৰিবা, এতিয়া একো নোকোৱা কিয় ? তুমি কোৱাৰ বাবেইটো মই অলপ মাংস খাইছিলো ।' কিন্তু শিয়ালে কলে, ''কুকুৰনেচীয়া ভাই, মোৰ ফালে কি দেখুৱাই আছা ? উটৰ কলিজাটো তুমিয়েই খাইছিলা ।''

শিয়ালৰ কথা শুনি কুকুৰনেচীয়া ভয়ত কপি উঠিল । সি প্ৰাণৰ ভয়ত তাৰ পৰা দৌৰ দিলে । সিংহই তাৰ পিছে বেছ কিছু দূৰলৈকে খেদি গ'ল । তাৰপিছত তেওঁ উভতি আহিল । মনতে ভাৱিলে, 'কুকুৰনেচীয়াই বৰ ডাঙৰ ভুল কৰা নাই । ইমান এটা সৰু ভুলৰ বাবে তাক মাৰি পেলোৱাটো ভাল কথা নহব ।'

এইদৰে ভাৱি উভতি অহাৰ পিছত সিংহই ঘন্টাৰ শব্দ শুনিলে । সেই ৰাস্তাইদি এদল বেপাৰীয়ে উট লৈ গৈ আছিল । উটৰ ডিঙিত বান্ধি থোৱা ঘন্টাৰ পৰা শব্দ হৈছিল ।

সিংহই শিয়ালক সুধিলে, ''এয়া কিহৰ শব্দ ?''

মিত্ৰ ভেদ – ২৫

দমনক গুচি যোৱাৰ পিছত সঞ্জীৱকে মনতে ভাৱিলে, 'এতিয়া মোৰ কৰ্তব্য কি? মই কি ক'ৰবালৈ পলাই যোৱাটো উচিত হব? এয়া হ'ল বিশাল জংঘল, কোনো লাভ নাই। মই এইদৰে পলাই গলে কোনোবা বাঘৰ আহাৰ হবগৈ লাগিব। ইফালে সিংহ মোৰ শত্ৰু হৈ পৰিল। এতিয়া মোৰ ওচৰত কেৱল এটাই উপায় আছে। সিংহৰ ওচৰলৈ হৈ প্ৰাণভিক্ষা মাগিব লাগিব।'

এইদৰে চিন্তা কৰি সঞ্জীৱকে পিংগলকৰ ওচৰ পালেগৈ। দমনকে কোৱাৰ দৰে সিংহই আগৰ পৰাই নেগুৰ ডাঙি ৰহি আছিল। তাৰ হাতোৰা কঠিন হৈ আছিল, চকু তীক্ষ্ণ দেখা গৈছিল। এই সকলো লক্ষণ দেখি সঞ্জীৱকে ক্ষমা খোজাৰ বাবে সম্মুখৰ ভৰি দুটা আগুৱাই আঠু ললে।

পিংগলকেও দমনকে কোৱাৰ দৰে সঞ্জীৱকে আচৰণ কৰা দেখা পালে আৰু ভাৱিলে যে এতিয়া তাক সঞ্জীৱকে আক্ৰমণ কৰিব। এইদৰে চিন্তা কৰি পিংগলকে সঞ্জীৱকক আক্ৰমণ কৰিলে আৰু চোকা নখেৰে তাৰ ডিঙি ফালি পেলালে। সঞ্জীৱকেও শিঙেৰে পিংগলক আক্ৰমণ কৰিলে আৰু পিছলৈ আহি পুণৰ আক্ৰমণ কৰিবৰ বাবে সাজু হ'ল।

এইদৰে দুয়ো দুয়োকে আক্ৰমণ কৰিবৰ বাবে সাজু হ'ল। এই দেখি কৰটকে দমনকক কলে, "দুষ্ট, তুমি বন্ধুৰ মাজত শত্ৰুতা সৃষ্টি কৰি বৰ ডাঙৰ পাপ কৰিলা। এই শান্তিপূৰ্ণ জংঘলত তুমি অশান্তিৰ বীজ

"মহাৰাজ, আপুনি এতিয়াই পলাই যাওক। আপোনাৰ বৰ ডাঙৰ বিপদ হব পাৰে।" শিয়ালে সিংহক ভয় খুৱাবলৈ চেষ্টা কৰিলে। "বিপদ? কাৰ পৰা মোৰ বিপদ হব পাৰে? অলপ বহলাই নকৱ কিয়?" সিংহই সুধিলে।

"উটক মৰাৰ আগতে আপুনি মৃত্যুদেৱতাৰ শপত লৈ প্ৰতি ৰাতি তাৰ বাবে সুত দিয়াৰ প্ৰতিজ্ঞা কৰিছিল। এতিয়া সুতৰ লগতে মূল ঘূৰাই লবৰ বাবে মৃত্যুদেৱতা আহিব ধৰিছে।" শিয়ালে কলে।

সেই কথা শুনি সিংহই বৰ ভয় খালে আৰু তাৰ পৰা প্ৰাণেপণে চেকুৰ ধৰিলে। তাৰপিছত বহুদিনলৈকে শিয়ালে উটৰ মাংস আনন্দৰে ভোগ কৰিলে।

***

সিঁচি দিলা। তুমি আনৰ সহায় লৈ আমাৰ শাসকৰ প্ৰাণৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিলা। তেওঁক আনৰ লগত আলোচনা কৰিবলৈ সুবিধা নিদি নিজেই সকলো কথা ভুলকৈ বুজাই দিলা। তোমাৰ দৰে মূৰ্খৰ মন্ত্ৰণা শুনা আমাৰ ৰজাৰ বাবে মোৰ দয়া উপজিছে। তাত আমাৰ ৰজাৰো ভুল আছে। মূৰ্খ ৰজাই তোমাৰ দৰে দুষ্টবুদ্ধিৰ বুদ্ধিমতে কাম কৰি নিজৰে বিপদ মাতি আনে। তোমাৰ দৰে দুষ্টক সৎ বচন শুনোৱাৰ কোনো অৰ্থ নাই। শুনালেও সেয়া শুনাবলগীয়া হিত বচন কাহিনীৰ দৰে কথা হব।''

''সেই কাহিনীনো কি?'' দমনকে কৰটকক সুধিলে।

কৰটকে কাহিনী বৰ্ণনা কৰিবলৈ ধৰিলে -

ব্যৰ্থ হিত

এখন হাবিত এটা বান্দৰৰ দল আছিল। জাৰৰ দিন আছিল আৰু সকলো বান্দৰ জাৰত কঁপি আছিল। তেনেসময়তে এটা বান্দৰে এটা জোনাকী পৰুৱা দেখা পালে। সি সেইটো এঙেঠা বুলি ভাৱি তাৰে জুই জ্বলাবলৈ চেষ্টা কৰিলে। সকলো বান্দৰে তাৰ কথা মতেই সেইটো জুইৰ এঙেঠা বুলি ধৰি লৈ তাৰ চাৰিওফালে বহি হাত সেকিবলৈ যত্ন কৰিলে।

এটা বান্দৰৰ পানী লগা বেমাৰ হৈ আছিল। সি জুই বেচিকৈ জ্বলোৱাৰ চেষ্টাত জোনাকী পৰুৱাটোক ফুৱাবলৈ ধৰিলে। ওচৰৰে এজোপা গছত বহি থকা সূচিমুখী নামৰ এজনী চৰায়ে এই দৃশ্য দেখি সিঁহতক কলে, ''বন্ধুহত, তোমালোকে মিছাতে ইমান পৰিশ্ৰম কৰি আছা। সেইটো এঙেঠা নহয়, এটা জোনাকী পৰুৱাহে।''

কিন্তু বান্দৰে চৰাইজনীৰ কথালৈ কোনো কাণ নিদিলে। পৰিৱৰ্তে আৰু বেছিকৈ ফুৱাবলৈ ধৰিলে।

সূচিমুখীয়ে বান্দৰক বাৰে বাৰে বুজালে। বান্দৰে এইকথাত খং খাই সূচিমুখীক মুখ বন্ধ কৰি ৰাখিবলৈ ধমকি দিলে। কিন্তু তথাপিও সূচিমুখীয়ে বান্দৰক হিতবচন শুনায়েই থাকিল।

(ক্ৰমশঃ)

কোমল মাটি

মোৰ শিক্ষকে 'মাতৃ ভগৱানৰ দৰে' পাঠটো পঢ়ুৱাবলৈ ধৰিলে। তেনেসময়ত শ্ৰেণীলৈ পলমকৈ অহা কিশোৰে দুৱাৰমুখত ৰৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰিবৰ বাবে শিক্ষকৰ অনুমতি বিচাৰিলে, ''ছাৰ, মই সোমাব পাৰোনে?'' শিক্ষকে ঘূৰি কিশোৰৰ ফালে চালে আৰু সুধিলে, ''ঠিক আছে, সোমাই আহা, কিন্তু তোমাৰ পলম হ'ল কিয়?'' উত্তৰত কিশোৰে কলে, ''আজি ৰাতিপুৱা মায়ে মোক জগাই নিদিলে, সেইবাবেই মোৰ পলম হ'ল।''

শিক্ষকজনে যেন কিবা বুজি পালে। তেওঁ সুধিলে, ''তোমাক মাৰাই জগাই দিব লাগে কিয়? তুমি যদি ৰাতি সময়ত শুবলৈ যোৱা তেন্তে ঠিক সময়তে সাৰ পাই উঠিবা।''

''ছাৰ, মোৰ দেউতাই ৰাতি দেৰীলৈকে টিভিত চিনেমা চায়। ময়ো চিনেমা চাই বৰ ভাল পাও। গতিকে ময়ো ৰাতি দেৰীলৈকে চিনেমা চাও। কিন্তু মোৰ মায়েটো মোক শুৱাৰ কথা মনত পেলাই দিব লাগে! নালাগেনে বাৰু ছাৰ?'' কিশোৰে কলে। সি গমেই নাপালে যে অজানিতে সি তাৰ মাকৰ ওপৰত সকলো দোষ জাপি দিছে।

সকলো শিশুৱেই তাৰ কথা শুনি হাঁহিত ফাটি পৰিল। শিক্ষকে সকলোকে শান্ত হবলৈ কলে আৰু সুধিলে, ''ঠিক আছে, তুমি ঘৰত কৰিবলৈ দিয়া কামসমূহ কৰিলানে?''

কিশোৰে গেঠাই গেঠাই কলে, ''মানে ছাৰ.... মোৰ...''

এটা উতনুৱা ল'ৰাই পিছবেঞ্চৰ পৰা চিঞৰি কলে, ''আচল কথা কি জানে ছাৰ? তাৰ মাকে তাক ঘৰত কৰিবলৈ দিয়া কাম কৰাৰ কথা মনত পেলাই নিদিলে।'' কথা শুনি সকলোৱে আকৌ এবাৰ সশব্দে হাঁহি উঠিল।

পি ভি সত্যনাৰায়ণ

শিক্ষকে কিশোৰক সুধিলে, ‘‘তুমি তোমাৰ মায়ে নকলে একো কামেই নকৰা নেকি ?’’

প্ৰশ্নটো শুনি কিশোৰ যেন বৰ সুখী নহ’ল। সি কও নকওকৈ কলে, ‘‘আচলতে ছাৰ, মায়ে মোক যি যি কৰিবলৈ কয়, সেয়া কৰি মই একেবাৰে ভাল নাপাও।’’

কিশোৰৰ কথা শুনি শিক্ষকজন আচৰিত হৈ উঠিল। তেওঁ সুধিলে, ‘‘কি কৈছা তুমি ? ঠিক আছে, তুমি আমাক কোৱাচোন, তোমাৰ মায়ে কৰিবলৈ কোৱা কি কি কাম কৰি তুমি ভাল নোপোৱা।’’

এইবাৰ কিশোৰে যেন অলপ ভয় খালে।

‘‘ঠিক আছে, মই তোমাক গালি নাপাৰো বাৰু, কোৱা এতিয়া।’’

শিক্ষকৰ কথা শুনি কিশোৰে অলপ বল পালে আৰু কবলৈ ধৰিলে, ‘‘মোৰ মায়ে মোক ৰাতিপুৱা সোনকালে শুই উঠিবলৈ কয়। তেওঁ মোক ঘৰত কৰিবলৈ দিয়া কাম ৰাতিয়েই কৰি শেষ কৰিবলৈ কয়...’’ এইবুলি কৈ সি ৰৈ গ’ল।

‘‘তোমাৰ মায়ে কৰিবলৈ কোৱা সকলো কাম তোমাৰ বাবেই ভাল, নহয় জানো ?’’

‘‘ছাৰ, তেওঁ মোক দেউতাৰ লগত বহি ৰাতি দেৰীলৈকে টি ভি চাবলৈ মানা কৰে আৰু ৰাতি সোনকালে শুই থাকিবলৈ কয়। যেতিয়া মোৰ দেউতাৰ দৰে ডাঙৰ মানুহ এজনে চিনেমা নোচোৱাকৈ থাকিব নোৱাৰে, আমি সৰু ল’ৰা-ছোৱালীয়েনো কেনেকৈ তাৰ পৰা আঁতৰি থাকিব পাৰিম ? আমি কৰি ভাল পোৱা কামবিলাক যদি মায়ে কৰিবলৈ বাধা দিয়ে, তেন্তে খং নুঠিব নেকি ?’’

কিশোৰৰ কথা শুনি শিক্ষকজনে এটা স্বস্তিৰ

নিশ্বাস পেলালে। ‘‘এতিয়া মই তোমাৰ কথাৰ কাৰণ বুজিব পাৰিছো।’’

তাৰপিছত শিক্ষকজনে কিশোৰক কোৱা বন্ধ কৰিবলৈ কলে আৰু সুধিলে, ‘‘বাৰু কিশোৰ কোৱাচোন, তুমি মোক ভাল পোৱানে ?’’

‘‘মই আপোনাক খুব ভাল পাও, ছাৰ। কেৱল ময়েই নহয় আমাৰ গোটেই শ্ৰেণীটোৱেই আপোনাক খুব ভাল পায়।’’

‘‘তেতিয়া হলে মোৰ কথা শুনিবানে ?’’

‘‘নিশ্চয় শুনিম ছাৰ।’’

‘‘তুমি তোমাৰ মাৰাক ভাল নোপোৱা, হয়নে ? গতিকে তোমাৰ মাক তোমালোকৰ ঘৰৰ পৰা পঠিয়াই দিয়াই ভাল হব, নহয় জানো ?’’

কিশোৰৰ চকুকেইটা চকুপানীৰে চলচলীয়া হৈ উঠিল। সি আচৰিত হ’ল- ‘‘ছাৰ !’’

শিক্ষকে তাৰ আবেগ বুজি পালে। তেওঁ এটা গহীন সুৰত কলে, “হয়তো, তেওঁ তোমাক তুমি ভাল নোপোৱা কাম বিলাক কৰিবলৈ কৈ থাকে। তেওঁক পঠিয়াই নিদি কি?”

“কিন্তু আমি ভাত নাখালে মায়ে কান্দে। মোৰ জ্বৰ হলে গোটেই ৰাতি মোৰ কাষতে বহি থাকে।”

“তেন্তে তেনে এগৰাকী মৰমিয়াল মাতৃয়ে তুমি কৰি ভাল পোৱা কামবিলাক কিয় নকৰিবলৈ কব পাৰে?”

কিশোৰে উত্তৰ দিবলৈ একো বিচাৰি নাপালে।

তাৰ অৱস্থা দেখি শিক্ষকে এটা মৰমলগা সুৰত কলে, “চোৱা, ভগৱানে যেতিয়া আমাক সৃজন কৰিলে তেতিয়া আমাৰ বাবে মাতৃ সৃষ্টি কৰিলে। কাৰণ হ'ল ভগৱান নিজে সকলো সময়তে সকলো ঠাইতে থাকিব নোৱাৰে। এই পৃথিৱীত মাতৃৰ দৰে আন একো নাই। তেওঁ ভগৱানৰ এটা ৰূপ। তেওঁ তোমাক ন মাহ ধৰি গৰ্ভত ৰাখিলে, তোমাৰ জন্মৰ পিছত সকলো সময়তে তেওঁ তোমাৰ যত্ন লয়। মাকে সন্তানক সদায় ভালটো কৰিবলৈকে উপদেশ দিয়ে। ভাল অভ্যাস গঠন কৰিবলৈ চেষ্টা কৰে। তেনে মাতৃক দুখ দিয়াটো কোনোমতেই শুদ্ধ কথা হব নোৱাৰে। তুমি যদি গধুলি সোনকালে শোৱা ৰাতিপুৱা সোনকালে উঠিব পাৰিবা আৰু স্কুললৈ সময়ত আহিব পাৰিবা। তুমি যদি ঘৰত কৰিবলৈ দিয়া কাম গধুলিয়েই কৰি শেষ কৰা তেন্তে পিছদিনা তুমি স্কুলত শাস্তি পাবলগীয়া নহয়। তেওঁ তোমাক তোমাৰ সুবিধাৰ বাবেই এইবিলাক কৈ থাকে।”

কিশোৰে দোষী দোষী ভাৱেৰে কলে, “মই বুজি পাইছো যে মই ডাঙৰ ভুল কৰিছিলো।”

তাৰপিছত তেওঁ গোটেই শ্ৰেণীৰ ফালে উভতি চাই কলে, “মৰমৰ শিশুসকল, আজিৰ পাঠ ইমানেই। তোমালোকৰ মাতৃক সন্মান কৰিবা। তেওঁ হ'ল ভগৱানৰ আন এটা ৰূপ।”

তেনেতে শ্ৰেণী সমাপ্তিৰ ঘণ্টা বাজিল। কিশোৰৰ মনত শিক্ষকে কোৱা কথাসমূহ ভাঁহি থাকিল।

শিক্ষকে জানিছিল শিশুৰ মন হ'ল কোমল মাটিৰ দৰে। ভাল জ্ঞানৰ বীজ সিঁচিলে লহপহকৈ বাঢ়ি আহে।



বিশ্বাসহীনতা

মোৰ গাৱৰ সকলোৱে নাৰায়ণ স্বামীক চিনি পাইছিল। চহৰৰ ডাঙৰ বজাৰত তেওঁৰ এখন দোকান আছিল।

যিহেতু নাৰায়ণস্বামী আছিল অকলশৰীয়া, তেওঁ বন্ধু ৰংগাজীক তেওঁৰ ঘৰত থাকিবলৈ আমন্ত্ৰণ কৰিলে। তেওঁ তেওঁৰ বন্ধুক বৰ ভাল পাইছিল। ৰংগাজীয়েও বন্ধুৰ কথা মানি তেওঁৰ লগতে যোৱা দহবছৰ থাকিল। অলপতে কিবা হ'ল! ৰংগাজীয়ে বন্ধু নাৰায়ণ স্বামীৰ ঘৰ এৰি নিজৰ গাৱলৈ বুলি গুচি গ'ল।

যেতিয়া আমি সকলো শিশুৱে এই কথা জানিব পাৰিলো, তেতিয়া আমাৰ ককাদেউতাক সুধিলো, "কিয় নাৰায়ণ স্বামীয়ে বন্ধু ৰংগাজীক পঠিয়াই দিলে ?"

এই প্ৰশ্নৰ উত্তৰত ককাদেউতাই কলে, "স্বামীয়ে ৰংগাজীক পঠিয়াই দিয়া নাছিল। আৰু এইটো এটা টকা পইছাৰ লগত সম্পৰ্ক থকা বিষয় নহয়।" এইবুলি তেওঁ ঘটনাটো বৰ্ণনা কৰিবলৈ ধৰিলে।

নাৰায়ণ স্বামীয়ে সৰু কালতেই পিতৃ আৰু মাতৃক হেৰুৱাইছিল। কেৱল সেয়াই নহয়, সন্তান জন্ম দিয়াৰ সময়তে পত্নী আৰু সন্তান দুয়োকে হেৰুৱাইছিল। এইদৰে তেওঁ একেবাৰে অকলশৰীয়া হৈ পৰিছিল। জীৱনৰ প্ৰতি তেওঁৰ মোহভংগ হৈছিল। তেওঁ তাৰপিছত পুণৰ বিবাহ নকৰালে। ব্যৱসায়কে নিজৰ জীৱন বুলি লৈ সময় কটাই দিলে। তেনে সময়তে তেওঁ শিশুকালৰ বন্ধু ৰংগাজীক লগ পালে। সেই সময়ৰ পৰাই তেওঁলোকৰ বন্ধুত্ব পুণৰ দৃঢ় হৈ পৰিল।

ৰংগাজী কেৱল অকলশৰীয়াই নাছিল, তেওঁ আছিল দুখীয়াও। নাৰায়ণ স্বামীয়ে ৰংগাজীৰ সক্ষমতাৰ কথা গম পালে আৰু লগতে অনুভৱ কৰিলে যে তেওঁ বিশ্বাসীও।

এ ৰামকৃষ্ণ ৰাও

গতিকে নাৰায়ণ স্বামীয়ে ৰংগাজীক ব্যৱসায়ৰ আও-ভাও শিকাই অংশীদাৰ কৰি লোৱাৰ প্ৰতিশ্ৰুতি দিলে। কিন্তু এই কথাত ৰংগাজী মান্তি নহ'ল। তেওঁ কলে, ''তুমি মোক ইতিমধ্যেই মৰম দিছা। মোক অনুগ্ৰহ কৰি এইদৰেই জীয়াই থাকিবলৈ দিয়া।''

এবাৰ স্বামীৰ হীৰাৰ মূল্যৱান আঙুঠিটো হেৰাল, তেওঁ বহু বিচাৰ-খোচাৰ কৰিও কতো বিচাৰি নাপালে। সেই আঙুঠিটো আছিল তেওঁৰ পত্নীয়ে উপহাৰ দিয়া। সেইবাবেই সেইটো আছিল তেওঁ বৰ মৰমৰ। সেই হীৰা আছিল বিদেশৰ পৰা আমদানি কৰা। তেওঁ ৰংগাজীক কেইবাবাৰো কৈছিল যে সেইটোৰ দাম প্ৰায় আধা কোটী টকা মান হব। স্বামী আৰু ৰংগাজীৰ কোঠা আছিল ওচৰা-ওচৰি। সেই কোঠা দুটালৈ তেওঁলোকৰ বাহিৰে আন কোনো নগৈছিল। আঙুঠিটো স্বামীয়ে ৰাতিপুৱা ঠিক ঠাইতেই দেখিছিল। সেইটো ক'ত হেৰাব পাৰে?

আঙুঠিটো হেৰুৱাৰ পিছত নাৰায়ণ স্বামীয়ে ৰংগাজীৰ কোঠালৈ গৈ কলে, ''তুমি নিশ্চয় কোনো দূৰ্বল মূহুৰ্তত আঙুঠিটো চুৰ কৰিছা। ঠিক আছে, কোনো কথা নাই, মই এইবিষয়ে কাকো নকও বাৰু। সেইটো মোক ওভতাই দিয়া।''

তাৰ অলপ সময়ৰ পিছতে নাৰায়ণ স্বামীয়ে আঙুঠিটো কম্বলত লাগি থকা অৱস্থাত পালে। স্বামীয়ে লগে লগে তেওঁ যে ভুল ভাৱিছিল তাক উপলব্ধি কৰিলে আৰু ৰংগাজীৰ ওচৰলৈ গৈ ক্ষমা প্ৰাৰ্থনা কৰিলে।

ৰংগাজীয়ে ইতিমধ্যেই নিজৰ বস্তু-বেহানি বান্ধি যাবৰ বাবে সাজু হৈছিল। স্বামীয়ে বাৰে বাৰে ক্ষমা খোজাৰ পিছতো তেওঁ তাত থাকিবলৈ ৰাজী নহ'ল। যোৱাৰ আগতে তেওঁ স্বামীক কলে, ''মহাশয়, আপুনি ভাৱিলে যে মই এটা চোৰ। লগে লগে মই অনুভৱ কৰিলো যে ইমান দিনে আপোনাক এজন ভদ্ৰলোক বুলি ভাৱি অহাটো মোৰ ভুল আছিল।''

মানুহৰ মাজৰ সম্পৰ্ক আচলতে টিকি থাকে বিশ্বাসৰ বাবে। যেতিয়া এই বিশ্বাস নাইকীয়া হয়, তেতিয়া সম্পৰ্ক ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰে। এটা ভঙা কাচৰ গিলাচ কেতিয়াও জোৰা দি আগৰ দৰে কৰিব নোৱাৰি।

প্ৰতিযোগিতা

এসময়ত ৰত্নচাৰী নামেৰে এজন বেপাৰী আছিল। জনপুৰ নামৰ গাৱখনত তেওঁৰ এখন মিঠাইৰ দোকান আছিল। কেইবাপুৰুষ ধৰি তেওঁৰ পৰিয়ালে মিঠাইৰ ব্যৱসায় কৰি আহিছিল। কেৱল সেই গাৱঁতেই নহয়, ওচৰ চুবুৰীয়া বহু গাৱঁত তেওঁলোকৰ দোকানৰ মিঠাই জনপ্ৰিয় আছিল। গতিকে দোকানৰ বিক্ৰী ভাল হৈছিল। তেওঁলোকে উচিত মূল্য লৈ উচ্চ মানৰ মিঠাই বিক্ৰী কৰিছিল।

যি কি নহওক, সেই কথা ৰত্নচাৰীয়ে মানি চলিব বিচৰা নাছিল। তেওঁ আছিল টকাৰ লুভীয়া। তেওঁ জানিছিল যে যদি তেওঁ মিঠাইৰ দাম বৃদ্ধি কৰি দিয়ে, তেন্তে গ্ৰাহকসকলে ভাল নাপাব আৰু বিক্ৰী কমি যাব। ফলত তেওঁৰ লাভৰ পৰিমাণ কমি আহিব। গতিকে ভাৱি চিন্তি তেওঁ মিঠাইৰ আকাৰ ধৰিব নোৱাৰাকৈ অলপ সৰু কৰি দিয়াৰ লগতে মানদণ্ডও অলপ হ্ৰাস কৰি দিলে।

যিহেতু মানুহে তেওঁৰ দোকানৰ মিঠাইত বিশ্বাস ৰাখিছিল, গতিকে বহুতেই এই অলপমান সাল-সলনিত ইমান গুৰুত্ব নিদিলে।

এই ঘটনাই ৰত্নচাৰীৰ মনত আত্মবিশ্বাস আনি দিলে। তেওঁ ভাৱিলে মানদণ্ড আৰু অলপ কমাই দিলেও মানুহে গমেই নাপাব।

ৰত্নচাৰীয়ে মিঠাইৰ মান আৰু অলপ কমাই দিয়াৰ পিছতো মানুহে তেওঁৰ দোকানৰ পৰাই মিঠাই কিনি থাকিল। কিয়নো ওচৰে পাজৰে আন কোনো ভাল বিকল্প নাছিল।

মানুহৰ মুখেৰে গাৱঁৰ মুখিয়াল মনমোহনে এই ঘটনাৰ কথা জানিব পাৰিলে।

ৰত্নচাৰী পৰিয়াল আছিল ডাঙৰ আৰু সেই অঞ্চলত জনাজাত। গতিকে তেওঁ চিন্তা কৰিলে যে এনে জনাজাত পৰিয়ালক প্ৰত্যক্ষভাৱে

পি ভেংকটেশ্বৰ ৰাও

জোকাই লোৱাটো ভাল নহব । গতিকে, তেওঁ এটা উপায় উলিয়ালে ।

তাৰ এসপ্তাহ মানৰ পিছতে, তেওঁ সেই গাৱত আন এখন মিঠাইৰ দোকান আৰম্ভ কৰিলে ।

মানুহে নতুন দোকান দেখি মিঠাই কিনিবৰ বাবে তালৈ যাবলৈ ধৰিলে । সেই দোকানত উচিত মূল্যতে উচ্চ মানৰ মিঠাই পোৱা গৈছিল ।

লাহে লাহে ৰত্নচাৰীৰ দোকানে গ্ৰাহক হেৰুৱাবলৈ ধৰিলে । তেওঁ মিঠাইৰ পৰা মাখি খেদিয়েই সময় পাৰ কৰিবলগীয়া হ'লগৈ ।

ৰত্নচাৰীয়ে বুজিব পাৰিলে যে এনে পৰিস্থিতি যদি আৰু কিছুদিন চলি থাকে, তেওঁ দেউলীয়া হব । গতিকে তেওঁ বেছি লাভ কৰাৰ আশা পৰিত্যাগ কৰি উচিত মূল্যত উচ্চ মানৰ মিঠাই বিক্ৰী কৰা আৰম্ভ কৰিলে । তেওঁ উচিত লাভ ৰাখি উচ্চ মানৰ মিঠাই বিক্ৰী কৰাৰ কথা গাৱত প্ৰচাৰো কৰিলে ।

তেনে কৰাৰ ফলত তেওঁ লাহে লাহে আগৰ জনপ্ৰিয়তা ঘূৰাই পালে । গাৱৰ আনখন অস্থায়ী মিঠাইৰ দোকান নাইকীয়া হৈ পৰিল ।

''আপুনি ৰত্নচাৰীক এটা ভাল শিক্ষা দিলে । চাওক, তেওঁ এতিয়া উচিত মূল্যতে উচ্চমানৰ মিঠাই বিক্ৰী কৰিছে ।'' ৰত্নচাৰীৰ দোকানৰ পৰা অনা মিঠাই এটা মনমোহনৰ প্লেটত দি তেওঁৰ পত্নীয়ে কলে ।

''যেতিয়া কোনো প্ৰতিযোগিতা নাথাকে আৰু যেতিয়া কেৱল এজনৰ ওচৰতে ক্ষমতা থাকে, তেতিয়া ব্যৱসায়ী এলেহুৱা হৈ পৰে । লাহে লাহে তেওঁলোক প্ৰয়োজনতকৈও অধিক আত্মবিশ্বাসী হৈ পৰে । তাৰ মূল্য দিব লগা হয় গ্ৰাহকসকলে । যদি এক উপযুক্ত প্ৰতিযোগিতা থাকে, তেতিয়া ব্যৱসায়ীয়ে কেৱল মাত্ৰ লাভৰ কথা ভৱাটো বন্ধ কৰি দিয়ে । পৰিৱৰ্তে, তেওঁলোকে পণ্যৰ মানদণ্ড বৃদ্ধি কৰি, মূল্য কমাই দি বা নতুন ধৰণৰ পণ্য প্ৰস্তুত কৰি গ্ৰাহকক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে । সেইবাবেই মই ৰত্নচাৰীৰ বাবে এক প্ৰতিযোগিতাৰ সৃষ্টি কৰি তেওঁক উচ্চ মানৰ মিঠাই প্ৰস্তুত কৰিবলৈ বাধ্য কৰিলো ।'' মনমোহন এইদৰে কৈ মিঠাইত কামোৰ এটা মাৰিলে ।



অহংকাৰ

বহু দিনৰ আগতে কুমুদ নামৰ এজন ঋষিয়ে ভগৱান বিষ্ণুৰ দৰ্শন পোৱাৰ মানসেৰে কঠোৰ তপস্যা কৰিছিল। কিছুদিনৰ পিছত তেওঁৰ সন্মুখত লক্ষ্মীদেৱীক লগত লৈ বিষ্ণুৰ আৱিৰ্ভাৱ হ'ল। কুমুদক ভগৱান বিষ্ণুৱে কলে, ''তোমাক কি বৰ লাগে কোৱা।''

কুমুদে কিবা বৰ পোৱাৰ আশাৰে তপস্যা কৰা নাছিল। তেওঁৰ তপস্যাৰ উদ্দেশ্য আছিল ভগৱান বিষ্ণুৰ দৰিশন লাভ কৰা।

সেইবাবে ভগৱানে তেওঁক বৰ মাগিবলৈ কোৱাত তেওঁ ভেবা-চেকা খাই বহি ৰ'ল।

লক্ষ্মীদেৱীয়ে কুমুদৰ মনৰ কথা গম পাই কলে, ''বৎস, আমি তোমাৰ ভক্তিৰ প্ৰশংসা কৰো। এতিয়া তুমি বৰ মাগিব নালাগে। আমি এমাহৰ পিছত তোমাক পুণৰ দৰ্শন দিম। এইখিনি সময়তে তুমি সিদ্ধান্ত লব পাৰিবা যে তোমাক কি বৰ লাগে। তোমাৰ যি ইচ্ছা তাকেই বিচাৰিব পাৰিবা।''

লক্ষ্মীদেৱীয়ে এইদৰে কোৱাত কুমুদে স্বস্তিৰ নিশ্বাস পেলালে। পিছ মুহূৰ্তত ভগৱান বিষ্ণু আৰু লক্ষ্মী দেৱী অন্তৰ্ধ্যান হৈ পৰিল।

তপস্যা সফল হোৱাত কুমুদ বৰ সুখী হ'ল। নিজৰ আশ্ৰমত উপস্থিত হৈ তেওঁ এই সুখবৰ সকলো শিষ্যৰে আগত বৰ্ণনা কৰিলে।

গুৰুৰ এনে আমোঘ তপো-শক্তি দেখি শিষ্যসকল গৰ্বিত হৈ উঠিল। সাক্ষাৎ

মধুৰা শ্ৰী



ভগৱান বিষ্ণুৱে বৰ দিয়াতো লব নোখোজা ত্যাগী কুমুদৰ মহিমা সহস্ৰজনৰ মুখে মুখে বাগৰি পৰিল । এই চৌধলোকত তেওঁৰ দৰে ত্যাগী, মহাত্মা, মহাভক্ত, অনাসক্ত যোগী কতো নাই বুলি প্ৰচাৰ হবলৈ ধৰিলে । এই প্ৰশংসাৰ ফলত কুমুদৰ মনত অহংকাৰৰ সৃষ্টি হ'ল । তেওঁ ভাৰিবলৈ ধৰিলে যে তেওঁতকৈ শ্ৰেষ্ঠ মহৰ্ষি আৰু কোনো নাই ।

কেইদিনমানৰ পিছত গুৰু কুমুদে শিষ্যসকলক লগত লৈ গংগা নদীত স্নান কৰিবলৈ গ'ল । নদীত স্নান কৰাৰ সময়ত তেওঁ ৰেৱত নামৰ এজন মহৰ্ষি দেখা পালে । তেওঁৰ লগত তেওঁৰ পত্নী আৰু সন্তান দেখি কুমুদৰ শিষ্যসকলৰ তেওঁৰ ঋষিত্বৰ ওপৰত সন্দেহ হ'ল । তেওঁলোকে সংশয় নিবাৰণৰ বাবে গুৰুক সুধিলে। তেতিয়া কুমুদে কলে, ‘‘মই এইকথা বুজি পোৱা নাই যে ৰেৱতৰ ঋষি হোৱাৰ কি যোগ্যতা আছে। সকলো ত্যাগ কৰি কন্দ-মূল ভক্ষণ কৰি অৰণ্যৰ মাজত ঘোৰ তপস্যা কৰাসকলৰ বাবেও দেৱ দৰ্শন দূৰ্লভ।’’

এইদৰে কলে যদিও নিজৰ উত্তৰত তেওঁ নিজেই সন্তুষ্ট হব নোৱাৰিলে । তেওঁ চিন্তা কৰিলে যে অলপদিনৰ পিছত তেওঁ মহাবিষ্ণুৰ দৰ্শন লাভ কৰাৰ কথা । তেওঁকেই সুধি সংশয় নিবৃতি কৰিব পৰা যাব ।

এমাহৰ পিছত ভগৱান বিষ্ণু আৰু লক্ষ্মীদেৱীয়ে ঋষি কুমুদক পুণৰ দৰ্শন দিলে । কুমুদে বৰৰ কথা পাহৰিয়েই গ'ল । তেওঁৰ ৰেৱতৰ সম্বন্ধে উদয় হোৱা সংশয় নিবাৰণৰ বাবে বিষ্ণুক প্ৰাৰ্থনা কৰিলে ।

এইকথা শুনি বিষ্ণুৱে হাঁহি মাৰি কলে, ‘‘কুমুদ, মোৰ বাবে ভক্তিয়েই আঁচল কথা । মন নিৰ্মল নহলে সন্যাস লৈও একো লাভ নাই । যদি ইয়াৰ পিছতো তুমি এই সংশয় দূৰ কৰিব বিচাৰিছা, তেন্তে শ্ৰীলয়ৰ ওচৰত থকা স্বৰ্ণবিহাৰলৈ যোৱা । তাত তুমি সুধৰ্ম নামৰ এজন লোক লগ পাবা । তেৱেঁই তোমাৰ সংশয় নিবাৰণ কৰিব পাৰিব ।’’ এইবুলি কৈ

ভগৱান বিষ্ণু অদৃশ্য হৈ পৰিল। কুমুদে ভগৱান বিষ্ণুৰ কথামতেই লগে লগে সকলো শিষ্যক লগত লৈ শ্ৰীলয় অভিমুখে ৰাওনা হ'ল। কিছুদিন ধৰি যাত্ৰা কৰাৰ পিছত তেওঁলোক গৈ তাত উপস্থিত হ'ল। এদিন তেওঁ শিষ্যসকলক লগত লৈ পাতাল-গংগা নদীত স্নান কৰিবলৈ গ'ল। তাত স্নান কৰি থাকোতেই এটা বিশাল ঘঁৰিয়ালে আহি কুমুদৰ ভৰিত কামোৰ মাৰি ধৰিলে।

গুৰুক ঘঁৰিয়ালে কামোৰা দেখি সকলো শিষ্যই চিঞৰিবলৈ ধৰিলে। কুমুদে ঘঁৰিয়ালটোক তীব্ৰ দৃষ্টিৰে চালে। লগে লগে কুমুদৰ তপো-শক্তিৰ বাবে ঘঁৰিয়ালটো মৃত্যু মুখত পৰিল। নিজৰ শক্তি দেখি কুমুদৰ অহংকাৰ আৰু বৃদ্ধি পালে।

দুদিনমানৰ পিছত, কুমুদ গৈ স্বৰ্ণবিহাৰ পালেগৈ। তেওঁ যোৱাৰ সময়ত সুধৰ্ম ঘৰত নাছিল আৰু সুধৰ্মৰ পত্নীয়ে ঘৰৰ বাৰান্দাত বহি কাপোৰ এখন চিলাই কৰি আছিল। কুমুদক দেখি তেওঁ কলে, ''মোৰ পতিদেৱ আহি নোপোৱালৈকে আপুনি বাহিৰৰ ধাৰিখনতে বহক।''

তেওঁৰ দৰে ঋষিৰ যথাযোগ্য সৎকাৰ নোহোৱাত কুমুদৰ বৰ খং উঠিল। তেওঁ সুধৰ্মৰ পত্নীৰ ফালে তীব্ৰ দৃষ্টিৰে চালে। কিন্তু তথাপিও তেওঁৰ একো নহ'ল। ঘঁৰিয়ালৰ দৰে তেওঁ চটফটাই মৃত্যুমুখত নপৰিল।

এই কাৰণৰ বাবে কুমুদৰ তপো-শক্তিৰ অলপমান বিনাশ হ'ল। তেনেতে সুধৰ্ম আহি ওলাল। তেওঁ কুমুদক ভিতৰলৈ লৈ গ'ল। সুধৰ্মৰ পত্নীয়ে কিবা কিবি ৰান্ধি তেওঁলোকক ভোজন কৰিবলৈ দিলে।

কুমুদে দুৱাৰৰ কাষতে বহিছিল। তেওঁলোকক খাবলৈ দিয়া সকলো আঞ্জাই ঠাণ্ডা আছিল। কুমুদৰ বৰ খং উঠিল। তেওঁ পৰিহাস কৰি কলে, ''সকলো আঞ্জাই বেছ গৰম হৈ আছে।''

সুধৰ্মই বুজিলে যে কুমুদে পৰিহাস কৰিছে। সুধৰ্মই কলে, ''ঋষিবৰ, আপুনি

মোক কোৱা নাই কিয় ? মই আপোনাক বিচনীৰে বিচি থাকিম।'' এইবুলি তেওঁ বিচনী লৈ বিচিবলৈ লাগিল।

অলপ পৰৰ পিছতে সকলো আঞ্জা যেন কিবা যাদুৰ বলত গৰম হৈ পৰিল আৰু তাৰ পৰা ধোঁৱা ওলাবলৈ ধৰিলে। ঘটনা দেখি কুমুদ বৰ আঁচৰিত হ'ল।

ভোজন সমাপ্ত কৰি কুমুদে হাত ধুবৰ বাবে কুৱাৰ পাৰলৈ গৈ এক বিচিত্ৰ দৃশ্য দেখিলে। কুঁৱাৰ কপিকলত আধা ভৰা বাল্টি আধা টনা ৰচীত নিজে নিজে ওলমি আছিল।

''পানী তুলিবলৈ ৰচী আধা টনাৰ সময়তে তেওঁ মোক মতাত মই এনেদৰে এৰি থৈ গুচি যাব লগীয়া হ'ল।'' সুধৰ্মৰ পত্নীয়ে কলে।

তাতোকৈ আৰু একো দেখা বা জনাৰ প্ৰয়োজন কুমুদৰ নাছিল। তেওঁ নিজকে বৰ মহান বুলি ভাৱি থকাৰ বাবে লজ্জিত অনুভৱ কৰিলে।

তেওঁ হাতযোৰ কৰি সুধৰ্মক সুধিলে, ''সুধৰ্ম, আপুনি এজন মহাত্মা। যি সকলো পৰিত্যাগ কৰাৰ পিছত তপস্যা নকৰে, তেনে লোকে মোক্ষ লাভ কৰিব পাৰেনে ?''

উত্তৰত সুধৰ্মই কলে, ''কুমুদ, নিৰ্মল মনেৰে ভগৱানক যিয়েই প্ৰাৰ্থনা নকৰক কিয়, তেৱেঁই মুক্তি লাভ কৰাৰ যোগ্য। জংঘলৰ মাজত থাকি কন্দ-মূল ভক্ষণ কৰি থাকিও নিৰ্মল মনৰ অধিকাৰী নোহোৱা অহংকাৰী তপস্বীৰ বাবে মোক্ষৰ লাভৰ দুৱাৰ খোলা নাথাকে।''

এইদৰে কুমুদৰ সংশয় সম্পূৰ্ণ নাইকীয়া হৈ গ'ল আৰু লগতে তেওঁৰ মনৰ পৰা সকলো অহংকাৰ নাশ হৈ পৰিল। তাৰপিছত তেওঁ নিৰ্মল মনেৰে ভগৱানৰ তপস্যা কৰি মুক্তি লাভ কৰিলে।





ঘৰ–সংসাৰ

বহুদিনৰ আগতে এখন গাৱত গোপীচন্দ নামৰ এজন লোকে বাস কৰিছিল। তেওঁৰ পত্নীৰ নাম আছিল চেতনা। তেওঁৰ চাৰিটা পুত্ৰ সন্তান আছিল। চাৰিওটা সন্তানৰে বিবাহ ইতিমধ্যেই হৈ গৈছিল। ঘৰত চাৰিওটাৰে বোৱাৰীয়ে বাস কৰিছিল।

চেতনা ঘৰ-পৰিয়াল চলোৱাত বৰ চতুৰ আছিল। কিন্তু এই কথা লৈ তেওঁৰ চিন্তা হবলৈ ধৰিলে যে তেওঁৰ পৰা কোনজনী বোৱাৰীয়ে ঘৰ চলোৱাৰ দ্বায়িত্ব চমজি লব পাৰিব।

পত্নীক এইদৰে চিন্তিত হোৱা দেখি গোপীচন্দে চাৰিওজনী বোৱাৰীৰ পৰীক্ষা লবলৈ সিদ্ধান্ত ললে। তেওঁ প্ৰত্যেক বোৱাৰীকে এজনী এজনীকৈ মাতি গাইপতি পাঁচটাকৈ ঘেহুঁৰ দানা দিলে। তেওঁ সেই দানাবিলাক ভালদৰে ৰাখিবলৈ কলে আৰু তেওঁ যেতিয়ালৈকে ঘূৰাই নিবিচাৰে তেতিয়ালৈকে সেইবিলাক তেওঁলোকক ৰাখি থবলৈ কলে। ডাঙৰ জনী বোৱাৰী সুষমাই চিন্তা কৰিলে, ঘৰত সকলো সময়তে ঘেহু থাকেই। গতিকে শশুৰে যেতিয়া বিচাৰে তেতিয়াই পাঁচটা ঘেঁহুৰ দানা দিয়াটো টান কাম নহব। গতিকে সেই পাঁচটা দানাক সুৰক্ষিত কৰি ৰখাৰ কি দৰকাৰ। এই ভাৱি তেওঁ শহুৰ গোপীচন্দে দিয়া ঘেঁহুৰ পাঁচটা দানা পেলাই দিলে।

দ্বিতীয় জনী বোৱাৰীয়েক ভোগৱতীয়ে সুষমাই ভৱাৰ দৰেই ভাৱিলে। কিন্তু তেওঁ ঘেঁহুৰ দানা কেইটা পেলাই নিদি খাই পেলালে।

তৃতীয়জনী বোৱাৰী ৰক্ষিকাই শহুৰেকে দিয়া ঘেঁহুৰ দানাকেইটা এটা টেমাৰ ভিতৰত ভৰাই সেই টেমা ভালদৰে চন্দুকৰ ভিতৰত সুৰক্ষিতকৈ ৰাখিলে।

পি ভি আৰ মূৰ্ত্তী

চতুৰ্থজনী বোৱাৰী শৌহিনীয়ে ভাৱিলে, ‘কি জানি শহুৰে এই ঘেঁহুৰ দানা কেতিয়া বিচাৰিব। ঘেঁহুক কেৱল দুটা কামৰ বাবে ভালকৈ ৰখা হয়। এটা হ’ল খোৱাৰ বাবে আৰু আনটো হ’ল বীজৰ বাবে। কিন্তু পাঁচটা দানা খোৱাৰ বাবে যথেষ্ট নহয়। গতিকে ভালকৈ ৰখাৰ অৰ্থ হ’ল যে সেইকেইটা বীজ হিচাপে ব্যৱহাৰ কৰা।’ এই ভাৱি তেওঁ সেইকেইটা বীজ হিচাপে ব্যৱহাৰ কৰিবলৈ ভায়েকক দি দিলে।

শৌহিনীৰ ভায়েকে সেই পাঁচটা দানা বীজ হিচাপে ব্যৱহাৰ কৰাৰ ফলত পাঁচজোপা ঘেঁহুৰ গছ গজিল। পুৰঠ হোৱাৰ পিছত তাক কটা হ’ল। পিছৰ বছৰ শহুৰেকে ঘেহু নিবিচৰাত ঘেঁহুৰ পাঁচটা দানাৰ পৰা উৎপাদিত সকলো ঘেঁহুৰ দানা শৌহিনীয়ে ভায়েকক বীজ হিচাপে ব্যৱহাৰ কৰিবলৈ কলে। এইদৰে পাচ বছৰ পাৰ হৈ গ’ল।

“মই এতিয়া বুঢ়ী হলো। ঘৰ-সংসাৰ চলাবলৈ মোৰ আৰু শক্তি নোহোৱা হৈছে। আপুনি কৈছিল যে কোনজনী বোৱাৰীক কাম-কাজৰ ভাৰ দিয়া ভাল হব সেই কথা আপুনি ভাৱি-চিন্তি কব। তাৰপিছতো এতিয়া পাঁচবছৰ হ’ল। অন্তত এতিয়াটো কওক আপুনি কি সিদ্ধান্ত ললে।” চেতনাই পতিক কলে।

তেতিয়া গোপীচন্দে গোটেই কেইজনী বোৱাৰীয়েকক মাতি ঘেঁহুৰ দানা ঘূৰাই দিবলৈ কলে। সুষমা আৰু ভোগৱতীয়ে ৰান্ধনি ঘৰলৈ গৈ পাঁচটাকৈ ঘেঁহুৰ দানা আনি দি দিলে। তৃতীয় বোৱাৰী ৰক্ষিকাই নিজৰ চন্দুকৰ পৰা টেমাটো উলিয়াই আনিলে। তাৰপিছত তেওঁ তাৰ পৰা ঘেঁহুৰ পাঁচটা দানা উলিয়াই আনি শশুৰেকক দিলে। সেইকেইটা ইতিমধ্যেই ক’লা হৈ পৰিছিল।

গোপীচন্দে সেইকেইটা দেখি সুষমা আৰু ভোগৱতীক সুধিলে, “এইকেইটা কি মই দিয়া ঘেঁহু আছিল ? কিয়নো ৰক্ষিকাই দিয়া কেইটা তোমালোকৰ কেইটাতকৈ বেলেগ। সঁচা কথা কোৱা। মোৰ এনে লাগিছে যে তোমালোকে দিয়া ঘেঁহু মই দিয়াকেইটাৰ লগত একে নহয়।” শশুৰেকৰ কথাত সিঁহতে স্বীকাৰ কৰিলে যে সিঁহতে দিয়া সোণালী বৰণৰ ঘেঁহুকেইটা শহুৰেকে দিয়া ঘেঁহু নাছিল।

তাৰপিছত গোপীচন্দে চতুৰ্থজনী

বোৱাৰীয়েকক সুধিলে, ''মই তোমাক দিয়া ঘেঁহুৰ পাঁচটা দানা ক'ত ?''

''মই সেইকেইটা ভাইলৈ পঠিয়াই দিছিলো। আনিবলৈ অলপ সময় দিয়ক। মই সেইকেইটা অনাৰ ব্যৱস্থা কৰিম।'' শৌহিনীয়ে কলে। গোপীচন্দ মান্তি হ'ল।

দুদিন পাৰ হ'ল কি নহ'ল। শৌহিনীৰ ভায়েকৰ ঘৰৰ পৰা পঞ্চাশ গাড়ী ঘেঁহু আহিল। গাড়ীৰ সংখ্যা আৰু ঘেঁহুৰ পৰিমাণ দেখি সকলো অবাক হ'ল। পাচ বছৰৰ আগতে দিয়া ঘেঁহুৰ পাচটা দানা সুৰক্ষিতকৈ ৰখাৰ পিছত সিবিলাকৰ পৰা পঞ্চাশ গাড়ী ঘেঁহুৰ উৎপাদন সম্ভৱ হ'ল।

তাকে দেখি গোপীচন্দে পত্নী চেতনাক কলে, ''তুমি এতিয়া ঘৰ চলোৱাৰ কাম নিসংশয়ে সৰু বোৱাৰীক গতাই দিব পাৰা। কোন বস্তু কেনেকৈ ৰাখিব লাগে, তেওঁৰ ভাল জ্ঞান আছে।''

''তেতিয়া হলে তুমি বাকী তিনিজনী বোৱাৰীৰ কথা কি ভাৱিছা?'' পত্নীয়ে সুধিলে।

''অলাগতিয়াল বস্তু পেলাই দিয়াটো সুষমাৰ স্বভাৱ। গতিকে সকলো অলাগতিয়াল বস্তুৰ পৰা ঘৰখনৰ ৰক্ষা কৰি চাফ-চিকুন কৰি ৰখাৰ দায়িত্ব তাইক দিয়া ভাল হব।

ভোগৱতীৰ গুণ এই যে তেওঁ যি বস্তুৱেই হাতত পায় তাৰে মজা লব বিচাৰে। গতিকে ৰান্ধনীশালৰ দ্বায়িত্ব তাই হাতত গতাই দিব পাৰা।

ৰক্ষিকাই সকলো বস্তু সুৰক্ষিত কৰি ৰাখিবলৈ ভাল পায়। গতিকে ঘৰৰ ভঁৰালৰ চাবি তুমি তাইৰ হাতত অৰ্পন কৰিব পাৰা।

এইদৰে কাম-কাজ ভালদৰে ভগাই দিলে, ঘৰ-পৰিয়াল সুন্দৰ ভাৱে চালি থাকিব বুলি মোৰ বিশ্বাস।''

গিৰিয়েকৰ এই পৰামৰ্শ চেতনাই বৰ ভাল পালে। তেওঁ সেইদৰেই ঘৰৰ সকলো কাম ভাগ কৰি দিলে। নিজে ঘৰুৱা কামৰ পৰা অব্যাহতি লৈ হৰি নাম লবলৈ লাগিল। জীৱনৰ বাকী থকা দিন কেইটা কোনো অশান্তি নোহোৱাকৈ পাৰ কৰি দিলে।



পৰাজিত

অৱন্তী দেশত হেমচন্দ্ৰ নামৰ এজন কবি আছিল। তেওঁ ইতিহাস প্ৰসিদ্ধ কালিদাসৰ বিষয়ে ভালকৈয়ে শুনিছিল। তেওঁ এই কথাও জানিছিল যে ৰজা ভোজৰ ৰাজসভাত কালিদাসে কিমান আদৰ লাভ কৰিছিল। হেমচন্দ্ৰই কালিদাসক পৰাভূত কৰি ৰজা ভোজৰ ৰাজসভাত স্থান লাভ কৰাৰ কথা চিন্তা কৰিলে।

সেই উদ্দেশ্যে তেওঁ কিছুমান চাকৰ-বাকৰ লগত লৈ দোলাত উঠি ৰজা ভোজৰ নগৰলৈ গ'ল আৰু তাতে এক ধৰ্মশালাত থাকিবলৈ ললে। কালিদাসেও এই কথা জানিব পাৰিলে যে হেমচন্দ্ৰ নামৰ এজন কবিয়ে তেওঁক হৰুৱাই তেওঁৰ পদ লব বিচাৰিছে আৰু আহি অৱন্তী ৰাজ্যত থিতাপি লৈছেহি।

কবি হেমচন্দ্ৰ কিমাননো প্ৰতিভাশালী তাৰ উমান লবৰ মনেৰে তেওঁ এজন দোলাভাৰীৰ ভাও ধৰি কবিৰ দোলাভাৰীক লগ ধৰিলেগৈ। অলপ সময়ৰ পিছত কবি হেমচন্দ্ৰ বাহিৰলৈ আহি সকলো দোলাভাৰীক মাতিলে। সকলোৰে লগত কালিদাসো আহিল।

হেমচন্দ্ৰই দোলাত বহাৰ পিছত সকলো দোলাভাৰীয়ে দোলা তুলি লৈ যাবলৈ ধৰিলে। আগফালৰ দোলাভাৰীৰ মাজৰ এজন আছিল কালিদাস।

দোলা গৈ আছিল। দোলা লোৱাৰ অভ্যাস কালিদাসৰ নাছিল। গতিকে তেওঁ অলপ সময়ৰ মূৰে মূৰে দোলা এখন কান্ধৰ পৰা আনখন কান্ধলৈ সলাই থাকিল। তাকে দেখি হেমচন্দ্ৰই সুধিলে-

"অয় মাণ্ডলিকা দণ্ডঃ স্কন্ধ কি তব বাধতি"

(দোলাৰ মাৰিডালৰ বাবে কি তোৰ কান্ধত বিষ হৈছে?)

আৰ বিশ্বেশ্বৰ শাস্ত্ৰী

হেমচন্দ্ৰৰ প্ৰশ্নৰ ব্যাকৰণ শুদ্ধ নাছিল। 'বাধতে'ৰ ঠাইত তেওঁ 'বাধতি' বুলি কলে। তাক শুনি কালিদাসৰ বৰ খং উঠিল। তেওঁৰ উত্তৰ দিলে-

"ন বাধতে তথা মা হি যথা বাধতি বাধতে।"

(মই ইমান বেছি কষ্ট পোৱা নাই যিমান আপোনাৰ 'বাধতি' প্ৰয়োগৰ পৰা পাইছো।)

'এটা দোলাভাৰী কেনেকৈ ইমান পণ্ডিত হব পাৰে?' এই ভাৱি হেমচন্দ্ৰ আঁচৰিত হ'ল। তেওঁ কালিদাসক সুধিলে, "তই ইমান ভাষাজ্ঞান ক'ৰ পৰা পালি?"

"হুজুৰ, মই কবি কালিদাসৰ দোলাভাৰী আছিলো। তেওঁ যেতিয়া শিষ্যক ভাষা জ্ঞান দিছিল, সেইবিলাক কথা মোৰ কাণত পৰিছিল। মই যি জানো সেই জ্ঞান তেনেকৈয়ে লাভ কৰা। নহলে মই ভাষা জ্ঞান ক'ৰ পৰা লাভ কৰিব পাৰিম।" কালিদাসে হেমচন্দ্ৰক কলে।

'কালিদাসৰ দোলাভাৰীয়েই ইমান পণ্ডিত যেতিয়া, স্বয়ং কালিদাসৰ জ্ঞান কিমান বেছি হব পাৰে?' এই ভাৱি হেমচন্দ্ৰই নিজেই কালিদাসক লগ পাবলৈ গ'ল। হেমচন্দ্ৰ তেওঁৰ ঘৰলৈ অহাৰ কথা গম পাই কালিদাসে এটা চাকৰৰ ভেশ ধৰি দুৱাৰমুখত থিয় দি থাকিল।

হেমচন্দ্ৰই কালিদাসৰ ঘৰৰ মুখত উপস্থিত হৈ চাকৰটোক সুধিলে- "কালিদাস ঘৰত আছেনে?"

চাকৰৰূপী কালিদাসে উত্তৰ দিলে-

"নখলীন খলীন লীলয়া
তময় ক্ৰত্ৰময় শ্ৰৱহঃ
নিৰগা দুৰগাৰিৰহংসা
পুৰ গাৰুত্মত গোপুৰা দৃবহিঃ"

(নতুন ঘোঁৰাত পিঠিত উঠি, হাতেৰে লেকাম ধৰি, লেকাম টানি, তাৰপিছত ধিলা কৰি, গৰুড় পক্ষীৰ বেগেৰে তেওঁ নগৰৰ দুৱাৰেদি বাহিৰলৈ গৈছে।)

'কালিদাসৰ দুৱাৰৰক্ষী যেতিয়া ইমান কুশল কবি হব পাৰে, মই কালিদাসৰ লগত প্ৰতিযোগিতা কৰি কেনেকৈ জিকিব পাৰিম?' এই কথা ভাৱি কবি হেমচন্দ্ৰই সেইদিনাই অৱন্তী নগৰৰ পৰা উভতি গুচি গ'ল।



যেতিয়া সৌভাগ্যই লগ দিয়ে

কৌশল দেশত তিনিজন বন্ধুৱে বাস কৰিছিল। তেওঁলোকৰ ভিতৰত দুজন- নন্দ আৰু সুনন্দ বৰ ধনী আছিল আৰু আনহাতে তৃতীয়জন আনন্দ একেবাৰে দুখীয়া আছিল। তেওঁ ৰচী বাটি জীৱন নিৰ্বাহ কৰিছিল। তাকে দেখি নন্দ আৰু সুনন্দই যিকোনো প্ৰকাৰে আনন্দক ধনী কৰি তুলিবলৈ সিদ্ধান্ত ললে।

"যদি কাৰোবাৰ ওচৰত অলপমানো জমা ধন থাকে, তেন্তে তেওঁ ধনী হৈ উঠিব পাৰে। গতিকে আমি আনন্দক অলপমান টকা-পইছা দিয়াটো ভাল হব।" নন্দই কলে।

"কিমান ধনী লোক দুখীয়া হৈ পৰিছে। যদি ভাগ্যই লগ দিয়ে, তেন্তে পুঁজিৰ অবিহনেও লোক ধনী হৈ উঠিব পাৰে।" সুনন্দই নিজৰ বিচাৰ ব্যক্ত কৰিলে।

নন্দই তেওঁ কোৱা কথা যে সঁচা তাক প্ৰমাণ কৰিবলৈ, পিছদিনাখনেই আনন্দক এশ মোহৰ দিলে। আনন্দক তেওঁ সেই পুঁজিৰ ব্যৱহাৰ কৰি ধন ঘটিবলৈ পৰামৰ্শ দিলে। আনন্দই তাৰ পৰা দহটা মোহৰ খৰচ কৰিবলৈ উলিয়াই ললে আৰু বাকী নৱৈটা মোহৰ পাগুৰীত বান্ধি বজাৰলৈ ৰাওনা হ'ল। তেওঁৰেই দুৰ্ভাগ্য, পথত এজনী চিলনীয়ে আনন্দৰ পাগুৰীত কিবা লাগি থকা দেখা পাই পাগুৰীটোকেই লৈ উৰি গুচি গ'ল। এইদৰে তেওঁ নবৈটা মোহৰ হেৰুৱাই পেলালে।

কিছুদিনৰ পিছত নন্দ আৰু সুনন্দ দুয়ো আনন্দৰ ঘৰলৈ বুলি আহিল। তেওঁলোকে আনন্দৰ আৰ্থিক পৰিস্থিতিৰ কোনো পৰিৱৰ্তন নেদেখি তাৰ কাৰণ সুধিলে।

বি শিৱনাৰায়ণ

“মোৰ ভাগ্য ভাল নাছিল। মই মোহৰকেইটা মোৰ পাগুৰীত বান্ধি থৈছিলো। কিন্তু এজনী চিলনীয়ে মোৰ পাগুৰীটোকে উৰুৱাই লৈ গুচি গ’ল।” আনন্দই দুখ কৰি কলে।

তাৰ কথাত সুনন্দৰ বিশ্বাস উপজিল। কিন্তু নন্দই আনন্দৰ কথা বিশ্বাস কৰিব নোৱাৰিলে। তেওঁৰ মনত সন্দেহ হ’ল যে আনন্দই মোহৰবিলাক হয়তো কৰবাত অবাবতে খৰচ কৰি পেলালে। কিন্তু তাৰ পিছতো নন্দই তেওঁক আৰু দুশ মোহৰ দি কলে, “ঠিক আছে, যি হ’ল সেয়া পাহৰি যোৱা। এইবাৰ এই দুশ মোহৰ খটুৱাই ধন উপাৰ্জন কৰিবলৈ যত্ন কৰা।”

আনন্দই তাৰে যিমান মোহৰ নিজৰ কামৰ বাবে প্ৰয়োজন আছিল তাক উলিয়াই লৈ বাকী মোহৰ তুঁহ থোৱা খৰাহীটোত ভালদৰে লুকুৱাই থলে। তেওঁ প্ৰয়োজনীয় বস্তু কিনিবৰ বাবে বজাৰলৈ ৰাওনা হ’ল। তেওঁ বজাৰৰ পৰা ঘৰলৈ ঘূৰি আহি যেতিয়া তুঁহৰ খৰাহীটো দেখা নাপালে, পত্নীক সেইবিষয়ে সুধিলে।

“নিমখ বেচিবলৈ বেপাৰী আহিছিল। মই সেইখৰাহী তুঁহ দি দুই সেৰ নিমখ কিনি ললো।” আনন্দৰ পত্নীয়ে কলে। পুণৰ মোহৰখিনি হেৰুৱাই আনন্দে মনতে বৰ দুখ পালে।

কিছুদিনৰ পিছত নন্দ আৰু সুনন্দ আকৌ আনন্দৰ ঘৰলৈ আহিল। আনন্দই

তেওঁলোকক ঘটনাটো বিৱৰি কলে। এইবাৰ আনন্দক আগতকৈও বেছি দুখীয়া দেখা গ’ল। তেওঁ পিন্ধি থকা কাপোৰ ফাটি চিৰা-চিৰ হৈ গৈছিল। কাৰণ সোধাত তেওঁ কলে যে ঘৰত কাপোৰ চিলাবলৈ বেজী নাই।

সুনন্দই সেইদিনাই বজাৰৰ পৰা কাপোৰ চিলোৱা বেজী কেইটামান কিনি আনিছিল। তাৰে এটা তেওঁ আনন্দকদিলে। তেওঁ কলে, “ঠিক আছে, এইটো বেজী মই তোমাক দিছো। তোমাৰ পত্নীৰ হতুৱাই ফটা কাপোৰ চিলোৱাই লবা।” তাৰ পিছত নন্দ আৰু সুনন্দই তাৰ পৰা প্ৰস্থান কৰিলে।

সেইদিনাই গধুলি চুবুৰীয়া মাছমৰীয়াৰ পত্নী আনন্দৰ ঘৰলৈ আহি তেওঁৰ পত্নীক সুধিলে, “বাইদেউ, তোমাৰ ওচৰত বেজী

এটা পাম নেকি ? অহাকালি পুৱাই আমাৰ গিৰিহত মাছ মাৰিবলৈ যাব। জালখন অলপ ফাটি আছে। তাকে চিলাবলৈ লাগে। জালত লগা প্ৰথম মাছটো মই তোমালৈ দি পঠাম বাৰু।''

আনন্দৰ পত্নীয়ে মাছমৰীয়াৰ পত্নীক বেজীটো দি দিলে।

পিছদিনা মাছমৰীয়া মাছ মাৰি অহাৰ পিছত মাছমৰীয়াৰ পত্নীয়ে এটা ডাঙৰ মাছ তেওঁৰ পুত্ৰৰ হাতত আনন্দৰ ঘৰলৈ দি পঠালে। যেতিয়া আনন্দৰ পত্নীয়ে মাছটো কাটিবলৈ ধৰিলে, তেতিয়া তেওঁ মাছটোৰ পেটত কাঁচৰ দৰে এটা বস্তু দেখা পালে। সেই কাঁচ টুকুৰা লৈ যেতিয়া আনন্দৰ সন্তানে খেলি থকা এজন ৰত্নৰ বেপাৰীয়ে দেখা পালে, তেওঁ আনন্দক লগ ধৰি কলে, ''আনন্দ, তুমি যদি মোক সেই কাঁচৰ টুকুৰাটো বেচি দিয়া, মই তোমাক সেইটোৰ বাবদ এশ মোহৰ দিম।''

লগে লগে আনন্দৰ মনত এই ভাৱ খেলাল যে সেই কাঁচৰ টুকুৰাটোৰ মূল্য হয়তো বহু বেচি হব। গতিকে তেওঁ ৰত্নৰ বেপাৰীক সেইটো নেবেচো বুলি কলে। সেইদিনাই তেওঁ সেইটো লৈ চহৰলৈ গ'ল আৰু তাত এজন ৰত্নৰ বেপাৰীক দেখুৱালে।

সেইটো আঁচলতে এটা বৰ মূল্যৱান ৰত্ন আছিল। সেইটো আনন্দৰ পৰা এজন বৰ ডাঙৰ ৰত্নৰ বেপাৰীয়ে বিশহেজাৰ মোহৰ দি কিনি ললে।

সেই ধনেৰে আনন্দই ঘৰ-বাৰী, বয়-বস্তু সকলো ক্ৰয় কৰিলে। তেওঁ ৰচী বাটিবৰ বাবে কাঠেৰে এটা যন্ত্ৰ তৈয়াৰ কৰিলে আৰু

ব্যৱসায় ডাঙৰকৈ আৰম্ভ কৰি দিলে। খুব কম সময়ৰ ভিতৰতে তেওঁ এজন ধনী লোক হৈ পৰিল।

যেতিয়া নন্দ আৰু সুনন্দই তেওঁলোকৰ বন্ধু আনন্দ ধনী হোৱা বুলি খবৰ পালে, তেতিয়া তেওঁলোকে আনন্দক লগ ধৰিবলৈ আহিল।

"তুমি মই দিয়া মোহৰ খটুৱাই ধনী হোৱা নাই জানো?" নন্দই সুধিলে।

আনন্দই গোটেই কাহিনীটো আৰম্ভণিৰ পৰা বিৱৰি কলে।

"চোৱা, মই নকৈছিলোনে যে ভাগ্যই যেতিয়া সংগ দিয়ে, তেতিয়া এটা সাধাৰণ বেজীৰ পৰাই কোনো লোক ধনী হৈ উঠিব পাৰে।" সুনন্দই কলে।

এইবাৰ এই কথা নন্দই বিশ্বাস কৰিব নোৱাৰিলে। তেওঁ ভাৱিলে যে নন্দই তেওঁ দিয়া পুঁজি ব্যৱহাৰ কৰিয়েই ধনী হৈ উঠিছে আৰু সেই কথা লুকুৱাব বিচাৰিছে। আনন্দ ধনী হৈ উঠাৰ বাবে তেওঁৰ বন্ধু নন্দ আৰু সুনন্দ বৰ সুখী হ'ল। তেওঁলোকে আনন্দৰ বাৰী চাবলৈ বুলি ঘৰৰ পিছফালে গ'ল। বাৰীত এজোপা গছৰ ওপৰৰ পৰা চৰাইৰ বাঁহ এটা মুখৰ আগতে সৰি পৰিল। সেই চৰাইৰ বাঁহটোতে আনন্দই তেওঁ হেৰুৱা পাগুৰিটো ঘূৰাই পালে। সেই পাগুৰিটোৰ এমূৰত নৱৈটা মোহৰ বন্ধা আছিল।

বাৰীৰ পৰা ঘূৰি আহি আগফালৰ চোতাল পাওতেই দেখিলে এটা চাকৰে এখৰাহী তুঁহ কিনি আনিছে। যেতিয়া সেই খৰাহী তুঁহ মাটিত বাকি দিলে, তাৰ মাজৰ পৰা এশ নৱৈটা মোহৰ ওলাই পৰিল। সেইকেইটাও আনন্দই হেৰুওৱা মোহৰেই আছিল।

"যেতিয়া ভাল দিন আহে, এটা বেজীয়েই সৌভাগ্যৰ কাৰণ হৈ উঠিব পাৰে।" নন্দই ঘটনা দেখি সুনন্দৰ কথাত সহমত প্ৰকাশ কৰিলে।

কৃষকেই হ'ল ৰজা

দেউতাকৰ পৰা উত্তৰাধীকাৰী সূত্ৰে লাভ কৰা দহ একৰ মাটিত কালীচৰণে খেতি কৰা জাৰী ৰাখিলে। তেওঁৰ সন্তান কেইটাই তেওঁক চহৰত মাটি কিনি ঘৰ সাজিবলৈ কুটুৰি আছিল। সিঁহতৰ চিন্তা আছিল যে চহৰত থাকিলে ভাল শিক্ষা লোৱা সহজ হব। তেওঁৰ পত্নী ৰত্নাইয়ো সিঁহতকে সমৰ্থন কৰিছিল।

নিজে ভাল পোৱা পেশা এটা এৰি দিয়াটো কালীচৰণৰ বাবে সহজ নাছিল। কিন্তু তেওঁ পৰিয়ালৰ বাকীসকলৰ কথাও পেলাব পৰা নাছিল। তেওঁ দোধোৰ-মোধোৰ অৱস্থাত পৰি কোনো সিদ্ধান্ত লব নোৱাৰা হৈছিল। সেয়ে তেওঁ শৈশৱৰ বন্ধু বিনায়কৰ মতামত লোৱাৰ সিদ্ধান্ত ললে।

তেওঁৰ বিশ্বাস আছিল যে যিহেতু বিনায়ক নিজেও এজন খেতিয়ক আছিল, গতিকে তেওঁ এই সমস্যাৰ এটা যুক্তিসংগত সমাধান দিব পাৰিব।

কালীচৰণে এই ভাৱি বিনায়কৰ ওচৰ পালেগৈ। তেওঁ বিনায়কক সুধিলে, ''ক'তা, তোমাৰ ঘৰৰ মানুহ কাকো দেখা নাই যে। কলৈ গ'ল ? সম্পৰ্কীয় মানুহৰ ঘৰলৈ গৈছে নেকি ?''

''মোৰ পৰিয়াল চহৰত আছেগৈ। ল'ৰাছোৱালী কেইটাই চহৰৰ স্কুলত নাম লগাই লৈছে।'' বিনায়কে উত্তৰ দিলে।

''তোমাৰ ল'ৰা-ছোৱালীয়ে চহৰৰ স্কুলত পঢ়ি আছে! কিন্তু তোমাৰ পৰিবাৰ ক'লৈ গ'ল ?'' কালীচৰণে সুধিলে।

''মই তেওঁকো ল'ৰা-ছোৱালীকেইটাৰ লগতে চহৰলৈ পঠিয়াই দিলো। সিঁহতক চাবৰ বাবেও তাত কাৰোবাৰ দৰকাৰ। নহয় জানো ? আজিকালি মই ইয়াত অকলেই থাকো।'' বিনায়কে কলে।

''সেইটো কথা। মই তোমাৰ পৰা

বি ভি পাটনায়ক

পৰামৰ্শ বিচাৰি আহিছিলো। কিন্তু ইয়াত আহি মই সমস্যাৰ সমাধানেই পাই গলো। বাৰু, অকলে খেতি কৰা সম্ভৱনে?'' কালীচৰণে সুধিলে।

হাঁহি এটা মাৰি বিনায়কে সুধিলে, ''তাৰমানে তোমাৰ ল'ৰা-ছোৱালীকেইটাইও চহৰত পঢ়িবলৈ যাবলৈ কুটুৰি আছে। নহয় জানো?''

''হয়, তুমি ঠিকেই ধৰিছা। সিঁহতে মোৰ সমস্যাবিলাক দেখি আছে। মই সময়ত বীজ নাপাও। হাল বাবলৈ বা মাটি ৰুবলৈ মানুহ বিচাৰি নাপাও। গতিকে সিঁহতে খেতিৰ ওপৰত ভাৰসা কৰি থকাতকৈ চাকৰি কৰা বেছি ভাল বুলি ভাৱে। মই আচলতে এই সম্পৰ্কে তোমাৰ লগত পৰামৰ্শ কৰিবলৈ আহিছিলো।'' কালীচৰণে কলে।

''আমি শিক্ষিত হোৱা উচিত, তাত কোনো সন্দেহ নাই। কিন্তু যদি আমি খেতি কৰা বন্ধ কৰি দিও, আমাৰ অস্বিত্ব সংকটৰ সন্মুখীন হব। সেইবাবেই মই ল'ৰা-ছোৱালীকেইটাক চহৰত অধ্যয়ন কৰিবলৈ পঠিয়াই মোৰ খেতিৰ চোৱা-চিতা কৰি আছো।'' বিনায়কে কলে।

তেওঁলোকে এইদৰে কথা পাতি থকাৰ সময়তে বিনায়কৰ চুবুৰীয়া ৰাজাৰাম আৰু কিছুমান খেতিয়ক আহি ওলাল। ''চোৱা বন্ধুসকল, কৃষকৰ জীৱন কঠিনতাৰে ভৰপূৰ। মই যোৱাবছৰ খেতি চপোৱাৰ পিছতে শস্য বিক্ৰী কৰি দিলো যদিও ইমানেই কম টকা পালো যে ধাৰ মাৰিবলৈকে নাটিল।

এইবছৰ মই ভাল দাম পাম বুলি থৈ দিলো, কিন্তু আজিলৈকে ভাল দাম এটা নাপালো।



কোনেও আমাৰ সমস্যাবিলাক লক্ষ্য কৰিব নিবিচাৰে। আমি উৎপাদন কৰা শস্য যিসকলে ভোগ কৰে সেইসকলে আমাৰ সমস্যা সমাধানৰ বাবে কোনো চিন্তা নকৰে। আনকি ৰজাইও খেতিয়কক সকলোতকৈ কম গুৰুত্ব দিয়ে।'' ৰাজাৰামে তেওঁৰ মনত থকা দুখখিনি উলিয়াই দিলে।

''দুখ নকৰিবা ৰাজাৰাম। আমাৰো ভাল দিন আহিব। আমি ধৈৰ্য হেৰুওৱা উচিত নহয়। আমি উৎপাদন নকৰিলে পৃথিৱীত শস্যৰ এটা দানাও পাবলৈ নোহোৱা হব।'' বিনায়কে ৰাজাৰামক সান্ত্বনা দিলে।

''ভাই, সকলো শস্য বিক্ৰী কৰি দিয়াৰ পিছতো মোৰ ওচৰত এটাও টকা নাথাকিব। সেইবাবেই মই ভাৱিছো যে মই মাটিখিনি বিক্ৰী কৰি চহৰত গৈ কোনো কামৰ সন্ধান কৰা



ভাল হব। তাত অন্তত খাবৰ জোখাৰে আৰ্জিব পৰা কাম এটা পাম।'' ৰাজাৰামে কলে।

''সেইটো এটা বেয়া সিদ্ধান্ত, ৰজা আৰু মানুহৰ প্ৰতি থকা খঙৰ বাবেই তুমি তোমাৰ মাটি বিক্ৰী কৰি দিয়াটো ভাল কথা নহয়। তুমি শস্যৰ উচিত মূল্য লাভ নকৰালৈকে চেষ্টা কৰি থকা উচিত। চিন্তা নকৰিবা, আমি তোমাৰ লগত আছো।'' বিনায়কে এইদৰে কৈ তেওঁৰ চুবুৰীয়া ৰাজাৰামৰ মনোবল ঘূৰাই আনিবলৈ চেষ্টা কৰিলে।

''ভাই, নতুন প্ৰজন্মই কৃষিৰ প্ৰতি আকৰ্ষণ হেৰুৱাই পেলাইছে। তেওঁলোকে ইতিমধ্যে পাহৰিয়েই পেলাইছে যে কৃষিও এটা বৃত্তি হব পাৰে। তাৰোপৰি কৃষিত হব পৰা সমস্যাসমূহৰ কথা বিবেচনা কৰিলে মোৰ ল'ৰা-ছোৱালীৰ সিদ্ধান্ত শুদ্ধ। বীৰে সেইদিনা মোক কৈ আছিল যে তেওঁ ল'ৰাই বিয়া পাতিবলৈ কোনো ছোৱালী পোৱা নাই, কিয়নো তেওঁলোকে খেতি কৰে।'' কালীচৰণে কলে।

সকলোৱেই কেৱল সমস্যাৰ কথাহে আঙুলিয়াই দেখুৱাৰ বাবে বিনায়কে অলপ দুখ পালে। তেওঁ এই সমস্যাৰ এটা উপায় উলিয়াবলৈ যত্ন কৰিলে।

''বন্ধুসকল, আমি যদি ধৈৰ্যৰে চিন্তা কৰো তেন্তে এই সমস্যাবিলাক দূৰ কৰিব পৰাকৈ উপায় এটা নিশ্চয় উলিয়াব পাৰিম। মই এটা কথা ভাৱিছো। তাৰবাবে তোমালোকৰ সহায় মোক দৰকাৰ হব। আমি প্ৰতিজন কৃষকৰ লগতে আলোচনা কৰিম।'' বিনায়কে এইবুলি তেওঁৰ আঁচনিৰ বিষয়ে ভাঙি-পাতি কলে। তেওঁৰ কথাত সকলো ৰাজী হ'ল।

কথামতেই তেওঁলোকৰ প্ৰত্যেকেই ব্যক্তিগত কামবিলাক পিছুৱাই দিলে। তেওঁলোকে বিনায়কৰ লগত গৈ এজন এজনকৈ সকলো কৃষককে লগ ধৰিলে।

দিন বাগৰি গ'ল। বৰ্ষা ঋতু আৰম্ভ হ'ল। সকলোৱে খেতি-বাতি কৰা আৰম্ভ কৰিলে। আৰু ছমাহ বাগৰি গ'ল। শস্য পূৰঠ হ'ল আৰু সকলোৱেই পথাৰৰ পৰা শস্য চপালে আৰু জমা কৰি থলে।

খেতি চপোৱাৰ পিছত যেতিয়া ৰজাই সকলো কৃষকক শস্যৰ উৎপাদন সম্পৰ্কে সুধিলে, তেতিয়া কোৱা হ'ল যে সেইবছৰৰ উৎপাদন একেবাৰে কম। সেই কথা শুনি ৰজা বৰ চিন্তিত হৈ পৰিল। উৎপাদন কম মানে দুৰ্ভিক্ষ হোৱাৰ সম্ভাৱনা বেছি।

ৰজাই সকলো কৃষককে মাতি এখন সভাৰ আয়োজন কৰিলে। তেওঁলোক সকলোকে

সুধিলে যে কিয় তেওঁলোকে সকলো মাটিতে ভালদৰে খেতি নকৰিলে। এনে কৰাৰ ফলত বহু মাটি এনেয়ে পৰি থাকিল।

"আমাক সকলোকে মানুহে খেতিয়ক বুলিহে জানে। কিন্তু সকলোৱে খোৱাৰ পিছত আমালৈ শস্য থাকিল নে নাই তাৰ কোনেও খবৰ নলয়। আপুনি কৃষিৰ বাহিৰে আন সকলো ধৰণৰ বৃত্তিকে উৎসাহ যোগাইছে। সেইবাবে সমাজে কৃষিক এটা নিম্নস্তৰৰ বৃত্তি হিচাপে চাবলৈ আৰম্ভ কৰিছে। ই ইমানলৈকে আগবাঢ়িছে যে কৃষি কাৰ্য কৰা সকলৰ লগত কোনেই ছোৱালী বিয়া দিব খোজা নাই। আমাৰ নিজৰ যেতিয়া একো মূল্যই নাই, তেনেস্থলত আমি আনৰ বাবে কিয় ইমান হাড়ভঙা পৰিশ্ৰম কৰিব লাগে?

আমাৰ মূল্য কিমান সেই কথা সকলোৱে উপলব্ধি কৰাটো আমি বিচাৰো। গতিকে সেইবাবেই এইবছৰ আমি কেৱল ইমানখিনি শস্যহে উৎপাদন কৰিলো, যিমানখিনি আমাৰ পৰিয়ালৰ বাবে প্ৰয়োজন।" বিনায়কে ব্যাখ্যা কৰিলে।

ৰজা এই কথা শুনি আঁচৰিত হ'ল। তেওঁ কলে, "মই জানো যে কৃষি কাৰ্য কৰা কিমান কঠিন কাম। মই এখন আইন আৰম্ভ কৰিম। সেই আইনে কৃষকৰ বাবে নিয়মিত আয় নিশ্চিত কৰিব। ই দেশৰ নতুন প্ৰজন্মৰ যুৱকসকলো কৃষি কাৰ্যৰ প্ৰতি আকৰ্ষিত হব। লগতে মই এই ব্যৱস্থাও কৰিম যে কৃষকে উৎপাদন কৰা শস্য চৰকাৰে প্ৰত্যক্ষভাৱে ক্ৰয় কৰি লয়। এতিয়াৰে পৰা কৃষকেই ৰজা।"

কৃষক সকল বৰ সুখী হ'ল। বিনায়কৰ আঁচনিয়ে ফল দিলে। তেওঁলোকে বুজিব পাৰিলে যে এই সফলতা হ'ল সকলো একগোট হোৱাৰ ফল।

> কৃষি ভাৰতৰ অৰ্থনীতিৰ মূল আধাৰ হোৱা স্বত্বেও কৃষিয়ে যি গুৰুত্ব পাব লাগিছিল সেয়া পোৱা নাই। অন্ধ্ৰপ্ৰদেশৰ উপকূল অঞ্চলৰ খেতিয়কসকলে বীজ, কীটনাশক আদিৰ অভাৱৰ প্ৰতিবাদত এবছৰৰ বাবে খেতি কৰা বন্ধ কৰি দিছিল। চৰকাৰে নানা আলোচনাৰ পিছতো তেওঁলোকক সেইবছৰ খেতিৰ বাবে মান্তি কৰাব নোৱাৰিলে। এনে এটা ঘটনাকে লৈ এই কাহিনীৰ আধাৰ সৃষ্টি হৈছে।

প্ৰত্যক্ষ প্ৰমাণ

গাৱঁৰ কিছুমান লোকে এজন লোকৰ বিষয়ে কথা-বাৰ্তা পাতি আছিল। বহুলোকে তেওঁৰ ভাল গুণৰ প্ৰশংসা কৰিলে। কিন্তু শেষত এজন লোকে কলে, ''তেওঁ যে এজন ভাল মানুহ, তাত কোনো সন্দেহ নাই। কিন্তু মই ভাৱো যে তেওঁৰ কেৱল এটাই দোষ আছে।''

আন এজন লোকে সুধিলে, ''তেওঁৰনো কি দোষ আছে ?''

''তেওঁৰ অতি সোনকালে খং উঠে আৰু খঙত তেওঁ কি কি কৰিব পাৰে তাৰ ঠিকনা নাই। তেওঁ বৰ খঙাল।'' সংযোগবশত মানুহবিলাকে যিজন ব্যক্তিৰ বিষয়ে কথা পাতি আছিল, তেওঁ ঠিক সেইসময়তে আহি সেই স্থানত উপস্থিত হ'ল আৰু শেষৰ বাক্যটো শুনা পালে। সেই কথা শুনা পাই তেওঁ খং উঠি আহিল।

তেওঁ লগে লগে বক্তাজনৰ ডিঙিত ধৰি কলে, ''আৰে বদমাচ, তই কি মোক খঙাল বুলি কৈছ ? তোৰ মই ডিঙি মুচৰি পেলাম।''

তাত উপস্থিত থকা বাকী লোকসকলে কলে, ''তেওঁ ঠিকেই কৈছিল। তুমি নিজেই প্ৰমাণ কৰা নাই জানো যে তুমি যে বৰ খঙাল ?''

বেটুপাতৰ কাহিনী



তোমালোক ডিচেম্বৰ, ২০১১ৰ বেটুপাতত দেখা সুন্দৰ ৰঙীন ছবিখন ইউলিছিছৰ দুঃসাহসিক অভিযান নামৰ ধ্রুপদী ধাৰাবাহিকখনৰ বাবে অংকন কৰা হৈছিল। এই ছবিখন অংকন কৰিছিল আমাৰ সকলোৰে মৰমৰ চিত্রশিল্পী চিত্রাই।

কম্পিউটাৰ যুগ আৰম্ভ নহওতেই ৰঙা আৰু নীলা ৰঙৰ সমন্বয়েৰে কাহিনীৰ গভীৰতা আৰু সাম্যক আভাস ফুটাই তোলাত চিত্রকৰ সক্ষম হৈছে। কাহিনীৰ নায়ক ইউলিছিছ আছিল অতি দুঃসাহসী আৰু পৰাক্রমী। সেই কাহিনী আৰু এই চিত্র এটা আনটোৰ লগত ইমান সুন্দৰকৈ খাপ খাই পৰিছে যেন মনিকাঞ্চন সংযোগহে।

সেই ধাৰাবাহিক চান্দমামাত ১৯৫৭ চনৰ পৰা ১৯৫৮ চনলৈকে প্রকাশিত হৈছিল। এই চিত্রত বৰ্ণিত দৃশ্যক এই গ্রীক কাহিনীত 'চাইৰেণৰ আমন্ত্রণ' বুলি উল্লেখ কৰা হয়। সেই গ্রীক কাহিনীমতে বীৰ ইউলিছিছে ঘৰকৈ ঘৰলৈ যাবলৈ বিচাৰি আছিল আৰু তেওঁক খুব সন্মান কৰা আৰু ভাল পোৱা স্বত্বেও চাইৰেন (গীত গোৱা তিৰোতা) চিৰকাই অৱশেষত তেওঁক ঘৰলৈ যাবলৈ অনুমতি দিছিল। তেওঁ ইউলিছিছক সাৱধান কৰি দিছিল যে ইউলিছিছ ঘৰলৈ ওভতি যোৱাৰ পথত বহু সমস্যাৰ সন্মুখীন হবলগীয়া হব আৰু চাইৰেনবিলাক হ'ল সেইবিলাকৰ ভিতৰত এটা। চাইৰেনবিলাক হ'ল এক অতি-মানৱিক শক্তি থকা তিৰোতা আৰু তেওঁলোকে মানুহক তেওঁলোকৰ দ্বীপত বন্দী কৰি ৰাখে। যদি কোনো লোকে তেওঁলোকৰ গীত শুনা পাই, তেন্তে নিজে নিজে গৈ সেই দ্বীপত উপস্থিত হয়। সেই দ্বীপৰ পৰা কোনোৱেই উভতি আহিব নোৱাৰে। ইউলিছিছে নিজৰ লগতে তেওঁৰ জাহাজৰ নাৱিকসকলক চাইৰেনসকলৰ পৰা কেনেকৈ বচালে তাক এই কাহিনীটোত বৰ্ণনা কৰা হৈছে আৰু এই ছবিখন সেই কাহিনীৰে অংশ।

অলপতে আমাৰ দলৰ এজন সদস্যই এই মন্তব্য কৰিছিল যে সেই চাইৰেনবিলাকক আমাৰ প্রত্যেকৰে মাজত থকা ৰিপুসমূহৰ লগত তুলনা কৰিব পাৰি। সঁচা কথা, আমাৰ মাজত থকা ৰিপুৱেও আমাক নানা ধৰণৰ বেয়া কাম কৰিবলৈ উদগণি দি থাকে। সেইবিলাকক দমন কৰি ৰাখিবৰ বাবে আমাক যথেষ্টধৈৰ্য আৰু সংযমৰ দৰকাৰ হয়। আমি তাক কেনেকৈ দমন কৃৰি ৰাখো, সেয়া আমাৰ প্রত্যেকৰে এটা নিজৰ ইউলিছিছৰ কাহিনী।

মই আশাকৰো যে তোমালোকে এই চিত্র ইতিমধ্যেই উপভোগ কৰিলা। জানুৱাৰীত ইংৰাজী নতুন বছৰ আৰম্ভ হব আৰু আমি চান্দমামাৰ ফালৰ পৰা তোমালোকলৈ বুলি এক আটক ধুনীয়া বেটুপাত আগবঢ়াম।

– সৌম্যা ভৰদ্বাজ

প্ৰকৃত সম্পদ

এসময়ত কাঞ্চীপেট নামৰ গাৱঁত কবীৰ দাস নামৰ এজন গুৰু আছিল। এদিনাখন তেওঁ শিষ্যসকলৰ শিক্ষাৰ প্ৰতি কিমান ধাউতি আছে তাক পৰীক্ষা কৰিবৰ মনস্থ কৰিলে। তেওঁ শিষ্যসকলৰ ডাঠ কাগজৰ বাকচ তিনিটা দেখুৱালে। তাৰ প্ৰতিটোৰে ভিতৰত কাগজৰ টুকুৰা আছিল। এটা বাকচৰ ভিতৰৰ কাগজৰ টুকুৰাবিলাকত লিখা আছিল 'খাদ্য' দ্বিতীয় বাকচটোৰ ভিতৰত আছিল 'চাকৰি' আৰু তৃতীয়টো বাকচৰ ভিতৰত আছিল 'শিক্ষা'। তেওঁ শিষ্যসকলক সেই তিনিটা বাকচৰ ভিতৰত যিকোনো এটাৰ পৰা এটুকুৰাকৈ কাগজ তুলি লবলৈ কলে। তেওঁৰ সকলো শিষ্যই বাকচকেইটাৰ পৰা এটুকুৰাকৈ কাগজ তুলি ললে। তাৰপিছত তেওঁ একেধৰণৰ কাগজ তুলি লোৱা শিষ্যসকলক দলবান্ধি থিয় হবলৈ কলে। বেচিভাগ শিষ্যই তুলি ললে 'খাদ্য' লিখা থকা কাকতৰ টুকুৰা। দ্বিতীয় সৰ্বাধিক শিষ্যই তুলি ললে 'চাকৰি' লিখা থকা কাকত। 'শিক্ষা' লিখা থকা কাকতৰ টুকুৰা তুলি লোৱা শিষ্যৰ সংখ্যা আছিল কেৱল এজন। তেওঁৰ নাম আছিল মেধাংশু।

গুৰু কবিৰে মেধাংশুক সুধিল যে তেওঁ কিয় 'শিক্ষা' লিখা থকা কাকতৰ টুকুৰা তুলি ললে। মেধাংশু থিয় হ'ল আৰু মূৰ দোৱাই গুৰুক অভিবাদন জনালে। তাৰপিছত তেওঁ কলে, "মই শিক্ষা লিখা থকা কাকতৰ টুকুৰা এইবাবেই তুলি ললো যে শিক্ষাই মোক এটা চাকৰি পোৱাৰ ক্ষেত্ৰত সহায় কৰিব আৰু সেই চাকৰিয়ে মোক প্ৰয়োজনীয় খাদ্য যোগাব।"

মেধাংশুৰ বৰ্ণনা শুনি গুৰু বৰ সুখী হ'ল। তেওঁ বাকী শিষ্যসকলক কলে, "উপযুক্ত ৰাপ নাথাকিলে শিক্ষা লাভ কৰিবলৈ অহা মূল্যহীন। যিহেতু, তোমালোক সকলো ইয়াত শিক্ষা লাভ কৰিবলৈ আহিছা, তোমালোকে শিক্ষা লাভ কৰাত গুৰুত্ব দিব লাগে। বাকীবিলাক বস্তু নিজে নিজেই আহিব। খাদ্য খোৱাৰ অলপ সময়ৰ পিছতে হজম হৈ পৰে। আৰু তোমালোকৰ শৰীৰত বল থকালৈকেহে তোমালোকে কাম কৰিব পৰাকৈ সক্ষম হৈ থাকিবা। কিন্তু তোমালোকে লাভ কৰা শিক্ষা তথা জ্ঞান তোমালোকৰ জীৱনৰ শেষ সময়লৈকে লগত থাকিব। গতিকে, 'শিক্ষাই হ'ল প্ৰকৃত সম্পদ।'

–মাল্লেৰেড্ডী মুৰুলী মোহন



শিথিলালয় - ২১

(শিখিমুখীহত কামাখ্যা নগৰত উপস্থিত হৈ ইমু জাতিৰ জংঘলা নামৰ যুৱকক বাট দেখুৱাবৰ বাবে লগত লৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা ঘাটিবিলাকলৈ বুলি ৰাওনা হ'ল। পথত এটা অজগৰে জংঘলাক আক্ৰমণ কৰিলে। শিখিমুখীয়ে চোকা তৰোৱালেৰে সেই অজগৰটোক বধ কৰিলে। অজগৰক দেৱতা জ্ঞান কৰা অঘোৰী সাধুৰ দলে সেই কাৰ্য দেখি শিখিমুখী আৰু তেওঁৰ দলৰ ওপৰত আক্ৰমণ কৰিলে। তাৰপিছত...)

অঘোৰী সকলে তেওঁৰ ওপৰত আক্ৰমণ কৰা দেখি শিখিমুখীয়ে ভাৱিলে যে এইবাৰ তেওঁৰ মৃত্যু নিশ্চিত। তেওঁৰ পিতাকৰ মুখে অঘোৰীসকলৰ নিষ্ঠুৰতাৰ কথা শুনি আহিছিল। অকস্মাতে তেওঁলোকৰ আক্ৰমণৰ সন্মুখীন হোৱাত ভিতৰি ভিতৰি অলপ ভয়ো লাগিল। কিন্তু সেইসময়ত তাৰ পৰা পলাই যোৱা বা প্ৰাণভিক্ষা খোজা তেওঁ অপমানজনক যেন বোধ কৰিলে। মৰিবই যদি লাগে তেন্তে বীৰৰ দৰে যুদ্ধ কৰি মৃত্যুবৰণ কৰা উচিত। কিন্তু শত্ৰুৰ ওচৰত বশ্যতা স্বীকাৰ কৰাৰ কথা তেওঁ মুঠেই চিন্তা নকৰিলে।

এইদৰে চিন্তা কৰি শিখিমুখীয়ে তৰোৱাল উলিয়াই চিঞৰি আদেশ কৰিলে, "বিক্ৰমকেশৰী, তুমি তোমাৰ সহচৰসকলক লৈ ইয়াৰ পৰা গুচি যোৱা। অঘোৰীৰ দলে মোক ঘেৰি ধৰিছে। মোক ৰক্ষা কৰিবলৈ আহি তোমালোক অনাহকত বিপদৰ মুখলৈ আগুৱাই আহিব নালাগে। সোনকালে ইয়াৰ পৰা পলাই যোৱা।"

শিখিমুখীয়ে তেওঁৰ কথা সম্পূৰ্ণ কৰিবলৈ নাপালে, "এটা অঘোৰীয়ে তেওঁলৈ বুলি লক্ষ্য কৰি এডাল শেল দলিয়াই দিলে। শিখিমুখীয়ে সেইডালৰ পৰা নিজকে কোনোমতে বচাই

দাসৰি সুব্ৰমন্যাম

তৰোৱালৰে গাদিৰে আক্ৰমণ কৰি সেই অঘোৰীটোক মাটিত বাগৰাই পেলালে। সি 'মহাকাল' বুলি চিঞৰি মাটিত সশব্দে বাগৰি পৰিল। তেনেতে আন এটাই শিখিমুখীক আক্ৰমণ কৰিবলৈ লওতেই সিঁহতৰ এটাই চিঞৰি উঠিল, ''ৰবা, কোনোৱে ইয়াক আক্ৰমণ নকৰিবা। ই আমাৰ গুৰু বিক্ৰমকেশৰীৰ নাম লৈছে।''

সেইসময়তে আৰু চাৰিটা অঘোৰী আহি সেই ঠাইত উপস্থিত হ'ল। শিখিমুখীৰ আদেশ শুনি বিক্ৰমকেশৰী, অজিত আৰু বীৰভদ্ৰ পলাই যাওক চাৰি তৰোৱাল উলিয়াই লৈ শিখিমুখীক ৰক্ষা কৰিবলৈ বুলি সেই ঠাই পালেহি।

দুইদলৰ মাজত যুদ্ধ হোৱাৰ আগতেই এজন অঘোৰী শিখিমুখীৰ ফালে আগুৱাই আহিল আৰু কলে, ''আমাৰ শেলৰ আগত তোমাৰ তৰোৱালৰ কোনো শক্তি নাই। মই তোমালোকৰ শক্তিলৈ ভয় কৰি যুদ্ধ বন্ধ কৰিব খোজা নাই। মই এইবাবেহে যুদ্ধ বন্ধ কৰিবলৈ কলো কিয়নো তুমি আমাৰ গুৰু বিক্ৰমকেশৰীৰ নাম লৈ তেওঁক পলাই যাবলৈ ক'লা। এই কথাতহে আমি আচৰিত হৈছো। তুমি কোন? আমাৰ গুৰু বিক্ৰমকেশৰী ক'ত আছে।''

অঘোৰীসকলৰ কথাৰ পৰা শিখিমুখীয়ে সকলো কথা বুজি পালে। তাঁৰপত্ৰবিলাকৰ পৰা তেওঁ এই কথা বুজিব পাৰিছিল যে মহাৰাজ বিক্ৰমকেশৰী অঘোৰীসকলৰ ৰাজ্যত বহু দিন ধৰি আছিল। তেওঁলোকে শিখিয়ে তেওঁৰ লগৰীয়া বিক্ৰমকেশৰীৰ নাম ধৰি চিঞৰা শুনি ভাবিলে যে শিখিয়ে মহাৰাজ বিক্ৰমকেশৰীক চিঞৰি মাতিছে।

তাৰপিছত শিখিমুখীয়ে বিক্ৰমকেশৰীক দেখুৱাই কলে, ''এয়াই হ'ল বিক্ৰমকেশৰী। এওঁৰ ককাদেউতাক মহাৰাজ বিক্ৰমকেশৰী কিছুবছৰৰ আগতে এই প্ৰদেশলৈ আহিছিল। কিন্তু আমি আজিলৈকে মহাৰাজক বিচাৰি উলিয়াব নোৱাৰিলো। তেওঁৰ একো খবৰেই আমাৰ ওচৰত নাই। তেওঁক বিচাৰিয়েই আমি সুৰসেন দেশৰ পৰা এই প্ৰদেশলৈ আহিছো।''

শিখিমুখীৰ লগত কথা পতাজন অঘোৰী দলটোৰ নেতা আছিল। শিখিমুখীৰ কথা শুনাৰ লগে লগে অঘোৰী দলৰ নেতাই হাতৰ শেল পেলাই দিলে আৰু বিক্ৰমকেশৰীৰ ফালে আগুৱাই গৈ আঠুকাঢ়ি প্ৰণাম কৰিলে। তেওঁ

কলে, ''আমাৰ গুৰু বিক্রমকেশৰীৰ লগত তোমাৰ চেহেৰা বহুখিনি মিলে। তেওঁ কঠিন সময়ত আমাৰ দলক বহু সহায় কৰিছিল আৰু ভয়ংকৰ বেমাৰৰ সময়ত বনৌষধিৰে চিকিৎসা কৰি বহু লোকৰে প্রাণ ৰক্ষা কৰিছিল। আমি সেই ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰো। কিন্তু,...'' এইবুলি তেওঁ ৰৈ গ'ল আৰু শিখিমুখীৰ ফালে দেখুৱাই কলে, ''এওৰ কথা মই ঠিক বিশ্বাস কৰিবলৈ টান পাইছো। কি যুক্তিৰ সহায়ত তোমালোকে ভাৱিছা যে আমাৰ গুৰু বিক্রমকেশৰী এতিয়াও জীৱিত আছে? তেওঁ জীয়াই থকা হলে নিশ্চয় নিজৰ দেশলৈ উভতি গ'লহেতেন।''

''আমি কিছুমান কথা মানুহৰ মুখেৰে শুনিবলৈ পাইছো। সেইবিলাকৰ পৰাই অনুমান কৰিছো যে মহাৰাজ বিক্রমকেশৰী জীৱিত আছে। আমি যি তাঁৰপত্র লাভ কৰিছিলো, তাৰ পৰাও অনুমান কৰিব পাৰি যে তেওঁ ব্রহ্মপুত্র নদীৰ পাৰৰ ঘাটিত থকা শিথিলালয়লৈ গ'ল আৰু তাৰপিছৰ পৰাই তেওঁৰ কোনো শুংসূত্র নাই।'' শিখিমুখীয়ে বুজাই কলে।

''তুমি এইদৰে ভৱাটো ভুল হোৱা নাই। আমি বহুবাৰ কোৱাৰ পিছতো গুৰুৱে আমাৰ কথা নুশুনি ইম্যু জাতিয়ে বাস কৰা ঘাটিৰ ফালে গুচি গ'ল। সেই তেতিয়াৰে পৰা আজিলৈকে আমি তেওঁৰ কোনো সন্ধান পোৱা নাই। আমি অৱশ্যে এই কথা ভৱা নাই যে ইম্যু জাতিৰ লোকে তেওঁক বধ কৰিলে। তেওঁ হয়তো কোনো ভয়ংকৰ বেমাৰত ভুগি মৃত্যুমুখত পৰিল।'' অঘোৰীৰ নেতাই কলে।

''আমি এই সকলো কথাৰে সন্দেহ লবলৈ আহিছো। আমি কেৱল এটা পুজাৰীৰ পৰা বিপদৰ সন্মুখীন হব লাগিব বুলি জানিছিলো। কিন্তু আমি এই কথা ভাৱি অহা নাছিলো যে অঘোৰীসকলৰ পৰাও এইদৰে বিপদৰ সন্মুখীন হব লাগিব।'' শিখিমুখীয়ে কলে।

শিখিমুখীৰ কথা শুনি অঘোৰীসকলৰ নেতাই হাঁহি মাৰি কলে, ''আমাৰ জাতিৰ পৰা তোমালোকে আৰু কোনো অসুবিধা নাপাব। গতিকে মই তোমাৰ বাহুত এডাল ৰুদ্রাক্ষৰ মালা বান্ধি দিম। তথাপিও তোমালোক সকলো সময়তে সজাগ হৈ থকাটো উচিত হব। তোমালোকে ইয়াৰ পৰা ঘৰলৈ ঘূৰি যোৱাৰ আগতে আমি এই মহাৰণ্যৰে ক'ৰবাত নিশ্চয় লগ পাম। মোৰ নাম হ'ল ঘোৰচিত্ত'' এইবুলি কৈ তেওঁ

শিখিমুখীৰ বাহুত এডাল ৰুদ্ৰাক্ষৰ মালা বান্ধি দিলে। তাৰপিছত শিখিমুখী, বিক্ৰমকেশৰী আৰু তেওঁলোকৰ সহচৰৰ পৰা বিদায় লৈ আঘাটপ্ৰাপ্ত অনুচৰজনক লগত লৈ তেওঁলোক তাৰ পৰা গুচি গ'ল।

শিখিমুখীয়ে ভয়ত গছৰ ওপৰত উঠি থকা জংঘলাক নমাই হাতত ধৰি তেওঁলোকে বাহৰ পতা ঠাইলৈ লৈ আহিল। অজিত আৰু বীৰভদ্ৰই আহাৰ ৰন্ধাৰ কামত লাগি গ'ল। শিখিমুখীয়ে বিক্ৰমকেশৰীক তাৰ পৰা অলপ আঁতৰলৈ লৈ গৈ কলে, "বিক্ৰম, জংঘলাক অজগৰে আক্ৰমণ কৰাৰ আগতে মই গছৰ আঁৰত কোনোবাই কথা কোৱা শুনিবলৈ পাইছিলো। ইয়াৰ ওপৰত মোৰ সন্দেহ হৈছে।"

"কথা এনেকুৱাই যদি আমি জংঘলাৰ পৰা সঁচা কথাটো উলিয়াই লব পাৰিম। নহয় জানো?" বিক্ৰমকেশৰীয়ে কলে।

"কিন্তু যদি ই গছৰ আঁৰ লৈ কাৰোবাৰ লগত কথা পাতিছিল, তেন্তে আমি তাৰ পৰা সঁচা কথাটো জানিব নোৱাৰিম। এনেকুৱাও হব পাৰে যে মই এনেয়ে কিবা শুনিলো। কেতিয়াবা কেতিয়াবা বতাহৰ ফলত গছৰ পাতৰ পৰা এনে শব্দৰ সৃষ্টি হয় যে তাক শুনিলে কোনোবাই কথা পাতি থকা যেন ধাৰণা হয়। যি কি নহওক, আমি সাৱধান হৈ থকাই ভাল হব।" শিখিমুখীয়ে বিক্ৰমক বুজালে আৰু দুয়োজন বাহৰলৈ উভতি আহিল।

আহাৰ তৈয়াৰ হোৱাৰ পিছতেই সকলোৱে আহাৰ খালে। তেতিয়ালৈকে জংঘলা ভয়ৰ পৰা মুক্ত হৈ ইফাল সিফাল কৰিব পৰা হৈছিল। এজোপা গছৰ তলত শিখি আৰু বিক্ৰমে তম্বু তৰিলে আৰু তাতে বাগৰ দিলে। অজিত, বীৰভদ্ৰ আৰু জংঘলাই খচ্চৰবিলাকক খাবলৈ দিলে আৰু চাৰিফালে চাৰিকুৰা জুই লগাই দিলে। তেতিয়ালৈকে ৰাতিৰ এক প্ৰহৰ পাৰ হৈছিল। গতিকে তেওঁলোকে বাকী তিনি প্ৰহৰ তিনিজনে পহৰা দিয়াৰ ভাৰ ললে।

প্ৰথমে পহৰা দিয়াৰ ভাৰ ললে অজিতে। তেওঁ মাজে মাজে জুই কেইকুৰাত শুকান খৰি দি থাকিল যাতে জুই নুমাই নাযায়। তাৰপিছত এজোপা গছৰ তলত বহি লৈ চাৰিওফালে ভালদৰে চাই চাই পহৰা দি থাকিল। কোনো দুৰ্ঘটনা নোহোৱাকৈ ৰাতিৰ আৰু এটা প্ৰহৰ পাৰ হৈ গ'ল। দুৰত শিয়ালে ৰাও দি থকা অজিতে শুনিবলৈ পাইছিল। মাজে মাজে তেওঁ সুহুৰিৰ দৰে শব্দও শুনিবলৈ পাইছিল। তেওঁ


CHITRA

ভাৱিলে যে সেয়া কোনোবা অচিন বনৰীয়া চৰাইৰ মাত হব লাগিব।

তাৰপিছত অজিতৰ পহৰা দিয়াৰ পাল শেষ হ'ল আৰু জংঘলাই পহৰা দিবলৈ ধৰিলে। অজিতে বীৰভদ্ৰৰ পৰা অলপ দূৰত শুই পৰিল। কিন্তু তাৰ টোপনী নাহিল। অঘোৰীবিলাকৰ লগত হোৱা ৰণৰ পিছত তাৰ মনত এনে ভাৱৰ সৃষ্টি হৈছিল যে এনে গভীৰ অৰণ্যত যিকোনো সময়তে বিপদ হব পাৰে। গতিকে তেওঁ জাগি থাকিবলৈ চেষ্টা কৰিলে।

আৰু অলপ সময় নিৰাপদে পাৰ হৈ গ'ল। অজিতৰ চকু এইবাৰ মুদ খাই আহিল। তেনেসময়তে দূৰত কোনোবা হিংস্ৰ পশুৰ চিঞৰ শুনা গ'ল। তেওঁ চকু মেলি চালে। জংঘলাই জুইৰ কাষতে বৈ পহৰা দি আছিল। সি জুইত খৰি জাপি নিদিয়াৰ ফলত জুই নুমাই যাও যাও হৈছিল।

অজিতে শোৱাৰ পৰা উঠি জংঘলাক গালি পাৰিব খুজিলে। কিন্তু তেনে সময়তে তেওঁ গছৰ আঁৰৰ পৰা ভাঁহি অহা এটা সুহুৰিৰ শব্দ শুনিবলৈ পালে। জংঘলাই লগে লগে সচকিত হৈ শেলডাল হাতত তুলি ললে। অজিতে ভাৱিলে যে নিশ্চয় কিবা বিপদ ঘটাৰ উপক্ৰম হৈছে। তেওঁ ঘূৰি শিখি আৰু বিক্ৰম শুই থকা তম্বুটোৰ ফালে চালে। চায়েই যি দৃশ্য দেখিলে তেওঁৰ সৰ্বশৰীৰ ভয়ত কপি উঠিল।

অজিতে দেখিলে যে এটা প্ৰকাণ্ড চিতা বাঘে শিখি আৰু বিক্ৰম শুই থকা তম্বুটোৰ ফাঁকেদি ভিতৰলৈ মুখ সুমুৱাই শুঙি আছে। 'কিন্তু লাল কুকুৰটো ক'ত?' তেওঁ বৰ আঁচৰিত হ'ল। বিপদ দেখি তেওঁ বৰ ভয় খালে। কি কৰিব কি নকৰিব একো চিন্তা কৰিব নোৱাৰা হ'ল।

''বীৰভদ্ৰ উঠা। বিপদ হৈছে।'' লগে লগে

বীৰভদ্ৰই উঠি দেখিলে যে চিতা বাঘে তম্বুত শুই থকা বিক্ৰম আৰু শিখিক আক্ৰমণ কৰিব বিচাৰিছে। তেওঁ লগে লগে ধনুখন তুলি লৈ চিতা বাঘটোক লক্ষ্য কৰি এডাল শৰ নিক্ষেপ কৰিলে। শৰ গৈ বাঘটোৰ পেটতে লাগিলগৈ। বাঘে ভয় খাই পিছুৱাই গ'ল আৰু তাৰপিছত সি ঢলং-পলংকৈ জংঘলৰ ভিতৰলৈ সোমাই পলাই যাবৰ বাবে চেষ্টা কৰিলে।

অজিতৰ চিঞৰ আৰু চিতাৰ গেঙনি শুনি শিখিমুখী আৰু বিক্ৰমকেশৰী শোৱাৰ পৰা উঠিল আৰু তম্বুৰ পৰা বাহিৰলৈ আহিল। বাহিৰলৈ আহিয়েই তেওঁলোকে তৰোৱাল উলিয়াই ললে। অজিতে তেতিয়া বীৰভদ্ৰক জংঘলাৰ ওপৰত চকু ৰাখিবলৈ কৈ শিখি আৰু বিক্ৰমৰ ওচৰলৈ গ'ল। তেওঁ শিখি আৰু বিক্ৰমক সকলো কথা সংক্ষেপে বৰ্ণনা কৰি কলে, "মই এই হাবিৰ মাজৰ পৰা সুহুৰিৰ শব্দ শুনিছিলো। মোৰ অনুমান যে এই হাবিৰ মাজতে শত্ৰু লুকাই আছে।"

এই কথা শুনিয়েই বিক্ৰমে ধেনু কাড় তুলি লৈ সেই ঠাইখিনিৰ ফালে লক্ষ্য কৰি তিনিডাল শৰ নিক্ষেপ কৰিলে। তৃতীয়ডাল শৰ যেতিয়া এটা জোপোহাত পৰিলগৈ, লগে লগে তেওঁলোকে এটা আৰ্তনাদৰ শব্দ শুনিবলৈ পালে। পিছমুহূৰ্ততে সেই জোপোহাটো লৰি উঠিল আৰু কলা বৰণৰ মূৰ্তি এটাই তাৰ পৰা ওলাই পলোৱা দেখা গ'ল।

শিখিয়ে অজিতক সাৱধান কৰি দি কলে, "জোনাকৰ এনে কম পোহৰত তাৰ পিছ লোৱাটো মই বৰ নিৰাপদ বুলি ভবা নাই। এনে হব পাৰে যে আমাৰ শত্ৰু অলপ

আঁতৰতে খাপ পাতি বহি আছে। তোমালোকৰ এটাই জংঘলাক পহৰা দিয়া আৰু এজনে আমাৰ বস্তু বেহানিবিলাকক নিৰাপদে ৰাখা। মই বিক্ৰমক লগত লৈ ইফালে সিফালে চাই আহো। চিতা বাঘটোও আহত হৈ পলাই গ'ল আৰু আহত জন্তুক এইদৰে এৰি দিয়া ভাল নহয়। সি বৰ বিপদজনক হৈ উঠিব পাৰে।"

শিখি আৰু বিক্ৰম দুয়ো সেই জোপোহাটোৰ ফালে যাবলৈ ওলাল। তেতিয়া অজিতে সুধিলে, "হুজুৰ, আমাৰ লাল কুকুৰে ইমানবিলাক হোৱাৰ পিছতো চুপ হৈ আছে। এবাৰো ভুকা নাই। মই এই কথাত বৰ আঁচৰিত হৈছো। তাৰ কি হব পাৰে বাৰু?"

"তাক কোনোবাই... কোনোবাই কিয়-এই জংঘলাই হয়তো কিবা নিচাযুক্ত বস্তু খুৱাই দিছে। তোমাৰ চিঞৰ শুনাৰ লগে লগেই মই

তাক গাত ঢকিয়াই জগাই দিব খুজিছিলো। কিন্তু সি সেইবোৰলৈ কান নকৰি শুই আছে। তাক পিছতো পৰীক্ষা কৰি চাম বাৰু।'' শিখিয়ে কলে।

জ্বলি থকা এডাল খৰি লৈ শিখি আৰু বিক্রম সেই জোপোহাটোৰ কাষ পালেগৈ। চিতা বাঘে গোজৰণি মাৰি তেওঁলোকৰ ওপৰত জপিয়াই পৰিবলৈ সাজু হ'ল। কিন্তু সি ইতিমধ্যেই আঘাট পাইছিল। এডাল কাড় তাৰ পেটত সোমাই আছিল। সিঁ মৰো মৰো অৱস্থাত আছিল। শিখি আৰু বিক্রমক দেখি সি উঠিবলৈ চেষ্টা কৰিলে আৰু লগে লগে পুণৰ পৰি গ'ল আৰু চটফটাবলৈ ধৰিলে।

শিখিয়ে এডাল শেলেৰে তাৰ মূৰত দুই-চাৰিবাৰমান আঘাট কৰিলে। চটফটাই চিতা বাঘটো মৃত্যুমুখত পৰিল।

''শিখি, এয়া দেখিছানে?'' এইবুলি কৈ বিক্রমে নিজৰ শেলডাল চিতা বাঘটোৰ ডিঙিলৈ টোৱালে। চিতাটোৰ ডিঙিত এডাল চামৰাৰ ফিটা বান্ধি থোৱা আছিল।

''তাৰমানে ই এটা পোহনীয়া চিতা আছিল। ইয়াক যি পুহিছিল, সি নিশ্চয় এই জোপোহাত লুকাই আছিল আৰু আমাক হত্যা কৰিবৰ বাবে চিতাক প্রেৰণ কৰিছিল। চিতাৰ সেই গৰাকীৰ গাতেই তোমাৰ শৰ লাগিছে। ব'লা। আমি জংঘলাক লগত লৈ তাক বিচাৰি যাও।'' এইবুলি কৈ জংঘলাক লগত লবলৈ বুলি শিখি আৰু বিক্রম বাহৰলৈ উভতি আহিল।

প্রাণৰ ভয়ত কপি থকা জংঘলাৰ ওচৰলৈ যেতিয়া শিখি গ'ল, সি শিখিক প্রণাম কৰি তেওঁৰ চৰণত বাগৰি পৰিল। শিখিয়ে তাৰ কান্ধত ধৰি তুলি দিলে আৰু তাৰ হাতত জ্বলি থকা এডাল খৰি দিলে। শিখিয়ে তাৰপিছত কলে, ''আমি বাকী থকা কথা পিছত পাতিম। প্রথমতে শৰ লাগি আঘাটপ্রাপ্ত হোৱা তোৰ বন্ধুক বিচাৰি যাম। তই আগে আগে ব'ল। পলাবলৈ চেষ্টা কৰিলে এই শেলেৰে তোক সিপুৰীলৈ প্রেৰণ কৰিম।''

জংঘলাই কপি কপি হাবিৰ মাজেদি আগবাঢ়িল। তেওঁৰ পিছে পিছে গ'ল শিখিমুখী আৰু বিক্রমকেশৰী।

(আগলৈ)





সক্ষমতা

ৰজা জয়সিংহ মালয় ৰাজ্যৰ ৰজা আছিল। তেওঁ যুদ্ধৰ কৌশলত বৰ পাকৈত আছিল। সেইবাবে তেওঁক সকলোৱে 'ৰণধীৰ' উপাধি প্ৰদান কৰিছিল।

সেই ৰাজ্যত প্ৰতিবছৰে দশমী উৎসৱ বৰ ধুম-ধামেৰে পালন কৰা হৈছিল। প্ৰতি বছৰে যোদ্ধা আৰু পণ্ডিতসকলৰ বাবে নানা ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সেই প্ৰতিযোগিতাত দেশৰ নাগৰিকৰ লগতে কাষৰীয়া দেশৰ পৰাও নানা লোকে ভাগ লৈছিল। বিজয়ীসকলক উপযুক্ত পুৰস্কাৰ প্ৰদান কৰা হৈছিল। মালয় দেশৰ বিজয়ী প্ৰতিযোগীসকলক তেওঁলোকৰ সক্ষমতা অনুযায়ী নানা ধৰণৰ চাকৰিত মকৰল কৰা হৈছিল।

এবাৰ প্ৰতিযোগিতাৰ পৰা দুজন উপযুক্ত প্ৰতিযোগীক বাচি উলিওৱাৰ প্ৰয়োজন হ'ল। এজনক সেনাপতিৰ পদৰ বাবে আৰু আনজনক সেনাৰ প্ৰশিক্ষক পদৰ বাবে। ৰজা জয়সিংহই বেছ গুৰুত্ব দি প্ৰতিযোগিতা চালে। দুজন যুৱকে তেওঁলোকৰ প্ৰতিভা আৰু সক্ষমতাৰে ৰজাৰ দৃষ্টিআকৰ্ষণ কৰিলে। কিন্তু তেওঁ সিদ্ধান্ত লব নোৱাৰিলে যে কোনজন কোনটো পদৰ বাবে উপযুক্ত হব। তেওঁ প্ৰধান মন্ত্ৰীৰ লগত এই বিষয়ে পৰামৰ্শ কৰিলে। প্ৰধান মন্ত্ৰী নানান অভিজ্ঞতাৰে চহকী আছিল। তেওঁ দুয়োজন যুৱককে তেওঁক দেখা কৰিবৰ বাবে কলে। তেওঁলোকৰ এজনৰ নাম আছিল জয়চন্দ্ৰ আৰু আনজনৰ নাম আছিল বিশাল। মন্ত্ৰীয়ে তেওঁলোকক কোন দুটা পদৰ বাবে বাছনি কৰা হৈছে সেইবিষয়ে একো নকলে। পৰিৱৰ্তে কলে, ''আমাৰ মহাৰাজে তোমালোক দুয়োটাকে দহ একৰকৈ খেতিৰ মাটি উপহাৰ দিবলৈ স্থিৰ কৰিছে।

সাই প্ৰশান্তি



তোমালোকে সেই মাটি চমজি লৈ খেতি আৰম্ভ কৰিব পাৰা। মহাৰাজৰ ইচ্ছা যে তোমালোকে এবছৰৰ পিছত পুণৰ আহি এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাহি।''

জয়চন্দ্ৰ আৰু বিশাল মন্ত্ৰীৰ কথাত মান্তি হ'ল আৰু প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাই তাৰ পৰা প্ৰস্থান কৰিলে।

এইটো সকলোৱেই জানিছিল যে এই প্ৰতিযোগিতাৰ বিজয়ীসকলে উপযুক্ত চাকৰি লাভ কৰে। কিন্তু জয়চন্দ্ৰ আৰু বিশালক এইধৰণৰ পুৰস্কাৰ প্ৰদান কৰা দেখি সকলো আচৰিত হ'ল।

জয়চন্দ্ৰৰ পত্নী বৰ বুদ্ধিমতী আছিল। তাই অনুমান কৰিলে যে প্ৰধানমন্ত্ৰীয়ে দুয়োজনৰে কিবা পৰীক্ষা লবৰ বাবে এই কাৰ্য কৰিছে। তেওঁ জয়চন্দ্ৰক বেছি গুৰুত্ব দি খেতি কৰিবলৈ পৰামৰ্শ দিলে। জয়চন্দ্ৰই মনপুতি খেতি কৰিবলৈ ধৰিলে আৰু মাজে মাজে যিমান সময় পালে সেই সময়খিনিত যুদ্ধৰ নানা কৌশলৰ অনুশীলন কৰিবলৈ ধৰিলে।

বিশালে সেই মাটিখিনি কেৱল এক পুৰস্কাৰ বুলিয়েই গণ্য কৰিলে। তেওঁ সেই মাটিত খেতি কৰিবৰ বাবে বনুৱা নিযুক্তি কৰিলে আৰু নিজে যুদ্ধৰ অনুশীলন কৰা কাৰ্য জাৰী ৰাখিলে।

এইদৰে এটা বছৰ পাৰ হৈ গ'ল। প্ৰধানমন্ত্ৰীয়ে জয়চন্দ্ৰ আৰু বিশালৰ কাম-কাজৰ ওপৰত চকু ৰাখিবলৈ কিছুমান চোৰাংচোৱাক নিযুক্তি দিছিল। সেইসকলৰ মুখেদি তেওঁলোক দুজনে কি কৰিছে, কি নকৰিছে, সকলো বাতৰি পাই আছিল।

পিছৰ বছৰ পুণৰ প্ৰতিযোগিতা আৰম্ভ হ'ল। সেই প্ৰতিযোগিতাত দুয়োজনে ভাগ ললে আৰু প্ৰতিযোগিতাত বিশালে অনায়াসে জয়চন্দ্ৰক পৰাভূত কৰিলে।

প্ৰধান মন্ত্ৰীয়ে দুয়োকে মতাই আনিলে। তেওঁলোকক সুধিলে যে পুৰস্কাৰৰ খেতিৰ মাটি তেওঁলোকে কি কৰিলে। জয়চন্দ্ৰই কলে যে সেই মাটিত তেওঁ নিজে খেতি কৰি দুশ বস্তা শস্য উৎপাদন কৰিলে। তেওঁ লগতে খেতি কৰাৰ পদ্ধতি আৰু খেতি কৰাৰ সময়ত সন্মুখীন হবলগীয়া হোৱা সমস্যাবিলাকৰ কথা বৰ্ণনা কৰিলে।

বিশালক সোধাত তেওঁ কলে যে খেতি কৰা কামত তেওঁ বৰ বেছি গুৰুত্ব আৰোপ নকৰিলে আৰু যুদ্ধ কৌশলৰ অনুশীলনী আগৰ দৰেই জাৰী ৰাখিলে। তেওঁ কলে যে

সেই মাটিত বনুৱা লগাই খেতি কৰালে আৰু পঞ্চাশ বস্তা শস্য উৎপাদন কৰিলে।

প্ৰধান মন্ত্ৰীয়ে ৰজাৰ লগত এই বিষয়ে আলোচনা কৰিলে আৰু পৰামৰ্শ দিলে যে জয়চন্দ্ৰক সেনাপতি হিচাপে আৰু বিশালক সেনা প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়া উচিত। ৰজাই প্ৰধান মন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী ঘোষণা কৰিলে। তাৰপিছত তেওঁ প্ৰধান মন্ত্ৰীক তেওঁ এনে সিদ্ধান্তৰ কাৰণ সুধিলে।

উত্তৰত প্ৰধান মন্ত্ৰীয়ে কলে, ''মহাৰাজ, এজন মানুহে তেতিয়াহে এটা কামৰ ভাৰ লব পাৰে, যেতিয়া তেওঁ আন কাম পাহৰি সেই কামত লাগি থাকিব পাৰে। নিজে কাম কৰি অভিজ্ঞতা লাভ কৰা জনেহে আনক পৰিচালনা কৰিব পাৰে। মই ভাবোঁ যে তেনে এজন লোকেই আমাৰ সেনাবাহিনীৰ অধিনায়কত্ব কৰিবৰ বাবে সক্ষম। তেওঁলোকে সঘনে নতুন নতুন কামৰ ভাৰ লবলগীয়া হয় আৰু ব্যক্তিগত আগ্ৰহ অবিহনে তেনে কামত সফল হোৱা সম্ভৱ নহয়। এনে গুণৰ বাবেই মই জয়চন্দ্ৰক সেনাপতি পতাৰ বাবে পৰামৰ্শ দিলো। কিন্তু বিপৰীতে, মই বিশালৰ প্ৰতিভাক কোনোমতেই কম বুলি নাভাবো। যুদ্ধ কৌশলৰ প্ৰতি থকা তেওঁৰ আগ্ৰহে তেওঁক এজন অতি নিপুণ প্ৰশিক্ষক কৰি তুলিব। এজন প্ৰশিক্ষকৰ বাবে প্ৰয়োজনীয় হ'ল নানা ধৰণৰ কৌশল নিজে অনুশীলন কৰি সেইবিলাকত পাৰ্গত হোৱা। কেৱল সেয়াই নহয়, তেওঁ নিতৌ সেই কৌশলবিলাকৰ অনুশীলন কৰি থকা দৰকাৰ। সেইবাবেই মই বিশালক সেনাবাহিনীৰ প্ৰশিক্ষক নিযুক্তি দিয়াৰ পৰামৰ্শ দিলো। তেওঁলোকক প্ৰথম ৰাউণ্ডৰ প্ৰতিযোগিতাৰ অন্তত প্ৰদান কৰা খেতিৰ মাটি কেৱল পুৰস্কাৰ নাছিল। সেয়া আছিল আচলতে এটা পৰীক্ষাহে। মই চাব খুজিছিলো যে তেওঁলোকে সেই মাটি কেনেদৰে ব্যৱহাৰ কৰে। দুয়োয়ে সেই মাটিত কৰা খেতিৰ ধৰণৰ পৰাই মই দুয়োজনৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ কথা অনুধাৱন কৰিবলৈ সক্ষম হৈছো।''

ৰজাই মন্ত্ৰীৰ বুদ্ধি আৰু পৰামৰ্শত অতিশয় সুখী হ'ল আৰু তেওঁৰ প্ৰশংসা কৰিলে।

ভাল পৰিৱৰ্তন

আনন্দই ষষ্ঠ শ্ৰেণীত অধ্যয়ন কৰিছিল। পঢ়া-শুনা কৰাতকৈ তাৰ খেলাত আছিল বেছি ৰাপ। তাৰ মাক অনুৰাধাই সদাই তেওঁক মনপুতি পঢ়িবলৈ কৈ থাকিছিল। কিন্তু সি তালৈ মন কাণেই নকৰিছিল। সি ক্ৰিকেট বৰ ভাল পাইছিল। যেতিয়াই টিভিত কোনো ক্ৰিকেট খেল দেখুৱাইছিল, সি খাবলৈ, শুবলৈ পাহৰি গৈছিল। স্কুল খটি কৰি কেৱল ঘৰতে বহি ক্ৰিকেট খেল চাইছিল।

দেউতাক নাগেশে তাৰ তিনিমহীয়া পৰীক্ষাৰ নম্বৰ বিলাক চাই বৰ অসন্তুষ্ট হ'ল। আনন্দক কম নম্বৰ পোৱাৰ বাবে গালিও পাৰিলে। কিন্তু তথাপিও তাৰ স্বভাৱৰ সলনি নহ'ল। নাগেশে তাৰ বিদ্যালয়ৰ শিক্ষক গণপতিৰ লগত কথা পাতিলে। শিক্ষক গণপতিয়ে তেওঁক কলে, ''চিন্তা নকৰিব, এই বয়সত ল'ৰাৰ স্বভাৱ এনেকুৱাই হয়। মই তাৰ স্বভাৱ সলনি কৰিবৰ বাবে সাধ্যমতে চেষ্টা কৰিম।

তাৰপিছত তেওঁ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলক কলে, ''সকলোৱে ভালদৰে শুনা। যিসকলে ছমহীয়া পৰীক্ষাত উত্তীৰ্ণ নহয়, তেওঁলোকক বছৰেকীয়া পৰীক্ষা দিবলৈ দিয়া নহয়। তেনেসকলে অহাবছৰো ষষ্ঠ শ্ৰেণীতেই পঢ়িব লাগিব। তেওঁলোকে সপ্তম শ্ৰেণীলৈ প্ৰমোছন নেপাব।''

এই কথা শুনি সকলো ছাত্ৰ-ছাত্ৰীয়েই বৰ ভয় খালে। তেওঁলোক সকলোৱেই ভালদৰে অধ্যয়ন কৰিবলৈ ধৰিলে। তেওঁলোকে চিন্তা কৰিলে 'যদি অহাবছৰো ষষ্ঠ শ্ৰেণীতেই থাকিবলগীয়া হয়, সেয়া বৰ লাজৰ কথা হব। সৰু সৰু ল'ৰা-ছোৱালীৰ লগত একেলগে পঢ়িব লাগিব।'

তেওঁলোকে স্কুলৰ বাগিছা আদিত একগোট হৈ অধ্যয়ন কৰিবলৈ ধৰিলে। আনন্দই

এ হেমাৱতী

তেওঁলোকৰ লগত এইদৰে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলেও তাৰ মূৰত একো নোসোমাল।

প্ৰথমৰ পাঠবিলাক ভালদৰে নপঢ়াৰ ফলত পিছৰ পাঠবিলাকো সি বুজি নোপোৱা হ'ল। কিবা প্ৰকাৰে সি পৰীক্ষাত উত্তীৰ্ণ হবলৈ উপায় বিচাৰিলে। ছমহীয়া পৰীক্ষাৰ আগত এটা ইউনিট পৰীক্ষা পতা হ'ল।

পৰীক্ষাত আনন্দৰ কাষত ইন্দু বহিছিল। ইন্দুৰ এটা অভ্যাস আছিল যে তাই প্ৰশ্নৰ উত্তৰ কৰা কাকতবিলাক কাষত থৈ আনবিলাক কাকতত প্ৰশ্নোত্তৰ লিখিছিল।

তই এইদৰে প্ৰতিবাৰেই প্ৰশ্নোত্তৰ লিখি কাষত থৈ যাওতে আনন্দে তাই গম নোপোৱাকৈ তাৰ পৰা মনে মনে নকল কৰি গৈছিল।

এইদৰে আনন্দই গোটেইকেইটা বিষয়তে ইন্দুৰ বহীৰ পৰা নকল কৰি লিখিলে। সকলো বিষয়তে সি সাধাৰণ শিক্ষাৰ্থীতকৈ অধিক নম্বৰ পাই পাছ কৰিলে। শিক্ষক গণপতি এই ফলাফল দেখি বৰ আঁচৰিত হ'ল। আনন্দৰ মাক-দেউতাকো তাৰ পৰীক্ষাৰ নম্বৰ দেখি বৰ আঁচৰিত হ'ল। গণপতিয়ে আনন্দক পৰীক্ষাত ভাল নম্বৰ পোৱাৰ বাবে অভিনন্দন জনালে।

তেওঁ গোটেই শ্ৰেণীটোকে উদ্দেশ্যি কলে, "তোমালোক সকলোৱেই আনন্দৰ ঘটনাটোক উদাহৰণ হিচাপে লোৱা উচিত। তেওঁ লক্ষ্য স্থিৰ কৰি ভালদৰে অধ্যয়ন কৰিলে আৰু ফলত পৰীক্ষাত ভাল নম্বৰ পাবলৈ সক্ষম হ'ল। আমাৰ চেষ্টা তেনেকুৱাই হব লাগে।"

আনন্দৰ মাকে তাৰ বাবে সি ভাল পোৱাকৈ সৰহকৈ কাজু বাদম দি পায়স বনালে। তাৰ দেউতাকে তাক এটা নতুন চোলা আনি দিলে।



আনন্দে বুজিলে যে সি পৰীক্ষাত ভাল ফল দেখুৱালে নানা ধৰণৰ উপহাৰ পাব। কিন্তু মনপুতি অধ্যয়ন কৰা বৰ উজু নহয়। গতিকে তেওঁ সহজ পথটো বাচি ললে। নকল কৰি পৰীক্ষাত ভাল নম্বৰ পোৱাটোকে সি লক্ষ্য কৰি ললে।

সি পিছৰ পৰীক্ষাটোতো ইন্দুৰ কাষত বহিছিল আৰু ইন্দুৰ বহীৰ পৰা তাই গম নোপোৱাকৈ নকল কৰি লিখি আছিল। কিন্তু ছমহীয়া পৰীক্ষাত নকল কৰা বৰ সহজ নাছিল। সি তেনে কৰা শিক্ষকে দেখা পালে। গতিকে শেষৰ দিনা ইংৰাজী পৰীক্ষাত তেওঁ ইন্দুক বেলেগে বহিবলৈ দিলে। সেইদিনা আনন্দই নকল কৰিবলৈ কোনো সুবিধা নাপালে। সি সেইদিনা উত্তৰৰ বহীত একো লিখিব নোৱাৰিলে। শিক্ষক গণপতিৰ আনন্দক দুখ দিয়াৰ কোনো অভিপ্ৰায় নাছিল। আনন্দক তেওঁ

ভুল পথৰ পৰা আঁতৰাই নিব বিচাৰিছিল। সেই অভিপ্ৰায়েৰে তেওঁ সকলো ছাত্ৰ-ছাত্ৰীকে খেলপথাৰলৈ লৈ গ'ল। তাত সকলোৱে মিলি আনন্দ কৰি নানা খেল খেলিলে।

তাৰপিছত সকলো ল'ৰা-ছোৱালী শাৰী পাতি থিয় হ'ল। শিক্ষক গণপতিয়ে সকলো ল'ৰা-ছোৱালীকে উদ্দেশ্য কৰি কলে, ''মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, যদি আমি খেল আৰু শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যাব বিচাৰো, তেন্তে দৃঢ় সংকল্প লৈ, মন স্থিৰ কৰি কঠোৰ পৰিশ্ৰম কৰিব লাগিব। আমি আমাৰ মাজত থকা অলসতাক নাশ কৰিব লাগিব।

এলাহ হ'ল আমাৰ প্ৰথম শত্ৰু। আমি আমাৰ সময়ৰ সদব্যৱহাৰ কৰি সেই এলাহৰ পৰা মুক্তি লাভ কৰিবলৈ চেষ্টা কৰিব লাগিব। আমি আমাৰ লক্ষ্যত উপনীত হবৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবই লাগিব। ক্ৰিকেটেই হওক, দবাখেলেই হওক, শুটিঙেই হওক বা সন্মানজনক আসামৰিক সেৱা পৰীক্ষাই হওক, আমি তেতিয়াহে সাফল্য লাভ কৰিব পাৰিম, যেতিয়া আমি লক্ষ্য সন্মুখত ৰাখি তাক পাবলৈ কঠোৰ পৰিশ্ৰম কৰিম। আমাৰ অশান্ত মনক শান্ত কৰাৰ চাবিকাঠি আমাৰ নিজৰ হাততেই আছে।

আমাৰ বিদ্যালয়ৰ বাৰীত থকা ফুল আৰু শাকৰ গছবিলাকলৈ চোৱা। আমি সেইবিলাক চোৱা-চিতা কৰাৰ দায়িত্ব বেলেগ বেলেগ সময়ত বেলেগ বেলেগ শ্ৰেণীক দিছো। আনকি সেই বাৰীত কৰিবলগীয়া কামসমূহো আমি আমাৰ মাজতে ভাগ কৰি লৈছো।

আমি এইদৰে আমাৰ স্কুলৰ ফুল আৰু শাকৰ বাৰীক ফলে-ফুলে জীপাল কৰি ৰাখিবলৈ নানা আঁচনি লৈছো। সেই কাৰণেই আজি আমাৰ স্কুলৰ ফুল আৰু শাকৰ বাৰীৰ পৰা আমি উপকৃত হৈছো। ফুলে আমাৰ বিদ্যালয়ৰ সৌন্দৰ্য বৃদ্ধি কৰিছে আৰু শাক-পাচলি আমি আমাৰ আহাৰৰ বাবে ব্যৱহাৰ কৰিব পৰা হৈছো।

আমি কেনেদৰে কাম আৰম্ভ কৰিছিলো তোমালোকৰ মনত আছেনে? প্ৰথমতে আমি ফুলৰ পুলি ৰুবৰ বাবে মাটি ভাঙি তাত 'বেড' তৈয়াৰ কৰিছিলো। তাৰপিছত তাত গুটি সিঁচি নিতৌ পানী দিছিলো। আমাৰ কষ্টৰ ফলস্বৰূপে আমি ৰঙীন ধুনীয়া ধুনীয়া ফুল লাভ কৰিছিলো। শাক-পাচলিৰ গছৰ পৰাও আমি বিলাহী, বেঙেনা, ভেন্দী আদি লাভ কৰিছো।

লতাজাতীয় গছসমূহলৈ চোৱা। সেইবিলাকৰ পৰা জিকা, কেৰেলা, ধুন্দুলি আদি লাভ কৰিছো। সেইবিলাক আনবিলাক গছৰ

মাজৰ খালী ঠাইবিলাকত ওলমি আছে। তোমালোকে মন কৰিছানে যে ধুন্দুলি কলি হৈ থাকোতেই আমি সিঁহতৰ তলফালে এটা সৰু শিলগুটি বান্ধি দিছিলো।

আমি কিয় এনে কৰিছিলো জানানে বাৰু?'' কিছুমান ছাত্ৰই উত্তৰ দিবলৈ চেষ্টা কৰিলে। সিঁহতে ভাৱিছিল যে যাতে ধুন্দুলি বিলাক ভালদৰে দেখা পোৱা যায়, সেইবাৰে কলিতে এটুকুৰা শিলগুটি ওলমাই বান্ধি দিয়া হয়। নহলে সেইবিলাক একে ৰঙৰ পাতৰ লগত মিহলি হৈ পৰিব।

শিক্ষক গণপতিয়ে প্ৰশ্নটোৰ উত্তৰ নিজেই দিলে। ''আঁচলতে সেই ধুন্দুলিবিলাক হ'ল আমাৰ মনৰ দৰে। যদি আমি সেইবিলাক কলি থাকোতেই শিলগুটি বান্ধি নিদিও, তেন্তে সেইবিলাক বেকা হৈ পৰিব। আমি এইবাবেই বান্ধি দিও যে এনে কৰাৰ ফলত সিবিলাক পোন হৈ বৃদ্ধি পায়।

ধুন্দুলি পোন হলেহে বজাৰত বেছিকৈ বিক্ৰী হব।

সেই ধুন্দুলিবিলাকৰ দৰে আমাৰ মনবিলাককো পোন কৰি ৰাখিব লাগে। আমি আমাৰ লক্ষ্যক সেই শিলগুটি হিচাপে ব্যৱহাৰ কৰিব লাগে। আমি সময়ৰ অপব্যৱহাৰ কৰিব নালাগে।

তোমালোকে টেণ্ডুলকাৰ বা গোপীচান্দৰ কথা ভাৱি চোৱা। তেওঁলোকে সফলতাৰ বাবে কিমান কঠোৰ পৰিশ্ৰম কৰিবলগা হৈছে।

মই কি কলো তোমালোকে বুজিলানে বাৰু?''

''আমি বুজি পালো, ছাৰ।''

''ঠিক আছে, ব'লা, আমি এতিয়া ফুটবল খেলোগৈ।'' গণপতিয়ে কলে।

স্কুলৰ ঘন্টা বজালৈকে সকলোৱে ফুটবল খেলি থাকিল। ঘন্টা পৰাত সকলোৱে নিজৰ নিজৰ বেগ লৈ ঘৰলৈ বুলি খোজ ললে। আনন্দে ঘৰলৈ নগৈ গণপতিৰ কোঠালৈ সোমাই গৈ তেওঁৰ ভৰি চুই সেৱা কৰিলে। সি কলে, ''মই এটা বৰ ডাঙৰ ভুল কৰিলো। মোৰ ক্ষমা কৰক।'' সি কান্দিবলৈ ধৰিলে।

শিক্ষক গণপতিয়ে তাক কোলাত তুলি ললে আৰু কলে, ''আনন্দ, মই তোমাৰ মাজত এটা ভাল পৰিৱৰ্তন আনিব বিচাৰিছিলো। যোৱা, এতিয়া তোমাৰ মনত এটা শিলগুটি বান্ধি লোৱাগৈ। তোমাৰ মন নিজে নিজেই পোন হৈ পৰিব।''

সহায়ৰ হাত

শ্ৰীনাথপুৰত সদানন্দ নামৰ এজন জমিদাৰ আছিল। দুখীয়া মানুহে প্ৰায়েই তেওঁক দেখা কৰিছিল আৰু তেওঁৰ পৰা টকা পইছা বা আন বস্তুৰে সহায় লাভ কৰিছিল।

এবাৰ কিছুমান মানুহে জমিদাৰৰ সন্মুখত সাৰনাথ নামৰ এজন লোকৰ কথা কৈ বৰ প্ৰশংসা কৰিছিল। তেওঁলোকে কৈছিল, ''মহাশয়, সাৰনাথজীৰ অবিহনে আমি হাৰিলোহেতেন। আপোনাৰ দৰেই তেৰো বৰ দয়ালু।''

এই কথা শুনি জমিদাৰৰ বৰ খং উঠিল। তেওঁ সাৰনাথৰ প্ৰশংসা কৰি থকা লোকসকলক খঙতে চিঞৰি কলে, ''তোমালোকে সাৰনাথৰ কিয় প্ৰশংসা কৰি আছা। মইহে তোমালোকক যেতিয়াই যি বস্তুৰে প্ৰয়োজন তাকেই যোগান ধৰি সহায় কৰি আছো।''

জমিদাৰৰ মুখ্য পৰামৰ্শদাতাজনে এই ঘটনা লক্ষ্য কৰি আছিল। সেইদিনা তেওঁ জমিদাৰক সেই দুখীয়া মানুহবিলাকে বাস কৰা অঞ্চলটোলৈ লৈ গ'ল।

তেওঁলোকে তাত সাৰনাথে কাম কৰি থকা দেখা পালে। তেওঁৰ কাপোৰ-কানি আছিল লেতেৰা আৰু এখন হাতত বেণ্ডেজ বান্ধি থোৱা আছিল। বুজিবলৈ অসুবিধা হোৱা নাছিল যে কোনো কাম কৰোতে তেওঁ হাতত আঘাট পাইছিল।

জমিদাৰৰ মূখ্য পৰামৰ্শদাতাই জমিদাৰক কলে, ''আপুনি এই মানুহবিলাকক সহায় কৰি আছে। সাৰনাথেও এই মানুহবিলাকক সহায় কৰি আছে। আপুনি নিশ্চয় মন কৰিলে যে তেওঁ নিজে উপস্থিত থাকি মানুহবিলাকক সহায় কৰি আছে। সেইবাবেই তেওঁৰ প্ৰতি সকলোৰে সন্মান আছে।''

সকলো কথা বুজি পাই জমিদাৰেও সাৰনাথক প্ৰশংসা কৰিলে। তেওঁ নিজৰ ধৰণে সেই দুখীয়া মানুহবিলাকক সহায় কৰা অব্যাহত ৰাখিলে আৰু লগতে যি উপায়ে সাৰনাথে সেই একেইখিনি মানুহক সহায় কৰি থাকিল, তাৰ বাবে সাৰনাথকো প্ৰশংসা কৰিবলৈ ধৰিলে।

–ভীমভাৰাপু পুৰুষোত্তম

মই কি হ'ব পাৰো?

কিছু বছৰৰ আগৰ পৰা, ভাৰতত অধিবক্তা সম্পৰ্কে থকা ধাৰণাৰ আমুল পৰিৱৰ্তন ঘটিছে আৰু নতুন প্ৰজন্মৰ বহু যুৱক-যুৱতীয়েই এজন খ্যাতনামা অধিৱক্তা হোৱাৰ সপোন দেখিবলৈ আৰম্ভ কৰিছে। নানা ধৰণৰ কামৰ বাবে প্ৰতিটো কোম্পানীকেই আইন বিশেষজ্ঞৰ প্ৰয়োজন আৰু সেইবাবেই এইদুটা বৃত্তিয়ে গুৰুত্ব লাভ কৰিবলৈ আৰম্ভ কৰিছে। এই দুটা বৃত্তি হল :

- অধিবক্তা
- কোম্পানী ছেক্রেট্রেৰী

আইনে কি কৰিবলৈ অনুমতি দিয়ে আৰু কি কৰিবলৈ অনুমতি নিদিয়ে তাক জানিবলৈ মানুহ আৰু কোম্পানীয়ে অধিৱক্তাৰ সহায় লয়। কোনো কোনো সময়ত কোনো লোক বা চৰকাৰৰ বিৰুদ্ধে কৰ্টত আইনী যুঁজ কৰিবলৈও অধিবক্তাৰ সহায় লোৱা হয়। আইন হ'ল এনে এক পেশা, যাৰ বাবে কঠিন পৰিশ্ৰম, মনোযোগ, গৱেষণা, ধৈৰ্য আৰু প্ৰচুৰ অধ্যয়নৰ প্ৰয়োজন হয়। গতিকে কি উপায়েৰে এজন ছাত্ৰ অধিৱক্তা হব পাৰে ?

এজন আইনজীৱী হবৰ বাবে চাৰি বছৰীয়া LL.B ডিগ্ৰী লোৱাৰ প্ৰয়োজন হয়। এজন অধিৱক্তক প্ৰয়োজন হয় উচ্চ মানদণ্ডৰ লিখন কৌশল, বিশ্লেষণ ক্ষমতা আৰু সমলোচনাত্মক চিন্তা । এজন ভাল অধিৱক্তা কিতাপ বা আন ঠাইৰ পৰা আইনী সত্যসমূহ বিচাৰি উলিয়াব পৰাৰ ক্ষমতাৰো অধিকাৰী হব লাগিব।

তেওঁ সত্তক ভালদৰে দাঙি ধৰিবৰ বাবে ভালদৰে লিখিব আৰু কথা কব পৰা হব লাগিব। যিকোনো স্নাতকেই আইন স্কুল নামভৰ্তি পৰীক্ষাত (LSAT) কৃতকাৰ্য হৈ যিকোনো আইন স্কুল বা কলেজত নামভৰ্তিকৰিব পাৰে। এই পৰীক্ষা হ'ল যৌক্তিক বিশ্লেষণ ক্ষমত, লিখাৰ কৌশল আৰু সমসাময়িক জ্ঞানৰ লগতে বোধশক্তিৰ পৰীক্ষা কৰি চাবৰ বাবে এক পৰীক্ষা।

তাৰপিছত এজন অধিবক্তা হবৰ বাবে দ্বিতীয় পৰ্যায়টো হ'ল BCI (বাৰ কাউঞ্চিল অব ইণ্ডিয়া)ই অনুষ্ঠিত কৰা পৰীক্ষাত উত্তীৰ্ণ হোৱাটো। এই পৰীক্ষাই এইটো পৰীক্ষা কৰে যে আইনৰ ডিগ্ৰী লাভ কৰাৰ পিছত এজন ছাত্ৰ বা ছাত্ৰী আইনৰ অনুশীলন কৰিবৰ বাবে সাজু হয়নে নহয়। যদি তুমি এক বিশেষ ক্ষেত্ৰত আইনৰ অনুশীলন কৰিব বিচাৰা, তেন্তে আইন এজেঞ্চিসমূহৰ দ্বাৰা অনুষ্ঠিত পৰীক্ষাত বহিব লাগিব।

এজন অধিৱক্তা কেনেকৈ হব পাৰি সেই সম্পৰ্কে কবলগীয়া কথা ইমানেই। পিছৰ সংখ্যাত আমি কোম্পানী ছেক্রেট্রেৰীৰ সম্পৰ্কে আলোচনা কৰিম।

– ছাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৫

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৫ লিখা।

৪) তোমাৰ উত্তৰ ৩১ জানুৱাৰী ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ মাৰ্চ মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ঋষিৰ ওপৰত কুইজ



১. কোনগৰাকী ঋষি কামধেনু গাই আৰু তাইৰ পোৱালী নন্দিনীৰ গৰাকী আছিল ?

২. দ্ৰোণাচাৰ্যক মহা অস্ত্ৰ ব্ৰহ্মাস্ত্ৰ প্ৰদান কৰা সপ্তৰ্ষিৰ নাম কি আছিল ?

৩. দুৰ্বাসাৰ পিতৃৰ নাম কি আছিল ?

৪. কোনজন ঋষিয়ে আঠটা ভৰি লৈ জন্মলাভ কৰা বুলি বিশ্বাস কৰা হয় ?

৫. কাক প্ৰাচীন ভাৰতৰ ঔষধৰ পিতৃ বুলি অভিহিত কৰা হয় ?

৬. কোন তেওঁৰ জীৱনৰ প্ৰথমছোৱাত এজন ৰজা আছিল আৰু কঠোৰ তপস্যাৰ ফল পিছৰছোৱাত এজন ব্ৰহ্মৰ্ষিত পৰিণত হৈছিল ?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩২, চেপ্তেম্বৰ ২০১১ চনৰ উত্তৰ:

১. ২৭ চেপ্তেম্বৰ, ২. পেৰু, ৩. জম্মু আৰু কাশ্মীৰ, ৪. চাৰমিনাৰ, ৫. গোৱা, ৬. কেৰেলা, ৭. জয়পুৰ, ৮. মিচৌৰী

September'11 Winners: 1. Shakshi Satish Naik, AMBAD. M.I.D.C, Near Simbaji's College Nashik.
2. Gongati Devika, D/o Chinna polireddy, Mundlamuru(Mandal), Prakasam(dist) - 523265.
3. Durai A Navaneetham, C-252 Kandasamy salai, Periyar Nagar, Chennai - 600082.
4. Krishnankith Banerjee, Swarg Ashram, Paraniandh Chok Gate, Delhi - 110009.
5. Ananya Srivastava, D/o A.C. Srivastava, H.D. 89, Sector - I, Janakipuram, Lucknow-226021.

কৌতুক



ককায়েক: মোৰ বৰ বেয়াকৈ মূৰৰ বিষ হৈছে।
ভনীয়েক: মই জানো, কিয় হৈছে।
ককায়েক: কিয় ?
ভনীয়েক: কালি মোৰ পেটৰ বিষ হওতে মায়ে কৈছিল যে মোৰ পেট খালী হৈ থকাৰ বাবে বিষ হৈছিল। গতিকে মই ভাৱো যে তোমাৰো একেটাই সমস্যা।



শিক্ষয়ত্ৰী: যদি মই তোমাক দুটা মেকুৰী আৰু চাৰিটা কুকুৰ দিও, তোমাৰ ওচৰত কিমানটা জন্তু হব ?
চনু: নটা, বাইদেউ
শিক্ষয়ত্ৰী: কেনেকৈ নটা হব ?
চনু: আপুনি পাহৰিলে নেকি যে মোৰ ইতিমধ্যেই এটা কাছ, এটা শহাপহু আৰু এটা ভাটৌ আছে !

অৰুণ: তুমি জানানে কোনগৰাকী ৰাণীৰ ওচৰত সকলোতকৈ ডাঙৰ মুকুটটো আছে ?
বৰুণ: নিশ্চয়, মই জানো।
অৰুণ: ঠিক আছে, কোৱাচোন বাৰু কাৰ ওচৰত ?
বৰুণ: যাৰ মূৰটো আটাইতকৈ ডাঙৰ, তেওঁৰ ওচৰত !

ককাদেউতা: তুমি ভাত খাবলৈ লোৱাৰ আগতে ভগৱানক অলপ সময় প্ৰাৰ্থনা কৰানে ?
বৰ্ষা: তাৰ কোনো প্ৰয়োজন নাই। মোৰ মা এগৰাকী ভাল ৰান্ধনী !

পপ কৰ্ণ !

পপকৰ্ন হ'ল এক অতি পুৰণি জনপ্ৰিয় খাদ্য। মেক্সিকোৰ বেট গুহাত সকলোতকৈ পুৰণি পপকৰ্নৰ অস্তিত্ব আৱিষ্কাৰ কৰা হৈছে। অনুমান কৰা হৈছে যে সেয়া অতি কমেও ৫৬০০ বছৰ পুৰণি। পপকৰ্ন ভাৰত আৰু চীন দেশতো অতি জনপ্ৰিয় আৰু কেইবাশবছৰৰ আগৰ পৰা প্ৰচলিত হৈ আহিছে।

বহু কালৰ আগতে, মাছমৰীয়াসকলে তৈয়াৰ কৰাৰ সময়ত ওপৰলৈ উঠি অহা পপকৰ্নৰে দেৱতাক আহুতি দিছিল। তেওঁলোকে ভাৱিছিল যে ওপৰলৈ এইদৰে উঠি অহা পপকৰ্ন শিলাবৃষ্টিৰ শিলৰ দৰে আৰু সেইবাবে ই হ'ল জল দেবতাৰ বাবে এক উপযুক্ত আহুতি।

তুমি পপকৰ্নেৰে তৈয়াৰী এডাল ব্ৰেচলেট পিন্ধিবলৈ ভাল পাবানে? নহলে এডাল পপকৰ্নৰ নেকলেছ? আজটেক সকলে ইয়াক অলংকাৰ হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁলোকে আনকি পপকৰ্নৰ পৰা নিৰ্মিত শিৰত পিন্ধা নানা অলংকাৰ ব্যৱহাৰ কৰিছিল।

১৪৯৬ চনত যেতিয়া খ্ৰীষ্টফাৰ কলম্বাছ ৱেষ্টইণ্ডিজত উপনীত হয়, তেতিয়াৰ স্থানীয় লোকসকলে পপকৰ্ন আৰু পপকৰ্নৰ পৰা নিৰ্মিত নানা ধৰণৰ বস্তু নাৱিকসকলক বিক্ৰী কৰিবলৈ চেষ্টা কৰিছিল।

'ৱামপানাওগ ইণ্ডিয়ান' আৰু উপনিৱেশতাবদী ইংৰাজসকলে ১৬২১ চনত প্লাইমাউথত প্ৰথম 'থেংছগিভিং ডিনাৰ' অনুষ্ঠিত কৰিছিল। এইটো বিশ্বাস কৰা হয় যে স্থানীয় লোকসকলে এই উৎসৱৰ বাবে হৰিণাৰ ছালৰ মোনা ভৰাই পপকৰ্ন আনিছিল।

পপকর্ন আৰু কঠিন সময়!

আমেৰিকাৰ হতাশাজনক অৱস্থাৰ সময়ত, পপকর্ন এনে এক বস্তু আছিল যাক সকলোৱেই ক্রয় কৰিবলৈ সমর্থ আছিল। যেতিয়া আন সকলো বস্তুৰে ব্যৱসায় লোকচানজনক পৰিগণিত হৈছিল, সেইসময়তেই পপকর্নৰ ব্যৱসায়ে সফলতা কঢ়িয়াই আনিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত, সাগৰৰ সিটো পাৰে থকা সৈনিকসকললৈ চেনী প্ৰেৰণ কৰা হৈছিল আৰু কেণ্ডি তৈয়াৰ কৰিব পৰাকৈ যথেষ্ট বাকী নৰৈছিল। মানুহে সেই সময়ত সাধাৰণতে খোৱাকৈ তিনিগুণ বেছ পপকর্ন খাইছিল!

বিবাহনুষ্ঠানত পেৰুৰ অধিবাসী সকলে শূণ্যলৈ পপকর্ন দলিয়াই কয়, 'ভিভান লছ নভিয়ছ'। এই বাক্যাংশৰ অৰ্থ হ'ল 'দীৰ্ঘদিন ধৰি জীয়াই থাকা, মৰমৰ বন্ধুসকল।'

পার্চি স্পেনচাৰে মেগনেটন আৰু মাইক্ৰৱেভৰ ওপৰত কাম কৰি আছিল আৰু কিবা প্ৰয়োজনীয় যন্ত্ৰ তৈয়াৰ কৰিবলৈ চেষ্টা কৰিছিল। পপকর্ন ওপৰলৈ উঠি অহাটো হ'ল তেওঁৰ মাইক্ৰৱেভ প্ৰযুক্তিবিদ্যাৰে সমাধা কৰা সবাতোকৈ গুৰুত্বপূর্ণ পৰীক্ষা। তাৰপিছতেই মাইক্ৰৱেভ অভেনৰ নিৰ্মাণ কৰা হ'ল।

পপকর্ন কেৱল এবিধ সুস্বাদু খাদ্যই নহয়, ইয়াক খ্রীষ্টমাছৰ সময়ত সজোৱা বস্তু, স্থাপত্য শিল্প, আৰু আন আন কলাৰ মাধ্যম হিচাপেও ব্যৱহাৰ কৰা হয়। পপকর্ন মালা, কৃত্ৰিম হিম বৰষুণ, ভিতৰত উপহাৰ থকা পপকর্নৰ বল আদি হল মাত্র কেইটামান উদাহৰণ।

পপকর্ন ধুমুহা- অনাকাংখিত ধাৰাষাৰ বৰষুণ বা ধুমুহা বৰষুণক বুজাবলৈ এই শব্দৰ ব্যৱহাৰ কৰা হয়।

যেতিয়া তুমি প্ৰকৃততেই ব্যস্ত হৈ থাকা, তেতিয়া তাক বুজাবলৈ কব পাৰা, 'মই এটা বাতিত থকা পপকর্নৰ দৰেই ব্যস্ত হৈ আছো।'

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা ? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	I am going on a holiday.	When are you going?
Assamese	মই বন্ধ কটাবলৈ যাম।	তুমি কেতিয়া যাবা?
Telugu	నేను సెలవుపై వెళుతున్నాను. নিনু ছেলাভুপাই ভেলুথুন্নানু.	మీరు ఎప్పుడు వెళుతున్నారు? মিরু য়েপ্পুড়ু ভেলুথুন্নারু?
Tamil	நான் விடுமுறையில் செல்கிறேன். নান ভিডুমুৰাইল ছেলজিৰায়েন।	எப்போது செல்கிறாய்? এপ্পুড়ু ছেলগিৰাই?
Bengali	আমি ছুটিতে যাচ্ছি। আমি ছুটিতে যাচ্ছি।	আপনি কবে যাচ্ছেন? আপনি কবে যাচ্ছেন?
Marathi	मी सुट्टीवर जात आहे. মি চুট্টিৱৰ যাত আহে।	तू कधी जात आहेस? তু কাধি জাত আহেছ?
Kannada	ನಾನು ರಜೆಯಲ್ಲಿ ಹೋಗುತ್ತಿದ್ದೇನೆ. নানু ৰাজেয়াল্লি হ'গুটিদিনি।	ನೀವು ಯಾವಾಗ ಹೋಗುತ್ತಿದ್ದೀರಿ? নিউ য়াৱাগা হ'গুত্তিদিৰি?
Oriya	ମୁଁ ଛୁଟିରେ ଯାଉଛି। মোন ছুট্টিৰে যাউচি।	ତୁମେ କେବେ ଯାଉଛ? তুমি কেবে যাওচা ?
Gujarati	હું રજા પર જાઉં છું. হুন ৰাজা পৰ জাওন চুন।	તમે ક્યારે જઈ રહ્યા છો? তামে ক্যাৰে যাই ৰাহ্য়া চো?
Hindi	मैं छुट्टी पर जा रहा हूँ। মমে চুট্‌টি পৰ জা ৰাহা হহ।	तुम कब जा रहे हो? তুম কব জা ৰেহে হ'?
Malayalam	ഞാൻ അവധിക്കാലം ആഘോഷിക്കാൻ പോകുന്നു. জান আভধিক্কালম আঘোসিক্কান পকুন্নু।	എപ്പോൾ പോകുന്നു? ইপ্পুল পক্কুন্নু?
Santali	ᱤᱧ ᱪᱷᱩᱴᱤ ᱵᱤᱨᱟᱢ ᱥᱮᱱᱚᱜ ᱠᱟᱱᱟ। ইঞ ছুটি বিনঞ ছেনগ কানা।	ᱚᱠᱟ ᱴᱮᱢ ᱥᱮᱱᱚᱜ ᱠᱟᱱ? ওকা টেম ছেনগ কন?
Sanskrit	अहं विरामार्थं गच्छामि। অহম ভীৰামাৰ্থম গচ্ছামমি।	त्वं कदा गच्छसि? তভম কদ গচ্ছাসি?

English	End of this month.	With who are you going?
Assamese	এই মাহৰ শেষত।	তুমি কাৰ লগত যাবা?
Telugu	ఈ నెల చివరలో. ই ননেলা চিভাৰলু।	ఎవరితో వెళుతున్నారు? য়েভাৰিথ’ ভেলুথুন্নাৰু?
Tamil	இந்த மாதக் கடைசியில். ইন্‌ধা মাথা কাডাইচিয়িল।	யாருடன் செல்கிறாய்? য়াৰুডন চেলগিৰাই?
Bengali	এই মাসের শেষে। এই মাহৰ শেষে।	আপনি কার সঙ্গে যাচ্ছেন? আপনি কাৰ সংগে যাচ্ছেন?
Marathi	या महिन्याच्या अखेर য়া মহিনশ্যা অসেৰ।	तू कोणासोबत जात आहेस? তু কোনচোবত জাত অহেচ?
Kannada	ಈ ತಿಂಗಳ ಕೊನೆಯಲ್ಲಿ এ টিংগালা কোনেয়াল্লি।	ನೀವು ಯಾರೊಂದಿಗೆ ಹೋಗುತ್ತಿದ್ದೀರಿ? নিউ য়াৰোডিগে হ’গুত্তিদিৰি?
Oriya	ଏହି ମାସ ଶେଷରେ। এই মাসা শেষেৰে।	ତୁମେ କାହା ସହିତ ଯାଉଛ? তুমি কাহা সহিত যাওছ?
Gujarati	આ મહિનાનાં અંતે. আ মহিনানান অন্তে।	તમે કોની સાથે જાઓ છો? তামে কোনি সাথে যাও ছ?
Hindi	इस माह के अंत में। ইস মাহ কে অন্ত মে।	तुम किसके साथ जा रहे हो? তুম কিচকে সাথ জা ৰেহে হ’?
Malayalam	ഈ മാസം അവസാനം. ই মচম অভসনম।	ആരോടൊപ്പം പോകുന്നു? আৰুডোপ্‌পাম?
Santali	ᱱᱚᱣᱟ ᱪᱟᱸᱫᱚ ᱢᱩᱪᱟᱹᱫ? নোৱা চান্দো মূচাদ?	ᱚᱠᱚᱭ ᱪᱟᱣᱱ ᱟᱢ ᱥᱮᱱᱚᱜ ᱠᱚᱱ? ওকয় চাউন এম ছেনগ কন?
Sanskrit	अस्मिन् मासान्ते। অস্মিনিন মছান্তে।	केन सह गमिष्यसि त्वम्? কেন সহ গমিসয়সি তভম?

জীৱনটো এক যাত্ৰা



তুমি ভ্ৰমণ কৰি ভাল পোৱা, নহয় নে বাৰু ? কিন্তু তুমি গোটেই জীৱনটো ভ্ৰমণ কৰি কটোৱাৰ কথা কল্পনা কৰিব পাৰানে ? জম্মু আৰু কাশ্মীৰৰ হিমালয়ৰ বৰফাবৃত অঞ্চলত গুজাৰ নামৰ এটা জনজাতিৰ লোকে বাস কৰে। ভাৰতৰ অঘৰী জনজাতিবোৰৰ ভিতৰত এইটোত্ত এটা । তেওঁলোকে ঘোঁৰাৰ পিঠিত তম্বু, কম্বল, আটাৰ বস্তা আদি বোজাই দি প্ৰতি বছৰে শ শ মাইল ভ্ৰমণ কৰি ফুৰে । গুজাৰ সকলে নবেম্বৰৰ পৰা মাৰ্চৰ ভিতৰত জম্মুৰ ৰিয়াচি, ৰাজোৰি আৰু পুঞ্জৰ পাহাৰীয়া অঞ্চলত বাস কৰে । এপ্ৰিলৰ প্ৰথম ভাগৰ পৰা তেওঁলোকে আকৌ হিমালয়ৰ উচ্চ অঞ্চলত থকা ঘাঁহনি পথাৰলৈ উভতি যায়। গৰমৰ দিনত এইবোৰ অঞ্চল তেওঁলোকৰ অতি প্ৰিয় । চেপ্তেম্বৰ মাহ পৰিলেই তেওঁলোকে শীতকালীন গৃহ জম্মুলৈ আকৌ বয় বস্তু লৈ গুচি আহে ।

ৰক্ষাকৰ্ত্তা ভগবান

তামিলনাডুৰ চেন্নাইৰ ওচৰৰ উপকূলীয় গাওঁ মিটানকুলমত বসবাস কৰা লোকসকলৰ তেওঁলোকৰ গাঁৱৰ শিৱ মন্দিৰটোৰ ওপৰত ইমানেই গভীৰ বিশ্বাস যে, সেই গাঁৱত বাস কৰা ১৩২ ঘৰ মানুহৰ ঘৰতে দুৱাৰ নাই!

গাওঁবাসীৰ মতে এতিয়ালৈকে কোনো মানুহৰ ঘৰতে চুৰি হোৱা নাই । তেওঁলোকে এইটোত্ত বিশ্বাস কৰে যে যদি কোনো মানুহে তেওঁৰ ঘৰত দুৱাৰ লগায় আৰু তালপাতৰ চালত টাইল লগায় তেনেহলে তেওঁ দেৱতাৰ কোপত পৰিব। ২০০ বছৰতকৈত্ত অধিক পুৰণি এই মন্দিৰটোতো কোনো দুৱাৰ নাই আৰু উপযুক্ত চাল নাই ।

Chandamama

Art Book

'Chandamama Art Book' brought back my childhood memories. Illustrations by artists Vaddadi Papayya garu, Sankar, Chitra, MTV Acharya are pretty to look at, a healthy treat to the eyes that leaves a wonderful impression on my mind. This 'art book' experiment, with quality printing, looking lovely, is an extraordinary gift to art lovers. It is a precious treasure that is worth keeping forever.

With Best Wishes,
P. Sreeramachandra Murthy, Tenali, AP

Order Now



2 Volumes

Log on to: www.chandamama.com or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

ৰসিক মানুহ

বীৰবল

বীৰবল আৰু বেঙেনা



১. এদিনাখন, সম্ৰাট আকবৰে বীৰবলৰ লগত একেলগে দুপৰীয়াৰ আহাৰ খাই আছিল। সম্ৰাটে বেঙেনাৰ আঞ্জাৰ বৰ প্ৰশংসা কৰিলে, ''বীৰবল, মই ভাৱো বেঙেনা সৰ্বোত্তম পাচলি, কি কোৱা ?''



২. ''মই আপোনাৰ কথাৰ লগত একমত শ্বাহেনশ্বাহ। ই হ'ল সকলোতকৈ সোৱাদ আৰু পুষ্টিকৰ পাচলি। আনকি মই ইয়াক 'পাচলিৰ ৰজা' আখ্যা দিব খোজো।'' বীৰবলে কলে।

৩. ''কিয়?'' আকবৰে সুধিলে। বীৰবলে কলে, ''মহাৰাজ, ঠাৰি ডাললৈ চাওক, ইয়াক এটা মুকুটৰ দৰে নালাগেনে বাৰু?'' ''হা, হা... তুমি ঠিক কৈছা, বীৰবল।''

৪. অলপ দিনৰ পিছতে, আকবৰ আৰু বীৰবলে একেলগে দুপৰীয়াৰ আহাৰ খাই আছিল। যেতিয়া বেঙেনাৰ আঞ্জা পৰিৱেশন কৰা হ'ল, সম্ৰাটে খঙেৰে কলে, ''অহ্, সেই একেই বেঙেনাৰ আঞ্জা!''



৫. ''বীৰবল, বেঙেনা হ'ল একেবাৰে কাম নাইকীয়া পাচলি, কি কোৱা ?'' আকবৰে সুধিলে। ''মই আপোনাৰ লগত একমত, শ্বাহেনশ্বাহ। ই একেবাৰে অখাদ্য।'' বীৰবলে কলে।



৬. সম্রাট আঁচৰিত হ'ল। ''তুমি পৰস্পৰ বিৰোধী কথা কৈছা। অলপ দিনৰ আগতে তুমি বেঙেনাৰ সপক্ষে কৈছিলা। আনকি কৈছিলা যে বেঙেনা হ'ল 'পাচলিৰ ৰজা'।''



৭. ''মই মাত্র আপোনাৰ কথাত হয়ভৰহে দিছিলো'', বীৰবলে ব্যাখ্যা কৰিলে, ''যেতিয়া আপুনি কথা সলনি কৰিলে, ময়ো হয়ভৰ দিলো।'' ''কিন্তু তুমি কিয় তেনে কৰিব লাগে?'' আকবৰে সুধিলে।



৮. ''কিয়নো মই আপোনাৰ নিমখ খাইছো, বেঙেনাৰ নহয়। বেঙেনাৰ প্ৰশংসা কৰি মোৰ একো লাভ নহয়। কিন্তু, আপোনাৰ মতক সমৰ্থন কৰিলে মোৰ লাভ হোৱা উচিত।'' বীৰবলে উত্তৰ দিলে।

৯. বীৰবলৰ বুদ্ধিদীপ্ত উত্তৰ শুনি সম্রাট সন্তুষ্ট হ'ল। তেওঁ বীৰবলৰ উপস্থিত বুদ্ধিৰ প্ৰশংসা কৰিলে। ''তুমি নিশ্চয় এটা পুৰস্কাৰ লাভ কৰাৰ যোগ্য।'' সম্রাটে কলে।

বছৰৰ ৩০০ দিনতেই উৎসৱ

শ্ৰীৰংগমত থকা শ্ৰীৰংগনাথস্বামী মন্দিৰ হ'ল এনে এটা মন্দিৰ, যি মন্দিৰৰ চৌহদত বছৰৰ প্ৰায় ৩০০ দিনতেই কিবা নহয় কিবা উৎসৱ পালন কৰা হৈয়েই থাকে। ই আন এটা কাৰণেও বিখ্যাত, সেয়া হ'ল- ইয়াৰ স্তম্ভ ভাৰতৰ ভিতৰতে সৰ্বোচ্চ, যি ২৩৪ ফুট ওখ আৰু এই স্তম্ভত মুঠতে ১৩টা মহলা আছে। ইয়াৰোপৰি ই ভাৰতৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পাঁচটা বৈষ্ণৱ মন্দিৰৰ ভিতৰত এটা। শ্ৰীৰংগম হ'ল তিৰুচিৰাপল্লী পৰা ১৫ কিলোমিটাৰ দূৰত থকা এটা দ্বীপ। মুখ্যমন্দিৰটোৰ ওপৰিও চৌহদত গণেশ, বিষ্ণু, দুৰ্গা, ৰাম আৰু লক্ষ্মণ, কৃষ্ণ, হনুমান, ধনন্বন্ত্ৰী আদিৰ বাবে পৃথক পৃথক মন্দিৰ আছে। গতিকে বেছিভাগ উৎসৱেই, বিশেষকৈ অধিক গুৰুত্বপূৰ্ণ উৎসৱ যেনে বৈকুণ্ঠ একাদশী আদি ডিচেম্বৰ মাহত হয়।

গুপ্তধনৰ বাকচ

এইমাহত আমি কিছুমান বাদ্য–যন্ত্ৰৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

হাৰম'নিয়াম



ভায়'লিন

তবলা

চেহনাই



তাল

ক্লেৰিনেট

CHANDAMAMA'S

Ramayana

An Epic Journey





Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.

Price: Rs 449/-

To place an order, go to www.chandamama.com

Chandamama's Ramayana is available only in English at all leading book shops.

CHANDAMAMA (Assamese) December 2011 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12